জন্মান্তৰ ৰহস্য

THE NABIN BARDOI
-1 MAR 1958

শ্ৰীবাণীনাথ ফুকন,
বেদান্ত বাচস্পতি।

প্ৰকাশক—
গীতাৰ্থী সমাজ
যোৰহাট
১৯৫৭

লিখক—
শ্ৰীৰাধানাথ ফুকন, বেদান্ত বাচস্পতি ।
যোৰহাট ।

প্ৰকাশক আৰু স্বত্বাধিকাৰী
গীতাৰ্থী সমাজ
গীতা ভৱন
যোৰহাট ।

প্ৰথম সংস্কৰণ
কাতি, ১৮৭৯

মূল্য ঃ পাঁচমহা
১/২৫ নতুন পয়চা

ছপাওঁতা—
শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী
বিশ্ববাণী প্ৰেছ,
যোৰহাট, অসম ।

THE
-1 MAR 1958

অগ্ৰকথা।

(শ্ৰীমনোৰঞ্জন শাস্ত্ৰী)

আমাৰ সকলোৰে সুপৰিচিত শ্ৰীযুত ৰাধানাথ ফুকন বেদান্ত-বাচস্পতি দেৱৰ সাংখ্য দৰ্শন, বেদান্ত দৰ্শন, শ্ৰীমদ্ভাগৱত গীতা, কথাৰে উপনিষদ, বিজ্ঞানৰসিপাৰে, এইবিলাক দাৰ্শনিক গ্ৰন্থ যে অসমীয়া ভাষা আৰু সাহিত্য ভাণ্ডাৰৰ অমূল্য সম্পদ, এই কথা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। যি সকল ঋষিকল্প মনীষীয়ে ৰবঙনি দি ভাৰতীয় দৰ্শন চৰ্চ্চাৰ ৰত্নভাণ্ডাৰ চহকী কৰিছে সেই সকলৰ ভিতৰত অসমৰ এই মনীষী জনাৰ নামো সসন্ত্ৰমে উল্লিখিত হৈ থাকিব। বিভিন্ন ভাৰতীয় ভাষাৰ যোগেদি ভাৰতীয় সংস্কৃতি আৰু অধ্যাত্মবিজ্ঞানৰ চৰ্চ্চাত কাৰ কিমান অৱদান আছে, তাৰ বিৱৰণ সংগ্ৰহ কৰিলে অসমীয়াৰ গৌৰবোজ্জ্বল অৱদান ৰূপে সৰ্ব্বপ্ৰথমেই ফুকনদেৱৰ গ্ৰন্থৰ উল্লেখ কৰিব লাগিব।

সম্প্ৰতি তেখেতৰ ষষ্ঠগ্ৰন্থ "জন্মান্তৰ ৰহস্য" নামৰ পুথিখনত ফুকনদেৱে আত্মাৰ জন্মান্তৰ গ্ৰহণৰ প্ৰক্ৰিয়া দাৰ্শনিক আৰু বৈজ্ঞানিক যুক্তিৰ সমন্বয় সহকাৰে অতি মধুৰ অথচ সৰল ভাষাত প্ৰকাশ কৰিছে।

পুৰণি ভাষাৰ মৰ্ম্ম বুজাই টান; তাতে আকৌ তাত নিহিত তত্ত্ব বিলাক বুজি, হৃদয়ঙ্গম কৰি, নতুন যুগৰ মানুহৰ মনত লগাকৈ, নতুন ভাষাৰে, প্ৰকাশ কৰা অসাধ্য নহলেও অতি দুঃসাধ্য কাম। যি সকলে দীৰ্ঘদিন ধৰি বেদান্ত সাংখ্য আদি ভাৰতীয় দৰ্শনশাস্ত্ৰৰ চৰ্চ্চা কৰিছে আৰু সাধনাৰ ক্ষেত্ৰতো অগ্ৰসৰ হৈছে সেইবিলাক লোকে সেই সেই শাস্ত্ৰত বৰ্ণিত তথ্য বিলাক নিজে কিছু বুজিলেও, তাক আজিৰ যুগৰ লোকক বুজাই দিব নোৱাৰে।

নোৱাৰাৰ কাৰণ, তেওঁলোকৰ চিন্তা ধাৰা আৰু ভাষা পুৰণিকালৰ সাঁচতে গঢ়ি উঠিছে; আজিৰ দিনৰ চিন্তা ধাৰাৰ লগত খাপ খোৱা নতুন যুগৰ ভাষা তেওঁলোকে নাজানে। ভাৰতবৰ্ষত সেই গৌৰৱ মণ্ডিত দাৰ্শনিক যুগ আৰু আধ্যাত্মিক চৰ্চ্চাৰ সময় বহুদিন আগতে উকলি গ'ল। এতিয়া সমগ্ৰ পৃথিৱীক বিজ্ঞানৰ চৰ্চ্চাৰ প্লাৱনে বুৰাই পেলাইছে। ভাৰতবৰ্ষতো বৈজ্ঞানিক যুগেই চলিছে। সেইকালত প্ৰতিকথাৰ পাছতে মানুহে যিদৰে দাৰ্শনিক যুক্তিপ্ৰয়োগ বা পৰীক্ষা বিচাৰিছিল আজিৰ শিক্ষিতলোকে সেই দৰেই প্ৰতি কথাতে বৈজ্ঞানিক পৰীক্ষা বা Scientific experiment বিচাৰে। পুৰণি কলীয়া দাৰ্শনিক যুক্তিৰে বা দাৰ্শনিক ভাষাৰে কথা কলে আজিৰ বিজ্ঞানৰ যুগৰ লোকে নুবুজে আৰু বিশ্বাসো নকৰে। আজিৰ লোকক কথা বুজাবলৈ লাগে, বৈজ্ঞানিক যুক্তি, বিজ্ঞান সন্মত বিশ্লেষণত নিপুণ দৃষ্টি-ভঙ্গী তথা আধুনিক বিজ্ঞানৰ ভাষা।

পুৰণি যুগৰ চিন্তাধাৰাক নতুন যুগৰ ভাষাৰ যোগেদি প্ৰকাশ কৰিবপৰা মানুহজন নো আমাৰ দেশৰ "কোন আছে" বুলি যদি কোনোবাই আমাক প্ৰশ্ন কৰে তেন্তে অকল মই নহয়, ফুকনদেৱৰ গ্ৰন্থ মনোযোগ দি পঢ়া মানুহেই দ্বিধাহীন ভাবে ফুকন দেৱৰ নামটো উল্লেখ কৰিব লাগিব।

জীৱৰ যে জন্মান্তৰ বা পুণৰ্জ্জন্ম আছে এই কথাটো যি কোনো সৰ্ব্বভাৰতীয় ধৰ্ম্ম সম্প্ৰদায়েই একবাক্যে স্বীকাৰ কৰে। ভাৰতীয় সংস্কৃতিসম্পন্ন লোকৰ মনত ই এটা স্বতঃ সিদ্ধ কথা। বেদ, পুৰাণ, তন্ত্ৰ, বৌদ্ধজাতক, জৈনাগম আন কি আমাৰ দেশৰ বিয়ানাম লোকগীতিতো পুণৰ্জ্জন্মৰ কথা প্ৰচুৰ ভাবে আছে। হলেও, সেইকথাই আজি বৈজ্ঞানিক সংস্কৃতিসম্পন্ন লোকৰ মনত সাঁচ

ৰহস্যৰ নোৱাৰে, আজিৰ লোকে সেইবিলাক কথা নুবুজে বা তাত বিশ্বাস-স্থাপন কৰিব নোৱাৰে। ফুকনদেৱে এই গ্ৰন্থত জন্মান্তৰ বাদৰ ৰহস্য নানা-গ্ৰন্থৰপৰা আহৰণ কৰি আৰু তাক নিজে বঢ়িয়াকৈ হৃদয়ঙ্গম কৰি আধুনিক বিজ্ঞানসম্মত যুক্তি আৰু প্ৰমাণেৰে সজাই-পৰাই দেশৰ সকলো লোকে বুজিব পৰাকৈ প্ৰকাশ কৰিছে। ইয়াত বেদ, উপনিষদ, গীতাৰ ৰহস্য, সাংখ্য বেদান্ত আদি ভাৰতীয় দৰ্শন শাস্ত্ৰৰ তত্ত্ব আৰু আধুনিক বিজ্ঞানৰ কালজয়ী আবিষ্কাৰ—এই সকলোৱে যে ঘূৰি, ঘূৰি, একেটা পথতে মিলিবলৈ আগ বাঢ়িছে, এই কথা স্পষ্টকৈ দেখুৱা হৈছে। আমাৰ গ্ৰাম্য জীৱনৰ অভিজ্ঞতা আৰু শৈশৱ সংস্কাৰৰ ভিতৰতো সঞ্চিত উদাহৰণ দি ফুকনদেৱে এই পুথিখন সুশিক্ষিত লোক আৰু জুনীয়া ল'ৰাৰ সমানে ৰুচিসঙ্গত তথা আমোদজনক কৰি তোলাত, কৃতকাৰ্য্যতা লাভ কৰিছে। [৫৩ পিঠিত অ' ফুল, অ' ফুল, নুফুল কিয়" আৰু ১০৫ পিঠিৰ "একবুঢ়াৰ বেঙেনাবাৰী" এই শিশু গীতটিলৈ মন কৰক।] জন্মান্তৰ, পাপ, পুণ্য, কৰ্ম্ম, সংস্কাৰ, লিঙ্গশৰীৰ, ইত্যাদি শব্দবোৰ আমি অহৰহঃ ধৰ্ম্মগ্ৰন্থ বিলাকত পাই আছোঁ। তাৰ অৰ্থও যে এটা নহয় এটা বুজি নোপোৱা নাই, এনেও নহয়। কিন্তু এইবিলাকৰ স্পষ্টজ্ঞান বা সাক্ষাৎ উপলব্ধি আত্মজ্ঞানী লোকৰ পক্ষেহে সম্ভৱপৰ। জাগতিক প্ৰমাণ অৰ্থাৎ লৌকিক জ্ঞানৰ উপায়বিলাকৰ দ্বাৰা এই আধ্যাত্মিক, অলৌকিক বিষয়বিলাক আমি ভালকৈ বুজিব নোৱাৰোঁ। ইয়াকে উপনিষদত কোৱা হৈছে যে "পৰাঞ্চি খানি ব্যতৃণৎস্বয়ম্ভূস্তস্মাৎ পৰাঙ্ পশ্যতি নান্তৰাত্মন্"। [কঠ—উঃ ২।১] অৰ্থাৎ—সৃষ্টিকৰ্ত্তাই আমাৰ ইন্দ্ৰিয় বা জ্ঞানৰ উপায় বিলাকক বহিৰ্ম্মুখী কৰি সৃষ্টি কৰিছে;

সেইকাৰণে ইয়াৰ দ্বাৰা 'পৰ' অৰ্থাৎ আত্মভিন্ন বিষয়বোৰকহে জানিব পাৰেঁ। এইবিলাকে আত্মাক বা নিজক বুজাব নোৱাৰে।

দাৰ্শনিক জ্ঞানেই বোলক বা বৈজ্ঞানিক জ্ঞানেই বোলক, সি আমাৰ লৌকিক প্ৰমাণ সাপেক্ষ ; গতিকে লৌকিক প্ৰমাণৰ অগোচৰ বস্তুৰ বিষয়ে সিও অসম্পূৰ্ণ বা অস্পষ্ট হৈয়ে থাকিব। লৌকিক প্ৰমাণৰ এই অসামৰ্থ্যৰ কাৰণেই বেদান্ত দৰ্শনে জন্মান্তৰ গ্ৰহণ প্ৰক্ৰিয়া নিৰূপণতো প্ৰধানতঃ শ্ৰুতি প্ৰমাণৰ ওপৰতে গুৰুত্ব দিছে। ফুকনদেৱেও সেই বেদান্তৰ কথাকে আন ভঙ্গীৰে "এইবোৰ বিজ্ঞানৰ বিষয় নহয়, প্ৰাণশক্তি কি বিজ্ঞানে নাজানে", [৬৫ পিঠি] "দাৰ্শনিক জ্ঞান অতি সত্য জ্ঞান হলেও, সি একেবাৰে সম্পূৰ্ণ সত্য নহয।" [১০৪ পিঠিত] বুলি কৈছে আৰু আধুনিক বিজ্ঞান সম্মত যুক্তিৰে প্ৰত্যক্ষাদি প্ৰমাণৰ অসামৰ্থ্য বৰ্ণনা কৰিছে। [১০৯-১১০ পিঠীত চাওক।]

বৃহদাৰণ্যকোপনিষদৰ চতুৰ্থ অধ্যায়ৰ চতুৰ্থ ব্ৰাহ্মণ আৰু ছান্দোগ্যোপনিষদৰ পঞ্চম অধ্যাযৰ পঞ্চাগ্নিবিদ্যাৰ ওপৰত প্ৰধানতঃ নিৰ্ভৰ কৰিয়ে বেদান্ত দৰ্শনৰ তৃতীয় অধ্যায় প্ৰথম পাদত জীৱৰ সংসাৰগতি বা জন্মান্তৰ গ্ৰহণ প্ৰক্ৰিয়া প্ৰতিপাদন কৰা হৈছে। ফুকন দেৱেও এই বিষয় সকলো কথা বেদান্তৰ দৃষ্টিভঙ্গীৰেই ইয়াৰ সযুক্তিক প্ৰতিপাদন কৰিছে। গীতা আৰু সাংখ্য দৰ্শনৰ মতো যে বেদান্তৰ মতৰ লগত আচলতে একেই, এই কথাও তেখেতে যথা সম্ভৱ সবল যুক্তিৰে আধুনিক বিজ্ঞানৰ লগত সামঞ্জস্য কৰি আমাক দেখুৱাইছে।

আধুনিক বিজ্ঞানৰ লগত পুৰণি--ভাৰতীয় দৰ্শনৰ সমন্বয়সাধনত ফুকন দেৱৰ অনন্যসাধাৰণ পাণ্ডিত্য আৰু আধ্যাত্মিক তথা আধি-

ভৌতিক তত্ত্বোপলব্ধিয়ে যে কি বিপুল প্রেৰণা আৰু ক্ষমতা যোগাইছে, এই কথা আজিৰ যুগৰ শিক্ষিত ডেকাসকলে এই গ্ৰন্থ পঢ়ি বুজি পালে দেশৰ তথা সমাজৰ প্ৰভূত উপকাৰ হয় বুলি আশা কৰিব পাৰোঁ।।

কুকনদেৱৰ পৰিণত বয়সৰ গভীৰ পাণ্ডিত্যপূৰ্ণ অথচ অতি সৰল নিৰ্ভুল যুক্তিপূৰ্ণ এই গ্ৰন্থখনত পঢ়ুৱৈ সকলে একাধাৰে গভীৰ তত্ত্বজ্ঞান, ভাব, আৰু ভাষাৰ সৰলতাৰ পৰিচয় পাব।

সংস্কৃত কলেজ
নলবাৰী
১৮ কাতি, ১৮৭৯ শক

শ্ৰীমনোৰঞ্জন শাস্ত্ৰী

THE NABIN BARD...
-1 MAR 1958
G.UHATI

ন জীবো ম্রিয়তে

(ছান্দোগ্য)

জন্মমরণশব্দৌ স্থাবরজঙ্গমশরীরবিষয়ৌ

(শঙ্করাচার্য্য)

নিবেদন,

পাঠকসকলে অনুগ্ৰহ কৰি যেন এই ছপাৰ ভুলখিনি শুধৰাই লৈ হে কিতাপখন পঢ়ে। এই কেইটা বেয়া ভুল হৈছে।

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
১০	২১	শক্তবি	শক্তিৰ
২৬	৮	শতিকাৰ	কাৰিকাৰ
৩৬	২	পুৰ	•পুৰুষ
৩৬	৫	পুষৰ	পুৰুষৰ
৮৩	২	সন্ত	সপ্ত

অন্যান্য সৰু সুৰা ছপাৰ ভুল যি খিনি ৰৈ গৈছে, পাঠকসকলে সেইখিনি নিজেই পোনাই নিব পাৰিব। তেখেত সকলক এনেদৰে আমনি দিব লগীয়া হোৱা বাবে আমি দুঃখিত।

সূচীপত্র

অধ্যায়	বিষয়	পৃষ্ঠা
১।	জন্মান্তৰবাদ	১
২।	প্ৰকৃতি বা স্বভাৱ	৯
৩।	ভাব আৰু শক্তি	১৩
৪।	ভাবো হি ভব কাৰণম্	১৮
৫।	সংস্কাৰ বা লিঙ্গশৰীৰ	২২
৬।	ভ্ৰান্তিবীজ বা মায়া	৩৫
৭।	বিষয়-জ্ঞান	৪৪
৮।	কৰ্ম্ম আৰু চৰিত্ৰ	৪৮
৯।	কৰ্ম্ম-ফল	৫৩
১০।	পাপ-পুণ্য	৫৭
১১।	পাশ্চাত্য মনোবিজ্ঞানৰ সমস্যা ...	৬৩
১২।	জন্মান্তৰ নে বিবৰ্ত্তন ?	৬৭
৩।	বেদান্ত আৰু সাংখ্য	৭৮
১৪।	মৃত্যু	৮৬
১৫।	পুনৰ্জ্জন্ম	৯৪
১৬।	উপসংহাৰ	১০১

THE NABIN BARDOLAI HALL & LIBRARY
1 MAR 1958
GAUHATI

All birth is a progressive self-realisation.

—Aurobinda.

আদি প্রতিজ্ঞা

না না যোনি সহস্রাণি দৃষ্টা চৈব ততো ময়া।
আহারা বিবিধা ভুক্তাঃ পীতাশ্চ বিবিধাঃ স্তনাঃ ॥
জাতস্তৈব মৃতস্তৈব জন্মচৈব পুনঃ পুনঃ।
অহো দুঃখোদধৌ মগ্নো ন পশ্যামি প্রতিক্রিয়াম্ ॥
যন্ময়া পরিজনস্যার্থে কৃতং কর্ম্ম শুভাশুভম্।
একাকী তেন দহ্যামি গতাস্তে ফলভোগিণঃ ॥
যদি যোন্যাং প্রমুঞ্চামি সাংখ্যং যোগং সমভ্যসেৎ।
অশুভক্ষয়কর্ত্তারং ফলমুক্তিপ্রদায়িনম্ ॥
যদি যোন্যাং প্রমুঞ্চামি ধ্যায়ে ব্রহ্ম সনাতনম্।
অশুভক্ষয়কর্ত্তারং ফলমুক্তিপ্রদায়কম্ ॥

শেষ প্রার্থনা

গতাগতেন শ্রান্তোঽস্মি দীর্ঘসংসারবর্ত্মসু।
যেন ভূয়ো ন গচ্ছামি ত্রাহি মাং মধুসূদন ॥

প্রিয়নাথের স্ত্রী ।

THE ... -1 MAR 1958 ... G

জন্মান্তৰবাদ

জন্মান্তৰ বাদ ভাৰতীয় সকলো দৰ্শনে মানি লৈছে। অতি প্ৰাচীন কালত পৃথিবীৰ সকলো জাতিয়ে পুনৰ্জন্ম বিশ্বাস কৰিছিল। খৃষ্টীয় দ্বিতীয় শতিকাতো বহুত খৃষ্টিয়ানে পুনৰ্জন্ম আছে বুলি' বিশ্বাস কৰিছিল।

এতিয়াও প্ৰেততত্ত্ববিৎ (Theosophists) পণ্ডিত সকলে জন্মান্তৰবাদ গ্ৰহণ কৰিছে। তেওঁবিলাকে কয় যে প্ৰেতাত্মাৰ লগত তেওঁবিলাকে কথা পাতিব পাৰে। পূৰ্ব্ব জন্মৰ কথা মনত থকা বহুত ল'ৰা-ছোৱালী তেওঁবিলাকে হেনো দেখিছে। আমাৰ পুৰাণতো এনে জাতিস্মৰ প্ৰাণীৰ উল্লেখ আছে। এইবোৰ কথা যদি সঁচা হয়, তেন্তে পুনৰ্জন্ম এক ৰকমে প্ৰমাণেই হয়। কিন্তু এইবোৰ কথা বহুতে বিশ্বাস নকৰে। বিশ্বাস কৰিলেও জীৱৰ পুনৰ্জন্ম কিয় হব লাগে, তাৰ একো দাৰ্শনিক যুক্তি এইবোৰত নাই।

শুদা অনুমানৰ ওপৰত নিৰ্ভৰ কৰি কোনো কোনো প্ৰাণীতত্ত্ববিৎ পণ্ডিতে ভাবে যে পুনৰ্জন্ম এটা বিশ্বাস নকৰিলে কিছুমান স্বাভাবিক কথা বুজিবলৈ টান হয়। যেনে, ওপজা লৰাবো মৃত্যু-ভয় আছে যেন অনুমান হয়; সি যদি আগেয়ে মৰা নাছিল, তেন্তে এই ভয় তাৰ মনলৈ কেনেকৈ আহিল? উমনিৰ পৰা ওলাই অহা হাঁহ পোৱালীয়ে আকাশত শেন্ এটা

উড়ি যোৱা দেখিলে লৰমাৰি আহি মাকৰ পাখিৰ তলত সোমায় হি। ওপজা লৰাই মাকৰ পিয়াহ খাবলৈ মুখ মেলি কান্দে।

কিছুমান জন্তুৰ এনে পশু-বুদ্ধি (instinct) আছে যে সেইবোৰ দেখি পুনৰ্জন্ম বিশ্বাস কৰিবৰ মন যায়। যঁজা ল'ৰা ছুটা সমানে মেধাবী নহয়। কিছুমান লৰা অঙ্ক শাস্ত্র-বিশাৰদ হৈ ওপজে; সিহঁতে ডাঙৰ ডাঙৰ পূৰণ হৰণ মুখেৰেই কৰিব পাৰে।

অৱশ্যে এনেবোৰ কথাৰ পৰা পুনৰ্জন্ম প্ৰমাণ নহয়। এইবোৰৰ বিৰুদ্ধে ইউৰোপীয় পণ্ডিতসকলে কয় যে, *"জন্মান্তৰ বাদ" এই কথাটোৱেই এটা অৰ্থহীন কথা। কাৰণ, আমাৰ যদি পুনৰ্জন্ম এটা আছিলো, সেই জন্মৰ কথা আমাৰ একো মনত নাই। তেন্তে সেই জন্মটোক "আমাৰ" বোলো

* "There are two fatal objections to it. The first is that personal identity depends on memory, and we do not remember our previous incarnations. The second is that the soul, whatever it may be, is influenced throughout all its qualities by the qualities of the body: modern psychology discredits the idea that the soul is a metaphysical essence which can pass indifferently from one body to another. If (to suppose the impossidle) the soul of a dog were to pass into man's body, it would be so changed as to be no longer the same soul; and so, in a less degree, of change from one human body to another.

—Encyclopaedia Britannica 11th Ed. Vol 18, P. 260.

কেনেকৈ ? স্মৃতি-জ্ঞানৰ পৰা হে "আমিত্ব" সিদ্ধ হয়। স্মৃতি যেতিয়া সমূলি নাই, সেই জন্মটোক "আমাৰ" বুবুলি অইন এটা মানুহৰ জন্ম বুলিলে কি হয় ?

এই আপত্তি অতি যুক্তি সঙ্গত আপত্তি। ইয়াৰ উত্তৰ দিয়াও টান। পূৰ্ব্ব জন্মৰ কথা মনত থকা জাতিস্মৰ মানুহ আছে বুলি প্ৰমাণ কৰিব নোৱাৰিলে এই প্ৰশ্নৰ উত্তৰ নাই। আমি ইয়াৰ পাছত দেখুৱাম কেনেকৈ বেদান্তই এই আপত্তি খণ্ডন কৰিছে।

ইউৰোপীয় পণ্ডিতসকলৰ ২য় আপত্তি এই :--

ধৰক, মই যেন পূৰ্ব্ব জন্মত এটা হাতী আছিলো আৰু এতিয়া এই জন্মত মানুহ হৈছো। ইউৰোপীয় মতে হাতীৰ আত্মা আৰু মানুহৰ আত্মা একে নহয়। তেন্তে এই দুটা জন্ম একে আত্মাৰ জন্ম কেনেকৈ হ'ল ? হাতীক মানুহ বুলি কল্পনা কৰা কি আৱশ্যক ?

ইউৰোপীয় পণ্ডিতসকলৰ এই আপত্তিৰ উত্তৰ দিব নোৱাৰিলে ভাৰতীয় জন্মান্তৰ-বাদ বুজা নহয়। আমাৰ দৰ্শন মতে আত্মাৰ ভেদ নাই। কুকুৰৰ আত্মা, হাতীৰ আত্মা, মানুহৰ আত্মা—সকলো একে আত্মা। এই আত্মা সৰ্ব্ব-ব্যাপী, নিত্য পদাৰ্থ। ইয়েই ব্ৰহ্ম। [গীতা ২।২৪-২৫]। সকলো জীৱই ব্ৰহ্ম। আত্মা আৰু পৰামাত্মাৰ ভেদ নাই। আত্মাৰ জন্ম বা মৃত্যু একো নাই; কাৰণ সৰ্ব্বব্যাপী পদাৰ্থৰ গতি এটা থাকিব নোৱাৰে। সি সকলো ঠাই ব্যাপি সদায়

সমানে আছে, সি অচল, অব্যক্ত। তাৰ জন্মান্তৰ নাই। যথা :—

ন জায়তে ম্রিয়তে বা কদাচি-
ন্নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে॥

[গীতা ২।২০]

যদি আত্মাৰ জন্মান্তৰেই নাই, তেন্তে পুনৰ্জন্ম কাৰ হয় ?

পুৰাণে কয় যে আমাৰ শৰীৰৰ ভিতৰত আৰু এটি অদৃশ্য সূক্ষ্ম শৰীৰ আছে, তাৰে জন্মান্তৰ হয়। এই সূক্ষ্ম শৰীৰটি আত্মা নহয়। ই স্থূল দেহৰ দৰেই আত্মাৰ অন্যতম দেহ। মৃত্যুৰ পাছত স্থূল দেহৰ পতন হলে, এই সূক্ষ্ম দেহটো যম দূতে বলেৰে ধৰি যমৰ নগৰলৈ লৈ যায়, বা পুণ্যকাৰী লোকৰ সূক্ষ্মদেহ বিষ্ণু দূতে স্বৰ্গলৈ ৰথত তুলি লৈ যায়। যমৰ নগৰত চিত্ৰগুপ্ত বুলি এজন আছে। তেওঁ সকলো মানুহৰ পাপ-পুণ্যৰ হিচাব ৰাখে, এখন বহীত লিখি ৰাখে। তাকে চাই যম ৰজাই মৃতকৰ শাস্তিৰ বিধান কৰে। কোন পাপৰ কি শাস্তি হব লাগে, সেইটো ঠিক আছে। যমৰ নগৰত বহুত নৰক আছে—অম্বৰীষ, ৰৌৰৱ, মহাৰৌৰৱ, কালসূত্ৰ, অন্ধতামিস্ৰ। কোন পাপত কোন নৰকত কিমান দিন থাকিব লাগে, তাৰ লেখ আছে। নৰকবোৰত পাপীক অমানুষিক যন্ত্ৰণা দিয়া হয়। এনে যন্ত্ৰণাৰ কথা শুনিলে

গাৰ নোম শিয়ঁৰি উঠে; মানুহে নাভাবি নোৱাৰে যে যি জন ঈশ্বৰে এনে যন্ত্রণাৰ বিধান কৰিছে, তেওঁ নিশ্চয় করুণাময ঈশ্বৰ নহয়; তেওঁ ক্রূৰ, নিষ্ঠুৰ অসুৰ।

নৰক ভোগৰ ম্যাদ উকলিলে, পাপীক আকৌ সংসাৰলৈ পঠিয়াই দিয়ে। এইবাৰ আকৌ কোন পাপৰ ফলত কি যোনিত জন্ম গ্রহণ কৰিব লাগে, তাৰ বিধান আছে— যেনে, শৰীৰেৰে কৰা পাপৰ ফলত, নৰক ভোগৰ পাছত স্থাবৰ যোনিত জন্ম গ্রহণ কৰিব লাগিব। বাক্যেৰে কৰা পাপৰ ফলত পক্ষী যোনিত জন্ম গ্রহণ কৰিব লাগিব, ইত্যাদি।

এই দৰেই ঈশ্বৰৰ তাত যেন এটা Criminal intelligence department আছে। এখন দণ্ডবিধি আইন আছে, বিচাৰক আছে, জেইল (Jail) আছে—পৃথিবীত যেনে আছে, সেইদৰেই সকলো পূৰা আছে।

এইদৰে কলে সাধাৰণ মানুহে সহজে জন্মান্তৰ এটা আছে বুলি বুজিব পাৰে, পাপলৈ ভয় হয়। শাস্ত্র বাক্য পালন কৰিবলৈ যত্ন কৰে, কাৰণ পুৰাণৰ মতে শাস্ত্র বিহিত কৰ্ম্ম কৰাই পুণ্য আৰু শাস্ত্রই নিষেধ কৰা কৰ্ম্মই পাপ। সেই গুণে পুৰাণে এইবোৰ কথা অতিৰঞ্জিত কৰি কৈছে আৰু জন্মান্তৰৰ যে কিবা দাৰ্শনিক যুক্তি আছে, সেই কথা পুৰাণে কোৱা নাই।

পুৰাণৰ এইবোৰ কথা আজি কালি বহুতে বিশ্বাস নকৰে। প্রথমতে, এইবোৰ বিশ্বাস কৰিবলৈ হলে আমাৰ

মানত ঈশ্বৰৰ ঈশ্বৰত্ব নেথাকে। করুণাময়, ক্ষমাশীল জগতৰ পিতা পৰমেশ্বৰ নিষ্ঠুৰ অসুৰ হৈ পৰে।

তাৰ বাহিৰেও পুৰাণৰ কথাবোৰ উপনিষদৰ লগত নিমিলে। পুৰাণে কলে যে জীৱক যমদূতে বলেৰে ধৰি জন্ম গ্ৰহণ কৰায়। কিন্তু সাংখ্য দৰ্শনে আৰু গীতাই কয় যে জীৱক কোনেও বলেৰে ধৰি নিনিয়ে। জগতত যতবোৰ কাৰ্য্য হৈছে সেই সকলোবোৰ স্বভাৱৰ (Nature) বা প্ৰকৃতিৰ কাৰ্য্য, আৰু জন্মান্তৰো সেই একে স্বভাবৰেই কাৰ্য্য। ঈশ্বৰে যেন এই জগৎ-যন্ত্ৰটি ষ্টাৰ্ট (Start) দি চলাই দিলে, সি যেন আপোনা-আপুনি ঘড়ী চলা দৰে চলি আছে। জন্মান্তৰো সেই একে যন্ত্ৰৰেই কাৰ্য্য ['কথাৰে উপনিষৎ' ৫৭—৫৯ পৃ চাওক] স্বভাবে বা সংস্কাৰে জীৱক কাম কৰায়, কিন্তু জীৱই ভাবে যে সি নিজে কৰে [গীতা ৩।৫, ৩।২৭] সেইদৰেই জন্মান্তৰো স্বভাবৰ কাৰ্য্য, কিন্তু জীৱই ভাবে যে সি নিজে ইচ্ছা কৰি জন্ম গ্ৰহণ কৰিছে ; ভাবিছে যেন সি নিজে পুৰণি কাপোৰ পেলাই দি নতুন কাপোৰ গাত লৈছে : যথা—

কৰ্ম্মৰ সংস্কাৰে, আন দেহ ধৰে
পূৰ্ব্ব দেহ কৰি ত্যাগ।
কৃষ্ণে বোলে তাৰ পূৰ্ব্বৰ সংস্কাৰে।
আপোন স্বভাৱে থাকি কৰ্ম্ম কৰে নৰে॥

[গোবিন্দ মিশ্ৰৰ গীতা]

বাসাংসি জীর্ণানি যথা বিহায়
নবানি গৃহ্লাতি নৰোঽপৰাণি
তথা শৰীৰাণি বিহায় জীর্ণা
ন্যন্যানি সংযাতি নবানি দেহী
[গীতা ২।২২]

সাংখ্যও ঠিক একে ৰকমেই কৈছে—যথা

পুৰুষার্থহেতুকমিদং নিমিত্তনৈমিত্তিকপ্রসঙ্গেন।
প্রকৃতের্বিভূত্বযোগান্নটবদ্ব্যবতিষ্ঠতে লিঙ্গম্॥
[৪২ কাৰিকা]

অর্থাৎ পুৰুষৰ ভোগ আৰু অপবর্গৰ বাবে নিমিত্ত নৈমিত্তিক সহযোগ (অর্থাৎ কার্য্য কাৰণৰ স্বাভাবিক নিয়ম অনুসাৰে) প্রকৃতিৰ অসীম প্রভাৱত, পুৰুষে ভাৱৰীয়াৰ দৰে নতুন নতুন সাজ পিন্ধি জন্ম গ্রহণ কৰে। (নিজৰ উন্নতিৰ নিমিত্তে নিজে কৰো বুলি ভাবে, কিন্তু আচলতে স্বভাৱে কৰায়)। কিন্তু এইবোৰ কথা বুজা টান।

সাংখ্য, গীতা, উপনিষৎ—সকলোৰে উদ্দেশ্য আত্মতত্বটি বুজোৱা; অর্থাৎ সকলো জীৱই যে ব্রহ্ম, সকলোকে যে স্বভাৱে বা সংস্কাৰে কাম কৰায়, কিন্তু সকলোৱে যে নিজে কৰিছো বুলি ভাবে—এই মূল তত্বটি বুজোৱা। কিন্তু এই তত্ব বুজিবলৈ পূর্ব্ব জন্মৰ বা পৰজন্মৰ কথা জনা আৱশ্যক নাই। সেইগুণে বেদান্তত বা সাংখ্যত জন্মান্তৰৰ কথা বেলেগে আলোচনা কৰা নাই। কিন্তু গোটেই দর্শন

খন আগৰ পৰা গুৰিলৈকে সামান্য ভাবে বুজিলেই আমি স্পষ্ট বুজিম যে জগতৰ সকলো ঘটনাৰ দৰেই জন্মান্তৰো এটা স্বাভাৱিক ঘটনা ; অন্যান্য ঘটনাৰ দৰেই ইও নৈসৰ্গিক নিয়মেৰেই হয়, ই যেন উপনিষদৰ এটি স্বতঃসিদ্ধ, যাৰ বিষয়ে আৰু অন্য কোনো প্ৰমাণ আৱশ্যক নাই।

প্ৰকৃতি বা স্বভাৱ

আমি ওপৰত কলোঁ যে জন্মান্তৰ প্ৰভৃতি সকলো কাৰ্য্য স্বভাৱৰ (Nature) কাৰ্য্য আৰু যে যন্ত্ৰত হোৱা দৰে এই কাৰ্য্যবোৰ আপোনা-আপুনি হৈ আছে। জড়-জগৎ সম্পৰ্কে এইটো কথা আমাৰ প্ৰত্যক্ষ জ্ঞান আৰু ইয়াক বুজিবলৈ আমাক একো শ্ৰুতি প্ৰমাণ বা বৈজ্ঞানিক প্ৰমাণ নালাগে। আমি চকুৰেই দেখি আছো যে এই পৃথিবীত অনন্ত কালৰ পৰা সূৰ্য্য, চন্দ্ৰ ঘূৰি আছে; দিনৰ পিচত ৰাতি ৰাতিৰ পিচত দিন হৈ আছে; গছৰ পৰা গুটি হৈছে আকৌ গুটিৰ পৰা গছ গজিছে; মেঘৰ পৰা পানী আৰু পানীৰ পৰা আকৌ মেঘ—এইদৰেই এই জগতৰ সকলো কাৰ্য্য নিৰ্দ্দিষ্ট নিয়মেৰে হৈ আহিছে আৰু আগলৈকো হৈ থাকিব।

এই নিৰ্দ্দিষ্ট নিয়মবোৰৰ সমষ্টিকে আমি স্বভাৱ (Nature) বোলোঁ ' যেতিয়া দেখো যে কোনো এটা ঘটনাত কিবা এটি নিয়মৰ ব্যতিক্ৰম হৈছে, তেতিয়া আমি কওঁ,—"এইটো অস্বাভাৱিক ঘটনা।" বহিৰ্জ্জগত সম্পৰ্কে আমাৰ অলপো সন্দেহ নাই যে ই স্বভাৱৰ কাৰ্য্য।

কিন্তু অন্তৰ্জ্জগৎ অৰ্থাৎ আমাৰ অন্তঃকৰণো যে স্বভাৱৰ কাৰ্য্য, সেই কথা আমি সহজে বুজিব নোৱাৰো, যদিও

সাংখ্যই অতি স্পষ্ট ভাবে কৈছে যে অন্তৰ্জ্জগৎ আৰু বহিৰ্জ্জগৎ--দুয়োখন জগৎ সহভাবী, সহযোগী আৰু অন্যোন্যাশ্ৰয়ী। এই দুখন জগতত সত্ত্ব ৰজস্তমো গুণৰ বাহিৰে আৰু একো নাই। দুয়োখনৰ অ-বিনা-ভাব সম্বন্ধ। এখন নহলে ইখন নাই। [আমাৰ গীতাৰ পাতনি (৫) চাওক]। এই দুইখন জগৎ গোটাই হে এটা যন্ত্ৰ—যি যন্ত্ৰ প্ৰকৃতিয়ে বা স্বভাৱে চলায়। সেই গুণে এতিয়া আমি সাংখ্যৰ জীৱ তত্ত্বটিৰ আলোচনা কৰিম। কিন্তু তাৰ আগেয়ে আমি স্বভাৱটো (Nature) নো কি, সেই বিষয়ে এষাৰ কথা কব খোজো:—

ওপৰত কৈ আহিছো যে আমি আবিষ্কাৰ কৰা নৈসৰ্গিক নিয়মবোৰৰ সমষ্টিকে স্বভাৱ বোলো। কিন্তু ভাবি চাওক, এই নিয়মবোৰ আমি কেনেকৈ পালোঁ। নিউটনে আধাৰ শক্তি আবিষ্কাৰ কৰাৰ আগেয়েও গছৰ পৰা গুটি সৰিছিল; গ্ৰহ, নক্ষত্ৰ ঘূৰি আছিল। নৈসৰ্গিক নিয়মবোৰে গছৰ গুটি নসৰায় বা গ্ৰহ নক্ষত্ৰক নুঘুৰায়। জগৎ আগৰে পৰা আছিল। সেই জগতক পৰ্য্যবেক্ষণ কৰি, প্ৰত্যেক ঘটনাৰ বিষয় গভীৰ চিন্তা কৰি, নৈসৰ্গিক নিয়মবোৰ আমাৰ মনে আবিষ্কাৰ কৰি এই মাত্ৰ বুজিছে যে এই জগতত এটা শৃঙ্খলা আছে, ইয়াৰ কিবা এটা উদ্দেশ্য আছে, ইয়াত নিয়ম আছে আৰু ই এটা শক্তিৰ (energy বা electron) কাৰ্য্য। আচলতে এই শক্তিনো কি পদাৰ্থ, আমি নেজানো

আৰু বিজ্ঞানে কব নোৱাৰে (আমাৰ বেদান্ত দৰ্শনৰ পাতনি চাওক)। বিজ্ঞানে কয় যে শক্তিৰ বাস্তব অস্তিত্ব (objectivity) নাই। ই আমাৰ মনৰ এটা ধাৰণা (concept)। দাৰ্শনিক দৃষ্টিৰে আমি এই মাত্ৰ কব পাৰো। যে এই নৈসৰ্গিক নিয়মবোৰ ঈশ্বৰৰ ইচ্ছাৰ অভিব্যক্তিৰ বাহিৰে আৰু একো নহয়। গীতাই সেই দৰেই কৈছে [আমাৰ গীতাৰ পাতনি (৬) চাওক] ঈশ্বৰে এই জগৎখন এনেকৈ সৃষ্টি কৰিলে যে তেওঁ নিজে লুকাই থাকি আমাক এই নৈসৰ্গিক নিয়মবোৰেৰে বুজিবলৈ দিছে যে এই জগতত শৃঙ্খলা আছে, নিয়ম আছে, উদ্দেশ্য আছে। এয়ে "স্বভাৱৰ" আচল অৰ্থ।

কিন্তু অতি দুখৰ বিষয় যে আমাৰ আজি কালি এনে ধাৰণা হৈছে যেন এই নৈসৰ্গিক নিয়মবোৰতে জগতৰ আচল ক্ৰিয়া শক্তিটো আছে; যেন, স্বভাৱ এটা চেতন পদাৰ্থ, যি এই জগৎ সৃষ্টি কৰিলে; যেন ঈশ্বৰ নাইএই!

এইদৰে ভবা অতি অন্যায় আৰু অতি অ-বৈজ্ঞানিক। মানুহে এইদৰে ভাৱে, কাৰণ মানুহে শক্তি (energy) নো কি পদাৰ্থ, তাৰ ভু নাপায়। বেদান্তই সেই বাবে আমাক সতৰ্ক কৰি কৈছে:

স্বভাবমেকে কবয়ো বদন্তি।
কালং তথান্যে পৰিমুহ্যমানাঃ॥
দেবস্যৈষ মহিমা তু লোকে।
যেনেদং ভ্ৰাম্যতে ব্ৰহ্ম চক্ৰম্॥ [শ্বেত—৬।১]

অৰ্থাৎ জ্ঞানী মানুহে কয় যে এই সৃষ্টি স্বভাৱৰ কাৰ্য্য। নজনা মানুহে কয় যে কাল (Time) হে জগতৰ কাৰণ। কিন্তু আচলতে ই সেইজন দেৱতাৰ মহিমা, যি জনে এই জগৎ-যন্ত্ৰটি ঘূৰাই আছে।

আমি উপনিষদৰ এই কথাটো অৱজ্ঞা কৰি আৰু "ঈশ্বৰৰ ইচ্ছাৰ" ঠাইত "স্বভাব" শব্দটো ব্যৱহাৰ কৰি কৰি এনে অভ্যস্ত হৈছো যে এতিয়া যেন বহুতৰ মানত ঈশ্বৰ নাইযেই। আমি পাহৰি গৈছো যে শক্তিমান নহলে শক্তি থাকিব নোৱাৰে।

বাস্তবিক স্বভাব নো কি? সাংখ্যৰ প্ৰকৃতি নো কি? ঈশ্বৰৰ ইচ্ছা মাত্ৰ।

ইচ্ছা মাত্ৰ প্ৰভোঃ সৃষ্টিঃ।

[মাণ্ডুক্য ১৷৮]

ভাৱ আৰু শক্তি

সাংখ্য দৰ্শন (বিশেষতঃ সাংখ্য দৰ্শনৰ জন্মান্তৰবাদ) বুজিবলৈ হলে সদায় মনত ৰাখিব লাগিব যে ভাব আৰু শক্তিৰ একো প্ৰভেদ নাই। আমি ইয়াত দেখুৱাম যে আমাৰ জীৱত্ব মানেই ভাবৰ সমষ্টি (যাক তলত লিঙ্গ শৰীৰ বোলা হৈছে); ভাৱেই আমাক ঘূৰাই লৈ ফুৰাইছে; ভাবৰ দ্বাৰা আমাৰ সকলো বিষয়-জ্ঞান হৈছে, ভাবৰ পৰা মুক্ত হব পাৰিলেই আমাৰ মোক্ষ হয়, ভাৱেই আমাৰ চৰিত্ৰৰ নিৰ্ণয় কৰে, ভাৱেই আমাক পুনৰ্জ্জন্ম গ্ৰহণ কৰোৱায়। ভাৱৰ বিষয়ে আমাৰ গীতাৰ ২য় সংস্কৰণৰ পাতনিত কোৱা কথা-বোৰ আমি ইয়াত তুলি দিলোঁ :—

"সাংখ্যই কৈছে যে ভাব আৰু শক্তি অন্যোন্যাশ্ৰয়ী; ভাবৰ পৰা শক্তি হয় আৰু শক্তিৰ পৰা ভাব হয়।

শক্তেঃ ক্ৰিয়া ততো বোধঃ পুনৰ্ব্বোধস্য শক্তিতা।

এতাবন্মাত্ৰলাভাচ্চ দৃশ্যে দৃশ্যং তদাত্মকম্॥

এইবোৰ কথাও বিজ্ঞান সম্মত। (Jeans—Physics and Philosophy P. 41)। বিজ্ঞানৰ ভিতৰত নোসো-মালেও আমি সহজ যুক্তিৰেই বুজিব পাৰো যে জগতত যেতিয়া শক্তিৰ বাহিৰে একো নাই, ৰূপ-ৰস, গন্ধাদি আৰু সুখ-দুখ আদি ভাববোৰ শক্তিৰ ক্ৰিয়াৰ দ্বাৰা উৎপন্ন নহলে

আৰু আন কোনো ৰকমে হ'ব নোৱাৰে। ইয়াৰ বাহিৰেও আজিকালি বিজ্ঞানে পৰীক্ষাৰে প্ৰমাণ কৰিছে যে আমি শব্দ অবলম্বন কৰি হে চিন্তা কৰোঁ। বিজ্ঞানৰ ভিতৰলৈ নগলেও আমি এনেয়ে বুজিব পাৰোঁ যে যেতিয়া ওঁঠ নলৰোৱাকৈ কোনো মন্ত্ৰ জপ কৰোঁ, (উপাংশু জপ) তেতিয়া আমি ভাব আৰু শব্দৰ কোনো প্ৰভেদ লক্ষ্য নকৰোঁ। এই বিষয়ে সন্তদাস বাবাজীয়ে শাস্ত্ৰীয় প্ৰমাণ দি এইদৰে কৈছে :—

"বাস্তবিক তত্ত্ববিৎ পণ্ডিতগণ অবধারণ করিয়াছেন যে শব্দ-শক্তি গ্রহণ না করিয়া কোন চিন্তাই করা যায়না। কিন্তু ঐ শব্দ প্রকাশিত নাদ নহে। অতএব সাধারণ নাদ হইতে শব্দমাত্র যে অতি সূক্ষ্ম তাহা এই রূপে কথঞ্চিৎ বুঝিতে পারা যায়।……"

—[ব্রহ্মবাদী ঋষি ও ব্রহ্মবিদ্যা, ২য় সংস্করণ ২০১ পৃ]

যোগ শাস্ত্ৰত এই সূক্ষ্ম শব্দক "অনাহত ধ্বনি" বোলে। ই আচলতে ভাব হে। এইবোৰ কথা বুজিলে আমি সহজে বুজিম যে ভাববোৰ নিচেই সূক্ষ্ম শক্তি। এই সূক্ষ্ম শক্তি স্থূল হৈ প্ৰথমতে শব্দ, তাৰ পাছত তাপ (heat) তাপৰ পৰা পোহৰ (light), তাৰ পাছত বিদ্যুৎ (electricity) হয়। শক্তিৰ এই বৈজ্ঞানিক প্ৰসিদ্ধ বিভাগটি মনত ৰাখিলেই আমি বুজিম যে ভাব আৰু শক্তি মূলতঃ একে। এটা সূক্ষ্ম শক্তি আৰু ইটো স্থূল শক্তি।

"আমি আৰু বুজিব লাগিব যে শক্তি একো বাহুৰ

পদাৰ্থ (material object) নহয়, যাৰ স্থূল বা সূক্ষ্ম অংশ এটা হ'ব পাৰে। ইয়াৰ দিগ্‌ব্যাপ্তি (Space dimension) নাই। ইয়াৰ মাত্ৰ কাল-ব্যাপ্তি (time dimension বা periodicity) হে আছে। (আমাৰ সাংখ্য দৰ্শন ৩১ পৃ চাওক) শক্তিৰ ক্ৰিয়াৰ এই কাল-ব্যাপ্তিক বিজ্ঞানে period বা wave length বোলে। এই কাল-ব্যাপ্তিৰ পৰা হে শক্তিৰ সূক্ষ্মতা বা স্থূলতা নিৰ্ণয় কৰা হয়। ইয়াৰ পৰাও বুজিব পাৰি যে ভাব আৰু শক্তি একে পদাৰ্থ।

"বেদান্ত মতেও এই জগৎখনৰ মূলত তেজঃ-শক্তি [ছাঃ উপনিষৎ শ্বেত কেতুৰ উপাখ্যান চাওক] এইটো কথা বিজ্ঞানে জানে। বিজ্ঞানেও কয় যে এই জগতত শক্তিৰ বাহিৰে একো নাই। কিন্তু বিজ্ঞানে ঢুকি নোপোৱা এটা কথা বেদান্তই কয়। বেদান্তই কয় যে শক্তিৰ ৰূপ দুটি—সূক্ষ্ম (অপঞ্চী কৃত) আৰু স্থূল (পঞ্চীকৃত)। সূক্ষ্ম শক্তিৰে অন্তঃকৰণ আৰু স্থূল শক্তিৰে বহির্জগতৰ সকলো পদাৰ্থ হৈছে [আমাৰ বেদান্ত দৰ্শন ২৫৬ পৃ] এইদৰে চালে ভাব আৰু শক্তিৰ মূলত একো প্ৰভেদ নাই। শক্তিৰ পৰা ভাব আৰু ভাবৰ পৰা শক্তি হয়। বেদান্ত, সাংখ্য বিজ্ঞান—একো নহলেও, এনেয়ে হ'লেও, আমি সদায় প্ৰত্যক্ষ দেখি আছো যে বাহিৰৰ শক্তি আহি আমাৰ ইন্দ্ৰিয়ত লাগিলেই আমাৰ প্ৰথমতে এটা অনুভূতি হয় আৰু সেয়ে আকৌ ভাব হৈ মনত থাকি যায়—যেনে, জাৰকালি সূৰ্য্যৰ শক্তি (তাপ)

পিঠিত পৰিলে আমি সুখ পাওঁ। আকৌ, আমাৰ ভাব বাহিৰত প্ৰকাশ কৰিবলৈ হ'লেই, সি হয় বাক্য (শব্দ), নহয় তাপ, নহয় আকৃতি—এনে এটা শক্তি হয়। আমাৰ খং উঠিলে আমাৰ মাত শুনিলেই বা মুখৰ চেহেৰা দেখিলেই মানুহে বুজে।"

ভাব আৰু শক্তি যে মূলতঃ একে, এই কথাটো বুজিবলৈ আমাৰ কষ্ট হয় এই বাবে যে আমি সদায় ইহঁতৰ (ভাব আৰু শক্তিৰ) পাৰ্থক্য দেখি আহিছো। আমি জানো যে শুদা ভাবৰ পৰা আমি একো কাৰ্য্য কৰিব নোৱাৰো। আমি এটা কাম কৰিম বুলি ভাবিলেই কামটো কৰা নহয়। উপযুক্ত চেষ্টা কৰিব লাগিব, ক্ৰিয়া শক্তি প্ৰয়োগ কৰিব লাগিব, তেহে কামটো হব।

কিন্তু উপনিষদে সৰ্ব্বত্ৰ কৈ আহিছে যে মুক্ত পুৰুষে বা যোগীয়ে শুদা ভাবৰ দ্বাৰা আচৰিত আচৰিত কাম কৰিব পাৰে। তেওঁবিলাক অষ্টৈশ্বৰ্য্য সম্পন্ন পুৰুষ—যি ইচ্ছা তাকে বিণা চেষ্টাৰে কৰিব পাৰে। (আমাৰ সাংখ্য দৰ্শন ৭৯ পৃ বা ব্ৰহ্মসূত্ৰ ৪।৪ চাওক)।

আমি অৱশ্যে আশা কৰা নাই যে সকলো আধুনিক পাঠকে যোগ শাস্ত্ৰৰ এইবোৰ কথা বিশ্বাস কৰিব। কিন্তু তেওঁবিলাকক আমি সাগৰৰ Electric fish বোৰৰ কথা সোঁৱৰাই দিব পাৰোঁ। এই মাছবোৰে ইচ্ছা কৰিলেই নিজৰ মুখৰ পৰা বিদ্যুৎশক্তি উলিয়াই অতি দূৰত থকা সৰু সৰু

মাছবোৰ মাৰি খায়। এইটো এটা অতি ক্ষুদ্ৰ দৃষ্টান্ত, যাৰ দ্বাৰা আমি অনুমাণ কৰিব পাৰো। কেনেকৈ প্ৰাণীয়ে ভাবৰ পৰা শক্তি উৎপাদন কৰি কাম কৰিব পাৰে।

পাঠকসকলে বোধকৰো Electric fish দেখা নাই আৰু তাৰ এনে আচৰিত কাৰ্য্যৰ বিষয়েও শুনা নাই। কিন্তু আমাৰ দেশৰ ভিতৰতে, গাৰো পাহাৰত এখন সৰু পৰ্ব্বতীয়া নৈত বামি মাছৰ নিচিনা এবিধ সৰু Electric fish আছে। এইবোৰ মাছে ইচ্ছা কৰিলেই নিচেই ওচৰত থকা সৰু মাছ মাৰিব পাৰে।

"ভাবো হি ভব কাৰণম্"

আজিকালি সকলোৱে জানে যে Quantum Theoryৰ মতে এই জগতৰ মূল তত্ত্ব শক্তি (electron)। শক্তিৰ বাহিৰে ইয়াত আৰু একো নাই। কিন্তু সকলোৱে নেজানে যে আমাৰ দৰ্শন Quantum Theoryৰ বহুত ওপৰলৈ গৈছে। আমাৰ কয় যে এই জগতৰ মূল তত্ত্ব শক্তি নহয়। ভাৱহে। এই ভাৱেইহে জগতৰ মূল তত্ত্ব। ইয়াৰ পৰাই জগৎ আৰু জগতৰ সকলো পদাৰ্থৰ উৎপত্তি :

"ভাৱো হি ভব কাৰণম্।"

আহঁত গছ এজোপাৰ অতি সূক্ষ্ম, চকুৰে মনিব নোৱাৰা, গুটি এটাৰ ভিতৰত বৃহৎ আহঁত গছ এজোপা নিশ্চয় ভাবৰূপে আছে। সেই গুটিটি পচালেই সেই ভাৱময় গছজোপা ক্ৰমে ব্যক্ত হৈ আকৃতি, ৰূপ-ৰস আদি প্ৰকাশ কৰে। এই সকলোবোৰ সেই ক্ষুদ্ৰ গুটিটোতে নিশ্চয় ভাবৰূপে আছিল (নহলে আমগুটি পচালেও আহঁত গছ হব পাৰিলেহেঁতেন।) তাত নথকা কোনো পদাৰ্থ প্ৰকাশ হোৱা নাই। গছ জোপাৰ আয়ু-কালো সেই গুটিতে নিশ্চয় ভাব ৰূপে আছিল।

এই এজোপা গছৰ ইতিহাসেই জগতৰ প্ৰত্যেক জোপা গছৰ আৰু প্ৰত্যেক বস্তুৰ ইতিহাস। প্ৰত্যেক বস্তুৰ যি ইতিহাস, সেইবোৰ গোটালেই বিশ্ব ব্ৰহ্মাণ্ডৰ ইতিহাস।

সাংখ্যই কৈছে, এই বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তু, সকলো প্ৰাণী, সৃষ্টিৰ আগত একত্ৰে ভাব ৰূপে (অৰ্থাৎ লিঙ্গ শৰীৰ ৰূপে) মহত্তত্বত থাকে। এয়ে জগতৰ বীজ। বিজ্ঞানে এই মূল কথাটো ঢৌ-গণিতৰ (wave mechanics) যুক্তিৰে সমৰ্থন কৰে বুলি আমি আন ঠাইত দেখুৱাই আহিছো।

['বিজ্ঞানৰ সিপাৰে,' ৩৫ পৃ আৰু ৪০—৪২ পৃষ্ঠা]

প্ৰকৃতিয়ে এবাৰ এই জগদ্বীজ প্ৰকাশ কৰে—সেয়ে সংসাৰ। আকৌ এবাৰ জগদ্বীজক মহত্তত্বত সুমায় থয়—সেয়ে প্ৰলয়।

গীতাত ঠিক এই দৰেই কয়—যথা :—

অব্যক্তাদ ব্যক্তয়ঃ সৰ্ব্বাঃ প্ৰভবন্ত্যহৰাগমে।
ৰাত্ৰ্যাগমে প্ৰলীয়ন্তে তত্ৰৈবাব্যক্ত সংজ্ঞকে॥

[গীতা ৮।১৮]

মহত্তত্বৰ পৰিণাম হৈ অহঙ্কাৰ তত্ত্ব হয়। এই অহঙ্কাৰ তত্ত্বও সূক্ষ্ম ভাব-ময় পদাৰ্থ। ইয়াৰ পৰাই একালে অন্তঃ-কৰণ আৰু ইকালে বহিৰ্জ্জগতৰ উৎপত্তি। এইদৰেই জগতৰ মূলত সূক্ষ্ম শক্তি অৰ্থাৎ ভাব। (আমাৰ সাংখ্য দৰ্শনৰ পাতনি বা 'বিজ্ঞানৰ সিপাৰে ৪১-৪৩ পৃ চাওক)। সেই গুণেই স্বামী হৰিহৰানন্দ আৰণ্যই আমাক সতৰ্ক কৰি কৈছে :—

“দৰ্শন শাস্ত্ৰ যাহাৰা ধাৰণা কৰিতে চান, তাহাঁদেৰ পদে পদে স্মৰণ ৰাখা কৰ্ত্তব্য যে এই অনন্ত বিস্তৃত জগৎ মূলতঃ বিস্তাৰহীন অন্তঃকৰণ দ্ৰব্য।” (সৰল সাংখ্য যোগ, ২২-২৩ পৃ)

এইবোৰ কথা বেদান্ত সম্মত। বেদান্তই অতি উচ্চস্বৰে কয় যে এই জগত সদায় ব্ৰহ্মৰ জ্ঞানত প্ৰতিষ্ঠিত। তেওঁৰ জ্ঞানত যি নাই, তেনে কোনো বস্তু বা ঘটনা জগতত প্ৰকাশ হব নোৱাৰে। এই সমস্ত জগৎ তেওঁৰ সংকল্পৰ পৰা ব্যক্ত হৈছে। (সংকল্পও এবিধ ভাব) এই সংকল্পই জগতৰ বীজ।

[আমাৰ গীতাৰ পাতনি (১২) চাওক]

এইদৰেই আমাৰ সকলে শাস্ত্ৰই কৈছে যে এই জগতৰ মূল কাৰণ, ভাব হে, শক্তি নহয়। ভাব সূক্ষ্ম হৈ, শক্তি হৈ, প্ৰকাশ হবলৈ হলেই প্ৰথমতে আকৃতি, তাৰ পাছত ৰূপ, ৰস, গন্ধ, স্পৰ্শাদি হয়। যেনে, (ওপৰত কোৱা হৈছে) আমাৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ গলেই সি প্ৰথমতে আমাৰ মুখৰ চেহেৰাত আৰু পাছত বাক্যত প্ৰকাশ হয়। তাৰ পাছত তাপ (heat) হৈ বাহিৰৰ স্থূল শক্তিৰ লগত মিলি যায়।

আমি বুজিলোঁ, গছজোপাৰ বীজ, গুটিটো; জগতৰ বীজ, ‘ভাবৰ সমষ্টি’ মহত্তত্ব। এতিয়া তেন্তে আমাৰ নিজৰ দেহৰ বীজটো কি?

এয়ে জগতৰ “অস্তি-প্ৰশ্ন”। এই অস্তি-প্ৰশ্নৰ উত্তৰত সাংখ্যই কৈছে যে জীৱৰ জীৱত্বৰ বীজটি ভাব-ময় “*লিঙ্গ-শৰীৰ*” বা “*সংস্কাৰ*”। ইয়াকে বুদ্ধি বা বুদ্ধিৰ ৰূপো বোলে। এই লিঙ্গ-শৰীৰৰ বিষয়ে ইয়াৰ পাছৰ অধ্যায়ত কোৱা হব। গছৰ গুটিটোত যেনেকৈ গোটেই গছজোপাৰ ইতিহাস ভাব-ৰূপে আছিল, আমাৰ লিঙ্গ-দেহ বা সংস্কাৰটোতো সেইদৰেই আমাৰ জীৱনৰ প্ৰত্যেক ঘটনা, আমাৰ স্বভাব-চৰিত্ৰ, আমাৰ ভোগ, আমাৰ আয়ুস্—ইত্যাদি সকলো কথা যেন ভাব-ৰূপে আছিল। এইবোৰ কথা তলত শাস্ত্ৰীয় যুক্তিৰে কোৱা হব। আৰু কোৱা হব যে এই সংস্কাৰ ধ্বংস নহয় মানে আমি জন্মান্তৰ গ্ৰহণ কৰি থাকিব লাগিব। ই ধ্বংস হলেই আমাৰ জীৱত্ব লোপ পায়। পাঠকসকলে আৰু এটা কথা মনত ৰাখিব যে আমাৰ দৰ্শন মতে জগতৰ প্ৰত্যেক স্থাৱৰ জঙ্গম প্ৰাণীৰ লিঙ্গদেহ এটা আছে। যথা—

যাবৎ সঞ্জায়তে কিঞ্চিৎ সত্ত্বং স্থাবৰজঙ্গমম্।
ক্ষেত্ৰক্ষেত্ৰজ্ঞসংযোগাৎ তদ্বিদ্ধি ভৰতৰ্ষভ॥

[গীতা ১৩। ২৭]

সংস্কাৰ বা লিঙ্গ-শৰীৰ

অদ্বৈত বেদান্ত মতে এই জগতত ব্ৰহ্মৰ বাহিৰে আৰু একো নাই। জীৱ পূৰ্ণ ব্ৰহ্ম। "জীৱো ব্ৰহ্মৈৱ না পৰঃ।" ব্ৰহ্মই বহু হওঁ বুলি সংকল্প কৰি, নিজ শক্তিৰে, বা নিজ মায়াৰে, বা নিজ প্ৰকৃতিত অধিষ্ঠান কৰি, বহু জীৱ হৈ এই সংসাৰত লীলা কৰিছে। জীৱ অজ্ঞান। জীৱই নুবুজে যে সি ব্ৰহ্ম। অজ্ঞান আঁতৰিলেই জীৱ ব্ৰহ্ম হব।

বেদান্তই কথাটো ক'লে হয়, কিন্তু অজ্ঞানটো জীৱই কেনেকৈ আঁতৰাব পাৰে, তাৰ উপায়টো সহজে বুজিব পৰাকৈ নকলে। সেই উপায়টো পাতঞ্জলে দিছে। সেইগুণে সাংখ্যই বেদান্তৰ কথাটোকে বেদান্তৰ ভাষাৰে নকৈ, অলপ লৰ-চৰ কৰি কলে, যাতে পাতঞ্জলোক্ত যোগ অভ্যাস কৰিবলৈ মানুহে অলপ সহজ পায়।

সাংখ্যই কলে যে অব্যক্ত পুমান্ (ব্ৰহ্ম) আৰু পুৰুষ (জীৱ) একে। ব্ৰহ্ম আৰু জীৱৰ একো প্ৰভেদ নাই। পুমান্ (ব্ৰহ্ম) সৰ্ব্বশক্তিমান আৰু সৰ্ব্বজ্ঞ। অব্যক্ত অৱস্থাত ব্ৰহ্মৰ চিৎ শক্তি [Consciousness] আৰু ব্ৰহ্মৰ শক্তি [প্ৰকৃতি বা Cosmic energy] পৃথক্ পদাৰ্থ নহয়। এনে অব্যক্ত অৱস্থাৰ পৰা জগত ব্যক্ত হবলৈ

হ'লে দ্ৰষ্টা আৰু দৃশ্য—দুটা কথা থাকিব লাগিব। শক্তিৰ ক্ৰিয়া হ'ব লাগিব। পৰিণাম হ'ব লাগিব। এইবোৰ বুজিবলৈ হলেই ব্ৰহ্মৰ চিৎ শক্তি [Consciousness] আৰু ব্ৰহ্মৰ শক্তি [প্ৰকৃতি] দুটা বেলেগ তত্ত্ব বুলি ধৰি আলোচনা কৰিব লাগিব। সাংখ্যই সেইগুণে কৈছে যে অব্যক্ত প্ৰকৃতি ব্যক্ত হৈ জগৎ ৰচনা কৰিছে। আৰু অব্যক্ত পুমান্ ব্যক্ত হৈ বহু পুৰুষ [ভোক্তা] হৈ সেই সৃষ্টি ভোগ কৰিছে [আমাৰ সাংখ্য দৰ্শন ৩৬ পৃ, ৬৩ পৃ] বহিৰ্জ্জগৎ আৰু অন্তৰ্জ্জগৎ—উভয়েই প্ৰকৃতিৰ সৃষ্টি। এইবোৰ দৃশ্য পদাৰ্থ। আমাৰ শৰীৰ আৰু অন্তঃকৰণ প্ৰকৃতি নিৰ্ম্মাণ দৃশ্য পদাৰ্থ। পুৰুষ কেৱল তাৰ দ্ৰষ্টা ভোক্তা বা জ্ঞাতা মাত্ৰ।

গীতাই ঠিক এইদৰেই কয়। গীতাই কয় যে ব্ৰহ্মৰ দুটি শক্তি :— চিৎ শক্তি (consciousness) আৰু জড় শক্তি (cosmic energy)। এই দুটি শক্তিক গীতাই "পৰা-প্ৰকৃতি" আৰু "অপৰা-প্ৰকৃতি" বুলিছে। অপৰা প্ৰকৃতিৰে জগৎ ৰচনা কৰি ব্ৰহ্মই নিজে তেওঁৰ পৰা প্ৰকৃতিৰে বহু পুৰুষ হৈ, সেই জগৎ নিজে বহু ৰকমে ভোগ কৰিছে। [গীতা ১৩শ অধ্যায়]। ভোক্তা বা দ্ৰষ্টা পুৰুষ 'ক্ষেত্ৰজ্ঞ'। আৰু দৃশ্য বা ভোগ্য শৰীৰটি (অন্তঃকৰণ আৰু স্থুল দেহটি) "ক্ষেত্ৰ"—যি ক্ষেত্ৰত জড় শক্তিৰ ক্ৰিয়াৰ বাহিৰে আৰু একো নাই।

তেন্তে জীৱ আৰু ব্ৰহ্মৰ প্ৰভেদ জানিবলৈ হ'লে, এই শৰীৰতে বিচাৰিব লাগিব। মোটামুটিকৈ আমি কব পাৰোঁ যে শৰীৰী ব্ৰহ্মই জীৱ, আৰু অশৰীৰী জীৱই ব্ৰহ্ম।

তেন্তে শৰীৰ নাশ হলেই আমি ব্ৰহ্ম হ'ম নে কি? সাংখ্যই কয়, নিশ্চয় হ'ম; কিন্তু এই স্থূল শৰীৰেই আমাৰ অকল শৰীৰ নহয়; ইয়াৰ বাহিৰেও আৰু শৰীৰ আছে। যথা :—

> সূক্ষ্মা মাতৃ পিতৃজাঃ সহ প্ৰভুতৈস্ত্ৰিধা বিশেষাঃ স্যুঃ।
> সূক্ষ্মাস্তেষাং নিয়তা মাতৃ পিতৃজা নিবৰ্ত্তন্তে॥
>
> [৩৯ কাৰিকা]

অৰ্থাৎ স্থূল শৰীৰ আৰু ভ্ৰূণ শৰীৰ অনিত্য। মৃত্যু হলেই ই ধ্বংস হয়। সূক্ষ্ম শৰীৰ নিত্য। ই জন্মান্তৰ গ্ৰহণ কৰে বুলি সাংখ্য, বেদান্ত, পুৰাণ, সকলোৱে কয়। ই নাশ হলেহে জীৱত্ব নাশ হব।

তেন্তে এই সূক্ষ্ম শৰীৰটো কি?

বেদান্তই কয় :—

> বুদ্ধি কৰ্ম্মেন্দ্ৰিয় প্ৰাণ পঞ্চৈৰ্ম্মনসা ধিয়া।
> শৰীৰং সপ্তদশভিঃ সূক্ষ্মং তল্লিঙ্গমুচ্যতে॥
>
> [পঞ্চদশী]

অৰ্থাৎ বুদ্ধি, মন, ১০ ইন্দ্ৰিয় আৰু পঞ্চ প্ৰাণ—এই ১৭ টা তত্ত্বৰে সূক্ষ্ম দেহ নিৰ্ম্মিত আৰু সেই সূক্ষ্ম দেহকে মানুহে লিঙ্গ দেহো বোলে।

সাংখ্যই কিন্তু এইদৰে নকয়। সাংখ্য মতে সূক্ষ্ম-দেহ আৰু লিঙ্গ-দেহ বেলেগ। কিন্তু সাংখ্যই আকৌ কৈছে যে লিঙ্গ-দেহৰো ওপৰত কোৱা ১৭ টাই উপাদান। যথা :—

সপ্তদশৈকং লিঙ্গম্।

[সাংখ্য সূত্ৰ ৩। ৯]

তেন্তে, একে উপাদানেৰে গঠিত এই দুটা শৰীৰ একে নহল কিয়? কিয় বেদান্ত আৰু সাংখ্যৰ এনে মত-বিৰোধ হল?

এই প্ৰশ্নৰ উত্তৰ দিব পাৰিলেহে সাংখ্যৰ জন্মান্তৰ ৰহস্যটি পৰিষ্কাৰ হয়। সাংখ্যই কয় যে লিঙ্গ দেহটি শুদা সূক্ষ্ম শক্তি (ভাব); নিৰুপভোগ আৰু "অবিশেষ"। ইয়াৰ দ্বাৰা কোনো ভোগ নিষ্পন্ন নহয়। ই জীৱৰ সকলো ইন্দ্ৰিয় শক্তিৰ বীজ—ভাবৰূপে (সূক্ষ্ম শক্তি ৰূপে) সকলো ইয়াতে আছে। সকলো ৰকম সূক্ষ্মদেহ এই লিঙ্গ দেহস্থ শক্তিয়েহে নিৰ্ম্মান কৰে। ই নহলে কোনো সূক্ষ্মদেহ নিৰ্ম্মিত হব নোৱাৰে।

এই লিঙ্গ শৰীৰ ধৰ্ম্ম, অধৰ্ম্ম, জ্ঞান, অজ্ঞান, ঐশ্বৰ্য্য, অনৈশ্বৰ্য্য, বৈৰাগ্য আৰু অবৈৰাগ্য—এই ৮ ৰকমৰ ভাবৰ সংমিশ্ৰনত উৎপন্ন হৈছে। এই লিঙ্গ শৰীৰে অকলে কোনো ভোগ কৰিব নোৱাৰে। মুগা পলুৱে যেনেকৈ নিজৰ দেহ নিৰ্ম্মান কৰি লেটা বান্ধিব পাৰে লিঙ্গ দেহেও সেইদৰেই

নিজে নিজৰ নিমিত্তে এটি "বিশেষ" * ভোগায়তন সূক্ষ্ম শৰীৰ নিৰ্ম্মান কৰি লৈহে অভিব্যক্ত হব পাৰে। সূক্ষ্মদেহ যেন লিঙ্গ দেহৰ আৱৰণ মাত্ৰ।

সৃষ্টিৰ আগত যেতিয়া পঞ্চ মহাভূত নাছিল, তেতিয়া লিঙ্গ শৰীৰ প্ৰকৃতি-লীন অৱস্থাত মহত্তত্ত্বত ভাব ৰূপে আছিল

"বিশেষ"-"অবিশেষ তত্ত্বটি নুবুজিলে সাংখ্যৰ সৃষ্টি তত্ত্বটি বুজা নহয়। (কথাৰে উপনিশৎ—৩৭-৩৯ পৃ বা সাংখ্য দৰ্শনৰ ৩৪ শ্লোকিকাৰ আমাৰ ব্যাখ্যা চাওক)। সাংখ্য মতে জগতৰ মূলত শুদা অবিশেষ শক্তি মাত্ৰ। আশ্ৰয় ভেদে এই 'অবিশেষ' শক্তিৰ পৰাই জগতৰ সকলো গন্ধ, ৰস, ৰূপ, স্পৰ্শ, শব্দ ব্যক্ত হৈছে (১৬ কাৰিকা)।

যেনে, সূৰ্য্যৰ বগা পোহৰ এটি শুদা শক্তিৰ স্পন্দন মাত্ৰ। ইয়াৰ একো বিশেষ ৰং নাই। ই অবিশেষ ৰং। কিন্তু নিয়ৰৰ পানীত বা Prism এটাত পৰিলে ইয়াৰ পৰা ৰঙা নীলা আদি সকলো ৰং ওলায়। এই বোৰ "বিশেষ" ৰং। সেই দৰেই লিঙ্গ শৰীৰ শুদা সূক্ষ্ম শক্তি (ভাব) মাত্ৰ। ই "অবিশেষ" শৰীৰ কিন্তু আশ্ৰয় ভেদে ইয়াৰ পৰাই ১৪ ৰকমৰ অসংখ্য সূক্ষ্ম বিশেষ শৰীৰ ওলায়, যেনে দৈৱ পৈশাচ ইত্যাদি। (তলত এই ১৪ বিধ সূক্ষ্ম শৰীৰৰ কথা কোৱা হব)। ইহঁতৰ প্ৰত্যেকৰ আকৃতি, কাৰ্য্য সকলো বেলেগ বেলেগ। কিন্তু ইহঁতৰ মূলত সেই একে "অবিশেষ" লিঙ্গ শৰীৰটি। অৰ্থাৎ যি সূক্ষ্ম শক্তিৰ (অৰ্থাৎ ভাবৰ) পৰা সংসাৰৰ অসংখ্য সূক্ষ্ম শৰীৰ ওলাইছে সেয়ে লিঙ্গ শৰীৰ।

(গৌড়পাদ—৪০ কাৰিকা) কাৰণ, পঞ্চ মহাভূতৰ সূক্ষ্ম অংশ [পঞ্চ তন্মাত্র] নহলে লিঙ্গ দেহে নিজৰ সূক্ষ্ম দেহ নিৰ্মাণ কৰি লৈ ব্যক্ত হ'ব নোৱাৰে, যথা :—

চিত্রং যথাশ্রয়মৃতে স্থাণ্বাদিভ্যো বিনা যথা ছায়া।
তদ্বদ্বিনা বিশেষৈর্ন তিষ্ঠতি নিৰাশ্ৰয়ং লিঙ্গম্॥

[৪১ কাৰিকা]

অর্থাৎ, ছবি এটা মানুহে শূন্যত আঁকিব নোৱাৰে। সকলো ৰং হাতত থাকিলেও এখন পট নহলে মানুহে ছবি আঁকিব নোৱাৰে। সেইদৰেও আকৌ এটা আধাৰ হলেহে এটা ছাঁ পৰিব পাৰে। শূন্যত ছাঁ নপৰে। শক্তিৰ ক্রিয়া হবলৈ হলেই এটা স্থূল দ্রব্যৰ প্রয়োজন। দ্রব্যৰ ওপৰত হে শক্তিৰ ক্রিয়া হয়। সেইগুণে ভৌতিক এটা শৰীৰ নহলে [ভোগায়তন সূক্ষ্ম শৰীৰ নহলে] লিঙ্গ শৰীৰ ব্যক্ত হ'ব নোৱাৰে।

ওপৰত কোৱা হল যে লিঙ্গ শৰীৰৰ ভোগ কৰিবৰ সামৰ্থ্য নাই—কিন্তু ইচ্ছা আছে। এই ইচ্ছা অনুসৰি সি নিজে নিজৰ সূক্ষ্ম শৰীৰৰ নিৰ্ম্মাণ কৰি লয়। সূক্ষ্ম শৰীৰে স্বৰ্গত বা নৰকত ভোগ কৰিব পাৰে কিন্তু পৃথিৱীত স্থূল বস্তু ভোগ কৰিব নোৱাৰে। সেইগুণে পৃথিৱীৰ জীৱৰ সূক্ষ্ম শৰীৰৰ বাহিৰেও আৰু এটি স্থূল শৰীৰ থাকিব লাগে।

সাংখ্যই প্ৰথমতে কৈছে যে এই লিঙ্গ শৰীৰৰ হে জন্মান্তৰ হয়, যথা :—

পূৰ্ব্বোৎপন্নমসক্তং নিয়তং মহদাদি সূক্ষ্মপৰ্য্যন্তম্।
সংসৰতি নিৰুপভোগং ভাবৈৰধিবাসিতং লিঙ্গম্ ॥
[৪০ কাৰিকা]

অৰ্থাৎ—মহদাদি সূক্ষ্ম পৰ্য্যন্তম্ (মহত্তত্ত্বৰ পৰা আৰম্ভ কৰি, সূক্ষ্ম অন্তঃকৰণ জাতীয় পদাৰ্থেৰে নিৰ্ম্মিত) পূৰ্ব্বোৎপন্নং (সূক্ষ্ম শৰীৰৰ আগেয়েই উৎপন্ন হোৱা) অসক্তং (কোনো এটা শৰীৰতে আবদ্ধ নোহোৱা অৰ্থাৎ সকলো ৰকমৰ শৰীৰ ধাৰণ কৰিব পৰা) নিৰুপভোগং (ভোগ শক্তি হীন) নিয়তং (অবিনাশী) ভাবৈৰধিবাসিতং (ভাব ময়) লিঙ্গং (লিঙ্গ শৰীৰে) সংসৰতি (পুনঃ পুনঃ জন্ম গ্ৰহণ কৰে)।

এই লিঙ্গ দেহৰ (বা লিঙ্গ দেহস্থ ভাববোৰৰ) পৰা পৃথক হব পাৰিলেই, পুৰুষে নিজ স্বৰূপ লাভ কৰে, জীৱত্ব লোপ হয়, নিৰ্ব্বান মুক্তি হয়।

শ্ৰীশঙ্কৰদেৱে কয়

ভকতিয়ে পুৰুষৰ
লিঙ্গদেহ ভঙ্গ কৰে।
অনায়াসে মুকুতিক পায়।

নিম্ন স্তৰত মানুহে এই লিঙ্গ দেহটোকে আত্মা বুলি ভাবে (আমাৰ গীতা ২৯২ পৃ চাওক)। আত্মজ্ঞান হলে মানুহে বুজে যে ই আত্মা নহয়। ই জড় শৰীৰৰ দৰেই পুৰুষৰ এটি শৰীৰ—অচেতন পদাৰ্থ। চিৎশক্তিৰ (পুৰুষৰ) সংযোগত ই চেতন যেন হয়। যথা—

চৈতন্যং যদাধিষ্ঠানং লিঙ্গদেহশ্চ যঃ পুনঃ।
চিচ্ছায়া লিঙ্গদেহস্থা তৎ সঙ্ঘো জীব উচ্যতে ॥
[পঞ্চদশী ৪।১১]

অর্থাৎ চৈতন্য, (চিৎ শক্তি বা দৃক্ শক্তি বা পুৰুষ) আৰু চেতনবৎ, কিন্তু অচেতন, লিঙ্গ শৰীৰ—এই দুটা গোটালেহে এটা জীৱ।

তেন্তে ওপৰত সাংখ্যই শুদা লিঙ্গ শৰীৰৰ হে পুনৰ্জ্জন্ম হয় বুলি ক'লে কিয়? পুৰুষৰ পুনৰ্জ্জন্ম নহয় নে কি?

সাংখ্যই কয়, পুৰুষ অব্যক্ত, ব্ৰহ্ম, সৰ্ব্বব্যাপী, সকলো ঠাইতে সদায় সমানে আছে। এনে পুৰুষৰ গতি বা অ-গতি এটা নাই। ই আকাশৰ দৰে অচল। কিন্তু লিঙ্গদেহ য'লৈকে যাওক, সি পুৰুষক এৰাব নোৱাৰে। যেনে, আকাশত উড়াই দিয়া চাবোনৰ ফেন (soap bubbles) আকাশ এৰি যাব নোৱাৰে। সেইগুণে জন্মান্তৰ গ্ৰহণ কাৰ্য্যটি পুৰুষৰ নহৈ লিঙ্গ দেহৰ বুলি ধৰিলে হে কথাটো বুজিবলৈ আৰু আত্মতত্ত্ব জানিবলৈ সহজ হব। বৌদ্ধ দৰ্শনেও কয় যে সংস্কাৰৰ হে পুনৰ্জ্জন্ম হয়। গীতায়ো তাকেই কয়। গীতাই ২য় অধ্যায়ত কলে যে আত্মাৰ জন্ম, মৃত্যু বা পুনৰ্জ্জন্ম নাই। ১৫শ অধ্যায়ত কলে যে জন্ম বা জন্মান্তৰৰ বাবে, বতাহে ফুলৰ গোন্ধ টানি অনাৰ দৰে, ঈশ্বৰে প্ৰকৃতি-নিৰ্ম্মান মন আৰু ইন্দ্ৰিয়ৰ আশ্ৰয় স্বৰূপ লিঙ্গ দেহটোক টানি আনে। (ঈশ্বৰ অচল হৈ থাকে) যথা :—

মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ।
মনঃ ষষ্ঠাণীন্দ্ৰিয়াণি প্ৰকৃতিস্থানি কৰ্ষতি ॥
শৰীৰং যদবাপ্নোতি যচ্চাপ্যুৎক্ৰামতীশ্বৰঃ।
গৃহীত্বৈতানি সংযাতি বায়ুৰ্গন্ধানিবাশ্ৰয়াৎ ॥
শ্ৰোত্ৰং চক্ষুঃ স্পৰ্শনং চ ৰসনং ঘ্ৰাণমেৱ চ।
অধিষ্ঠায় মনশ্চায়ং বিষয়ানুপসেৱতে ॥

[গীতা ১৫।৭--৯]

গীতাই এইদৰে নকৈ অইন ৰকমে কব নোৱাৰে। কাৰণ সাংখ্যৰ দৰেই গীতায়ো কয় যে পুৰুষ সৰ্ব্ব-গত, অচল, অকৰ, কুটস্থ আৰু পুৰুষৰ মৃত্যু বা পুনৰ্জ্জন্ম নাই।

নিত্যঃ সৰ্ব্বগতঃ স্থাণুৰচলোঽয়ং সনাতনঃ। ২।২৪

সাংখ্যই কয়—

তস্মান্নবধ্যতেঽদ্ধা ন মুচ্যতে নাপি সংসৰতি।
সংসৰতি বধ্যতে মুচ্যতে চ নানাশ্ৰয়া প্ৰকৃতিঃ ॥

[৬২ কাৰিকা]

(অদ্ধা—প্ৰকৃত পক্ষে)

অৰ্থাৎ প্ৰকৃত পক্ষে পুৰুষৰ বন্ধন, মোক্ষ বা পুনৰ্জ্জন্ম নাই। আচলতে প্ৰকৃতিৰ [লিঙ্গ শৰীৰৰ] হে বন্ধন, মুক্তি আৰু পুনৰ্জ্জন্ম হয়। সকলো জন্মতে, সকলো অৱস্থাতে যেনে পুৰুষ তেনে অচল, অব্যক্ত হৈ থাকে।

এই গুৰুতৰ কথাটো অইন ৰকমে বুজিবলৈ হ'লে এইদৰে ভাবিব পাৰি :—

এই জগতত চিৎশক্তিৰ বাহিৰে একো নাই।
"চিদস্তীহ চিন্মাত্রমিদং চিন্ময়মেবচ।"

পুৰুষ বা ব্ৰহ্ম জগৎ-ব্যাপী চিৎশক্তি। লিঙ্গ শৰীৰ যেন এটা গছৰ গুটি। ই য'তে উড়ি গৈ পৰে ত'তে চিৎশক্তি যুক্ত হৈ অৰ্থাৎ জীৱ হৈ উপজিব। যেনেকৈ গছৰ গুটি মাটিত য'তে পৰে ত'তে গজে। সেইগুণে জীৱৰ জন্মান্তৰটো যেন লিঙ্গ শৰীৰক এঠাইৰ পৰা উড়াই নি আন এঠাইত পেলোৱা; বা এজোপা ফুল এঠাইৰ পৰা খানি আনি আন এঠাইত ৰোৱা। ইয়াত লিঙ্গ শৰীৰ নিজে উড়ি গল নে বতাহে উড়াই নিলে, বা ফুলজোপা ক-ই খানিলে নে খ-ই খানিলে,—এনেবোৰ প্ৰশ্ন আৱশ্যকীয় প্ৰশ্ন নহয়। লিঙ্গ শৰীৰ য'তে থাওক, য'লৈকে যাওক, সি চৈতন্যক এৰাব নোৱাৰে।

সাংখ্যই আৰু বৌদ্ধ দৰ্শনে কয় যে অচেতন শক্তিয়ে, চেতনৰ দৰে কাম কৰিব পাৰে—যেনে যন্ত্ৰই কৰে। [২৭ কাৰিকাৰ গৌড়পাদ ভাষ্য, আমাৰ সাংখ্য দৰ্শন ৮৮-৮৯ পৃ চাওক]

নিয়ম লগাই দি থলে, শক্তিয়ে কৰিব নোৱাৰা কাম নাই। এনে নিয়ম লগা (organised) শক্তিৰেই জগৎ চলিছে। এয়ে স্বভাৱ (nature)। ঈশ্বৰে এবাৰ যি নিয়ম লগাই দিলে, তেওঁ আৰু একো কৰিব নেলাগে। এই বাবেই সাংখ্যই কয় যে লিঙ্গ দেহৰ জন্মান্তৰ নৈসৰ্গিক নিয়মেৰে হয়—ই স্বাভাবিক কাৰ্য্য। লিঙ্গদেহে নিজৰ সূক্ষ্ম

শক্তিৰেই নিজে উড়ি আছে, স্থূলশক্তি (energy) যেনেকৈ যায় (Radiation or transmission of energy)। গীতাৰ মতে স্বভাৱ মানে ঈশ্বৰৰ ইচ্ছা; সেইগুণে গীতাই কয় যে ঈশ্বৰে লিঙ্গ দেহটো আকৰ্ষণ কৰি আনে। কিন্তু ইয়াত মূল কথাটো সকলোৱে স্বীকাৰ কৰিছে—জন্মান্তৰ পুৰুষৰ নহয়; লিঙ্গ শৰীৰৰ হে হয়।

আমি ওপৰত কৈ আহিছো যে লিঙ্গদেহে, নিজৰ ভাবেৰে নিজৰ আৱশ্যক মতে, নিজৰ সূক্ষ্ম আৰু স্থূলদেহ গঢ়ি লয়। পুৰুষৰ ইয়াত একো হাত নাই, একো কৰ্ত্তৃত্ব নাই, কাৰণ সাংখ্যৰ পুৰুষ নিষ্ক্ৰিয়, নিৰ্গুণ, অকৰ্ত্তা, উদাসীন দ্ৰষ্টা মাত্ৰ।

এই কথাটো—অৰ্থাৎ লিঙ্গদেহে যে নিজে নিজৰ শৰীৰ নিৰ্ম্মান কৰে—এই কথাটো বুজিবলৈ আমি প্ৰথমতে জীৱৰ স্থূল শৰীৰটো মাতৃ-গৰ্ভত কেনেকৈ নিৰ্ম্মিত হয়, তাক বুজি ললে সুবিধা হব।

আমি তলত ক'ম কেনেকৈ পিতৃ-বীৰ্য্যত ওলমি আহি এটি লিঙ্গ শৰীৰ মাতৃ-গৰ্ভত স্থিতি হয় হি। প্ৰথমতে এটি কোষ সৃষ্টি হ'ল (impregnated Ovum)। কোষটি তৎক্ষণাৎ দুভাগ হয়। প্ৰত্যেক ভাগ আকৌ দুভাগ হয়। এইদৰে প্ৰত্যেক ভাগ দুভাগ দুভাগ হৈ আঁচৰে অসংখ্য কোষৰ সৃষ্টি হয় আৰু হাত, ভৰি, মস্তিষ্ক ইত্যাদিৰে সৈতে এটি ভ্ৰূণ শৰীৰৰ উৎপত্তি হয়। এই কাৰ্য্যবোৰ কোনে কৰিলে?

ই মাতৃ গৰ্ভস্থ কোনো শক্তিৰ ক্ৰিয়া নহয়। এইটো এটা উপবিস্থ শক্তিৰ কাৰ্য্য। সাংখ্যই কয় যে এই উপবিস্থ সুক্ষ্ম শক্তিয়েই সেই ভাবময় লিঙ্গ শৰীৰ, যিটি আহি মাতৃ-গৰ্ভত স্থিতি হৈছিল হি। গছৰ গুটিত সমস্ত গছ জোপাৰ ইতিহাস যেনেকৈ ভাবৰূপে আছিল, সেইদৰেই মাতৃ-গৰ্ভস্থ জীৱৰ সমস্ত ভবিষ্যৎ জীৱনৰ ইতিহাস এই লিঙ্গ দেহতেই ভাবৰূপে আছিল। জীৱৰ ভৱিষ্যৎ জীৱনত যিবোৰ শাৰীৰিক আৰু মানসিক অসম্পূৰ্ণতা বা ইন্দ্ৰিয় বৈকল্য হৰ, সেই বোৰৰ মূল এই লিঙ্গ শৰীৰতেই আছিল। এইবোৰ কথা সাংখ্যই অতি বাহুল্য ভাবে আলোচনা কৰিছে। তেওঁ কৈছে যে সকলো ইন্দ্ৰিয়ৰ আৰু মনৰ বৈকল্যৰ বাবে লিঙ্গ শৰীৰৰ ভাববোৰ হে দায়ী। যথা—

একাদশেন্দ্ৰিয়বধাঃ সহ বুদ্ধিবধৈৰশক্তিৰুদ্দিষ্টা।
সপ্তদশবধা বুদ্ধেৰ্বিপৰ্য্যয়াত্তুষ্টিসিদ্ধীনাম্ ॥

[৪৯ কাৰিকা]

(আমাৰ সাংখ্য দৰ্শন ১৩৯ পৃ আৰু ১৩০ পৃ চাওক)

ইয়াৰ বাহিৰেও (আমি পাছে দেখুৱাম) পাতঞ্জলে আৰু কৈছে যে জীৱৰ ভৱিষ্যতৰ ভোগ আৰু আয়ুস ইত্যাদি সকলো ভাৱৰূপে এই লিঙ্গ দেহতে আছে। ক্ৰমে প্ৰকাশ হয়।

ওপৰত কোৱা হৈছে যে এই লিঙ্গ শৰীৰ ভাবৰ সমষ্টি মাত্ৰ। এই ভাববোৰ কি? এইবোৰ কিহৰ ভাব?

সেইবোৰ কথা আমি তলৰ অধ্যায়ত আলোচনা কৰিম। আমি দেখুৱাম যে এই ভাৱবোৰেই আকৌ আমাৰ চৰিত্ৰ বা স্বভাৱো নিৰ্ণয় কৰে।

[এই খিনিতে আমি পাঠকসকলক এটা কথা কৈ থব খোজো। আমি ওপৰত কলোঁ যে লিঙ্গ-শৰীৰ, সংস্কাৰ, বুদ্ধি, বুদ্ধিৰ ৰূপ—এই সকলোবোৰ একে অৰ্থৰ শব্দ। বৰ্ত্তমান আলোচনাত এই দৰে ধৰিলে একো ভুল নহয়; কথাবোৰ বুজিবলৈকো সহজ হয়। কিন্তু প্ৰকৃত পক্ষে বুদ্ধি আৰু লিঙ্গ শৰীৰ ঠিক একে নহয়। এই কথাটো ইয়াৰ পাছত হে দেখুৱাব পৰা হব।]

ভ্ৰান্তি-বীজ বা মায়া

পৰম ব্ৰহ্ম পুৰুষে (জীৱই) যেন সংসাৰ ভোগ কৰিবলৈ, নিজৰ মায়াৰে নিজে মোহিত হৈ, লিঙ্গ দেহত সোমাল। * এইটো ঘটনাকে সাংখ্যই "পুৰুষ-প্ৰকৃতিৰ-সংযোগ" বোলে। আমি যেনেকৈ আমাৰ স্থূল শৰীৰকে "মই" বা " মোৰ শৰীৰ" বুলি ভাবো, পুৰুষেও সেইদৰেই সেই লিঙ্গ শৰীৰকে তেওঁৰ বুলি ভাবিলে। তাতে তেওঁৰ আত্ম-ভ্ৰম হ'ল। এই দৰেই তেওঁৰ মনত এটা 'অহং জ্ঞান' হ'ল। এয়ে পুৰুষ-প্ৰকৃতি সংযোগৰ প্ৰথম ফল—যাক বেদান্তই মায়া বোলে।

"ভ্ৰান্তি বীজং তৎ সংযোগস্তৎ সন্নিধানম্ ।"

[বাচস্পতি]

এই ভ্ৰান্তিবীজ অহং-জ্ঞানেই আমাৰ সংস্কাৰৰ প্ৰথম ভাব। ইয়াৰ পৰাই কাল-জ্ঞান, দিক্-জ্ঞান আৰু ভেদ-জ্ঞানৰ লগে লগে উৎপত্তি হ'ল।

(আমাৰ সাংখ্য দৰ্শনৰ পাতনি বা বিজ্ঞানৰ সিপাৰে ৪১ পৃষ্ঠা চাওক) ।

---

* কথাটো এই দৰে নকৈ আমাৰ উপায় নাই। কাৰণ, আচলতে কি হ'ল, কেনেকৈ সৃষ্টি হ'ল, কোনেও নাজানে। ব্ৰহ্ম কেনেকৈ বহুত হ'ল বা পুৰুষ প্ৰকৃতিৰ সংযোগ বা কেনেকৈ হ'ল, কোনে কব ? পাঠক সকলে যেনেকৈ পাৰে, কথাটোৰ এটা ধাৰণা প্ৰথমতে কৰি লওক। এই দৰে/ধৰি ললে, পাছত হয় তো বহুত কথা স্পষ্ট হব।

এইবোৰ ভাবৰ বাহিৰেও সংস্কাৰত আৰু অসংখ্য ভাবৰ উৎপত্তি হয়। 'পুৰুষ লিঙ্গ দেহস্থ হৈ অহং জ্ঞানৰ দ্বাৰা বদ্ধ বা মুগ্ধ হৈ আগৰ মুক্ত অৱস্থা পাবলৈ আকাংক্ষা কৰে,' কিন্তু প্ৰকৃতিক সম্পূৰ্ণ ভাবে নাজানিলে, অৰ্থাৎ ভোগ সম্পূৰ্ণ নহলে মুক্ত হব নোৱাৰে। সেইগুণে পুৰুষৰ প্ৰকৃতিক সম্পূৰ্ণৰূপে জানিবৰ (অৰ্থাৎ ভোগ কৰিবৰ) এটা হেঁপাহ হয়। (আমাৰ সাংখ্য দৰ্শন ৭২ পৃ চাওক)। এই হেঁপাহেই আমাৰ ভোগেচ্ছা বা কাম (desire) * ইযাৰ পৰা আকৌ অসংখ্য ৰকমৰ ভাব উৎপন্ন হয়॥ এইবোৰ ভাব গোটাই সাংখ্যৰ প্ৰত্যয় সৰ্গ বা বুদ্ধিৰ সৃষ্টি বা ভাবাখ্য সৰ্গ [সাংখ্য ৪৩-৫১ কাৰিকা।] এই ভাৱবোৰৰ কোনটো ভাবৰ পৰা কি নতুন ভাব ওলায়, বা কোন ভাবে কোন ভাবক ধ্বংস কৰে, সেইবোৰ কথা সাংখ্যই কৈছে।

সংসাৰত যত ৰকমৰ ভাব হব পাৰে, সেই সকলো বোৰ আমাৰ সংস্কাৰত আছে। বহিৰ্জ্জগতত জীৱই দেখিলে, চন্দ্ৰ, সূৰ্য্য ঘূৰি আছে আৰু তাৰ পৰাই দিন ৰাতি হৈছে। এই সত্যটো জীৱৰ সংস্কাৰত ভাব হৈ থাকিল। সময়ত সুৱঁৰিলেই বা সমাজিকত দেখিলেই সি চেতন হৈ জ্ঞান-পদ-বাচ্য হয়, নহলেই সি একো নাই—সি যেন অচেতন কিবা এটা।

ভোগেচ্ছা বা কামেই আমাৰ সকলো অনিষ্টৰ মূল [আমাৰ গীতাৰ পাতনি (২০)]

এইদৰেই সংসাৰত যত বস্তু আছে, চন্দ্ৰ, সূৰ্য্য, আকাশ সকলো ভাৱৰূপে জীৱৰ সংস্কাৰত আছে। সংসাৰত যত নৈসৰ্গিক নিয়ম আছে বা যত ঘটনা হৈছে, সেই সকলো বোৰো ভাৱৰূপে জীৱৰ সংস্কাৰত আছে। এইবোৰ কথা সাংখ্যই কয়, উপনিষদেও কয়। আমি এনেয়ে এইবোৰ বুজো, কাৰণ এইদৰে যদি নহয়, তেন্তে জগতত 'স্মৃতি' বুলি এটা কথা নাথাকিলহেঁতেন আৰু মানুহে সামাজিকো নেদেখিলেহেঁতেন।

এই সংস্কাৰস্থ ভাৱত মিলাই লব নোৱাৰিলে আমি কোনো কথা বুজিব নোৱাৰো। এইটো আধুনিক বিজ্ঞানৰ সত্য, যাৰ কথা আমি তলত ক'ম। কিন্তু • বৰ্ত্তমান আমি বিজ্ঞানৰ ভিতৰলৈ যাব নালাগে। আমি অতি সাধাৰণ যুক্তিৰেই কথাটো বুজিব পাৰো :—

ধৰক, আপুনি এটা লৰা পঢ়াইছে। আপুনি বহুত চেষ্টা কৰি, বহুত ৰকমে ব্যাখ্যা কৰিও কথাটো তাক বুজাব পৰা নাই। "বুজিছা নে" বুলি যতবাৰ সোধে, ততবাৰ সি কয়, "নাই বুজা"। এবাৰ হয়তো সি চাত্‌কৰে কথাটো বুজিব আৰু ক'ব, "অ' মই এতিয়া বুজিলো।" কিয় এইদৰে হয় ?

আপুনি তাক একো নতুন ভাব দিয়া নাই। সকলো ভাব তাৰ সংস্কাৰতে আছে। আপুনি মাত্ৰ সোঁৱৰাইহে দিছে। যেতিয়ালৈকে আপোনাৰ কথাবোৰ তাৰ

সংস্কাৰস্থ ভাবৰ জগত নিমিলে, তেতিয়ালৈকে সি একো নুবুজে। যেতিয়া আপোনাৰ কথাবোৰ তাৰ সংস্কাৰত খাপ্ খাই যায় তেতিয়াই সি কয়, "বুজিলোঁ, বুজিলোঁ"। সি আৰু তেতিয়া কাকো প্ৰশ্ন কৰিব নালাগে, "হেৰা, মই বুজিলোঁ নে ?"

আমাৰ সংস্কাৰত ভাব ৰূপে নথকা কোনো কথা জগতত নাই। কিন্তু এই ভাববোৰ সদায় আমি নেদেখো।

বহির্জ্জগতত যেনেকৈ সকলো বস্তু আছে, কিন্তু সকলোবোৰ আমাৰ চকুত নপৰে, যিটো চাওঁ, তাকেহে দেখো, সেই দৰেই সকলো ভাব আমাৰ অন্তৰত আছে, কিন্তু অচেতন ভাব হৈ আছে। যিটি ভাবৰ ওপৰত পুৰুষৰ দৃষ্টি পৰে (অৰ্থাৎ সাংখ্যৰ কথাৰে, য'ত পুৰুষ-প্ৰকৃতিৰ সংযোগ ঘটে) সেই ভাবটি মাত্ৰ চেতন ভাব হৈ মনলৈ আহে আৰু ভাব-পদ-বাচ্য হয়। বাকীবোৰ নিৰ্জীৱ অচেতন ভাব ৰূপে সংস্কাৰত পৰি থাকে, আছে নে নাই কোনেও কব নোৱাৰে।

এই অচেতন ভাববোৰ যেন চকৰি ঘূৰাৰ দৰে মনৰ আগত সদায় ঘূৰি আছে। যি ভাবৰ ওপৰত পুৰুষৰ দৃষ্টি পৰে সেয়ে সেই সময়ত চেতন ভাব হৈ প্ৰস্ফুটিত হয়। বিশেষ চেষ্টা কৰিও পুৰুষে কোনো এটা ভাবত অধিক ক্ষণ আবদ্ধ হৈ থাকিব নোৱাৰে। আৰু কোন ভাব কোন সময়ত মনলৈ আহে, সেই বিষয়েও পুৰুষৰ একো স্বাধীনতা

নাই। এই কথাটো আমি সকলোৱে বুজো, আৰু সেই বাবেই কওঁ—"আমাৰ মন সদায় চঞ্চল"।

এই কথাটো শ্ৰীঅৰবিন্দই এই দৰে কয়:—

"Thoughts, ideas etc. are always wandering about, in thought-waves or otherwise, seeking a mind that may embody them."

আৰু তেওঁ কৈছে:—

"The error comes from thinking that your thoughts are your own, and that you are the maker of your thoughts and if you do not create them (i.e. think) there will be none. A little observation will show that you are not manufacturing your own thoughts but thoughts occur in you."

অৰ্থাৎ:— ভাব বোৰ যেন এটা ভাব-সহৰিত বা আন কিবা ৰকমে উড়ি ফুৰিছে, যাতে এটা মানুহৰ মনে সিহঁতক গ্ৰহণ কৰিব পাৰে।

তোমাৰ ভুল এই বাবে হয় যে তুমি ভাবা যেন ভাব বোৰ তোমাৰ নিজা সম্পত্তি, যেন তুমি সৃষ্টি নকৰিলেই (অৰ্থাৎ নেভাবিলেই) সিহঁত নাই। অলপ চিন্তা কৰিলেই আমি বুজো যে আমি ভাবৰ সৃষ্টি নকৰো বৰং ভাব আহি হে আমাৰ মনত সোমায় হি।"

যোগীয়ে বুজে যে এই ভাববোৰ আত্মা নহয়। ইহঁত যেন বাহিৰৰ (আত্মাৰ বাহিৰৰ) পৰা অহা বস্তু। এই কথাটো বুজিব পৰাকে আত্ম-জ্ঞান বোলে, যি আত্ম-জ্ঞান লাভ কৰিব পাৰিলে মানুহৰ আৰু পুনৰ্জন্ম নহয় বুলি সকলো শাস্ত্ৰই কৈছে।

আমি অৱশ্যে নুবুজো, কেনেকৈ ভাববোৰ বাহিৰৰ বস্তু হব পাৰে। ইউৰোপীয় দৰ্শন মতে ভাব বোৰেই "আমি"—cogito ergo sum [বিজ্ঞানৰ সিপাৰে ৩১ পৃ, আৰু ৬০-৬১ পৃ বা কথাৰে উপনিষৎ ৪৬ পৃ চাওক।]

গীতাত কৈছে যে ভাববোৰ মনৰ পৰা আঁতৰাব পাৰিলেহে যোগী সমাধিস্থ হব পাৰে।

আত্মসংস্থং মনঃ কৃত্বা ন কিঞ্চিদপি চিন্তয়েৎ ॥
[গীতা ৬।২৫]

পাতঞ্জলে কয় যে ঈশ্বৰ প্ৰণিধানৰ দ্বাৰা আৰু অভ্যাসৰ দ্বাৰা মানুহে সংস্কাৰ একেবাৰে নিৰোধ কৰি ভাব-শূন্য হব পাৰে।

আমি অৱশ্যে এইবোৰ কথা নুবুজো, আমি ধাৰণা কৰিব নোৱাৰো, কেনেকৈ আমাৰ মনৰ "একো-নভবা-অৱস্থা" এটা হব পাৰে, কেনেকৈ আত্মা আৰু ভাব পৃথক বস্তু হব পাৰে। কিন্তু শ্ৰীঅৰবিন্দই তেওঁৰ নিজৰ অভিজ্ঞতাৰ পৰা এই দৰে কৈছে:

There are in fact several ways. My own way was by rejection of thought. "Sit down", I was told, "look and you see that your thoughts come into you from outside. Before they enter, fling them back". I sat down and looked and saw to my astonishment that it was so ; I saw and felt concretely the thought approaching as if to enter through or above the head and was able to push it back concretely before it came inside.

In three days— really in one- - my mind became full of an eternal silence— it is still there.

তেওঁ এই কথাটোকে আকৌ এঠাইত কলে :—

It was my great debt to Lele that he showed me this. "Sit in meditation he said, "but do not think, look only at your mind ; you will see thoughts coming into it ; before they can enter, throw these away from your mind till your mind is capable of entire silence".

I have never heard before of thoughts coming visibly into the mind from outside, but I did not think either of questioning the truth or the possibility; I simply sat down and did it. In a moment my mind became silent as a windless air on a high mountain summit and then I saw one thought and then another coming in a concrete way from outside; I flung them away before they could enter and take hold of the brain and in three days I was free.

ইয়াত শ্ৰীঅৰবিন্দই কৈছে, কেনেকৈ তেওঁ শ্ৰীলেলীৰ কথা মতে আসনত বহি বুজিব পাৰিলে যে ভাববোৰ বাহিৰৰ পৰাহে যেন মানুহৰ মনত সোমাবলৈ আহে আৰু মানুহে চেষ্টা কৰিলেই সেই ভাববোৰক মনত সোমাব নিদি পাৰে। এই সাধনাটো একো কঠিন সাধনা নহয়। কাৰণ, ইয়াৰ আগেয়ে শ্ৰীঅৰবিন্দই যোগ-সাধনাত একো বিশেষ উন্নতি লাভ কৰা নাছিল। তেওঁ নিজেই কৈছে যে তেওঁ মাত্ৰ অলপ প্ৰাণায়াম আৰু এনে ছুটা কি এটা প্ৰক্ৰিয়া হে অভ্যাস কৰিছিল।

কিন্তু এইবোৰ কথা এতিয়া আমাৰ নিমিত্তে অপ্ৰাসঙ্গিক। আমি মাত্ৰ মনত ৰাখিব লাগে যে লিঙ্গ দেহটো

অৰ্থাৎ ভাৱবোৰ আত্মা নহয়। কিন্তু এই ভাৱবোৰেই আমাৰ জীৱনৰ বীজ। সেইগুণে মানুহে ইয়াকে "জীৱাত্মা" বুলি ভাবে। আচলতে এই ভাৱবোৰ নহলে হে আমাৰ আত্মাৰ আচল স্বৰূপ প্ৰকাশ পায়; যেনে, গভীৰ টোপনিত (সুষুপ্তিত)। (বিজ্ঞানৰ সিপাৰে ৩১ পৃ বা কথাৰে উপনিষৎ—৫৫--৫৬ পৃ চাওক)।

—:০:—

বিষয়-জ্ঞান

এই সংস্কাৰৰ বিষয়ে জানিব লগীয়া এটা অতি আৱশ্যকীয় কথা এই যে এই জগৎখন আমি পোনে পোনেই নেদেখো। বহির্জ্জগতৰ যিটো ছবি আমাৰ সংস্কাৰত ভাৱ ৰূপে অঁকা আছে, সেই ছবিটো মাত্ৰ দেখো। কথাটো শুনি হয়তো কোনো কোনো পাঠক আচৰিত হ'ব কিন্তু সকলো ভাৰতীয় দৰ্শনৰ (বিশেষতঃ বৌদ্ধ দৰ্শনৰ) এয়েহে মূল কথা। প্ৰথমতে সাংখ্যই কয় যে ভোক্তা, দ্ৰষ্টা বা জ্ঞাতা, পুৰুষ কেৱল মাত্ৰ নিজৰ সংস্কাৰ বা বুদ্ধিৰ হে ভোক্তা, দ্ৰষ্টা বা জ্ঞাতা; তেওঁ আৰু একোৰে দ্ৰষ্টা, ভোক্তা বা জ্ঞাতা নহয়।

[দাৰ্শনিক বিচাৰত ভোক্তা, জ্ঞাতা, দ্ৰষ্টা, সকলোবোৰ একে কথা। চকুৰে ভোগ কৰিলেই দ্ৰষ্টা, মুখেৰে, ভোক্তা আৰু মনেৰে ভোগ কৰিলেই জ্ঞাতা]

তেওঁৰ সংস্কাৰত নোহোৱা কোনো বিষয়ৰ জ্ঞান পুৰুষৰ হ'ব নোৱাৰে। [আমাৰ সাংখ্য দৰ্শন ৬৫ পৃ চাওক]।

গীতাই এই কথাটো বুজিবলৈ আৰু সহজ কৰি ক'লে। গীতাই ১৩ শ অধ্যায়ত পুৰুষক ক্ষেত্ৰজ্ঞ বুলিছে আৰু সংস্কাৰটোক ক্ষেত্ৰ বুলিছে। খেতিয়কে যেনেকৈ নিজৰ ক্ষেত্ৰত খেতি কৰি যি পায় তাকেহে ভোগ কৰে, ক্ষেত্ৰজ্ঞ পুৰুষেও সেই দৰে নিজৰ ক্ষেত্ৰত (সংস্কাৰত) যি আছে,

তাকে হে ভোগ কৰে। এইদৰে বুজিলে আমি বুজিম যে আমাৰ জগজ্‌জ্ঞান মনো দৃশ্য ব্যাপাৰ।

বেদান্তই কলে:

মনোদৃশ্যমিদং দ্বৈতং যৎ কিঞ্চিৎ সচৰাচৰম।

[মাণ্ডুক্য ৩।৩১]

মহাপুৰুষ শঙ্কৰদেৱেও কলে:—

মনৰ কল্পনা মানে সমস্ত জগৎ।

* * * *

মনতেসে আছে ইটো চৈধ্যই ভুবন।

ইমান দিনে এইবোৰ কথা আমাৰ নজনাতে গ'ল। এতিয়া কিন্তু পাশ্চাত্য মনোবিজ্ঞানে কথাটো ইমান পৰিষ্কাৰ কৰি আৰু পৰীক্ষাৰে প্ৰমাণ কৰি দেখুৱাই দিছে যে ইযাত আৰু আমাৰ কোনো সন্দেহৰ স্থল নাই। পাশ্চাত্য দৰ্শনে মন আৰু বুদ্ধিৰ প্ৰভেদ নেমানে। সাংখ্যই যাক সংস্কাৰ বোলে পাশ্চাত্য বিজ্ঞানে তাকে মন বোলে। পাশ্চাত্য বিজ্ঞানে কৈছে যে জগতৰ আচল স্বৰূপ কি আমি নেদেখো।

* এই মনোবিজ্ঞানৰ কথা আমি সৰ্ব্বত্ৰ সদায় কৈ আছো। ইয়াক নুবুজিলে ভাৰতীয় দৰ্শন বুজা নহয়। বেদান্ত দৰ্শনৰ ১৯৩—৯৭ পৃষ্ঠাত আমি দেখুৱাই আহিছো যে এই পাশ্চাত্য মনোবিজ্ঞানেই আমাৰো মনোবিজ্ঞান। পঞ্চদশীত সুন্দৰ দৃষ্টান্ত দি দেখুৱাইছে যে আমি বাস্তৱিক মনোময় জগৎখন হে দেখো।

[আমাৰ সাংখ্য দৰ্শন ৯৩ পৃ চাওক]।

আমি এই মাত্ৰ জানো যে বাহিৰৰ বস্তুত শক্তিৰ ক্ৰিয়াৰ বাহিৰে আৰু একো নাই। সেই শক্তি আহি আমাৰ ইন্দ্ৰিয়ত লাগিলেই আমাৰ এটি অনুভূতি হয় আৰু তাতে আমাৰ মনে সাজ-পাৰ পিন্ধায় আৰু তাকে আমি দেখো। বস্তুৰ ৰূপ, ৰস, গন্ধ ইত্যাদি সকলো আমাৰ মনৰ নিৰ্ম্মাণ। সাংখ্যৰো এয়ে মনোবিজ্ঞান। (বিজ্ঞনাৰ সিপাৰে ৪৫ — ৪৯ পৃঃ চাওক) এতিয়া আমি পৰিষ্কাৰ বুজো যে সংস্কাৰে যেনে দেখুৱায়, আমি জগতক তেনে হে দেখো। এই সংস্কাৰটো নহলে আমাৰ কোনো বিষয়-জ্ঞান হব নোৱাৰে।

আকৌ, আমি আৰু বুজিব লাগে যে এই সংস্কাৰে হে আমাক কাম কৰায়। এই বিষয়ে সাংখ্য আৰু গীতাৰ একো মত-ভেদ নাই। গীতাই বাৰে বাৰে কৈ আছে যে মানুহক প্ৰকৃতিৰ গুণে বা স্বভাৱে কাম কৰায় আৰু অজ্ঞানী মানুহে নিজে কৰিছো বুলি ভাবে। গুণাতীত বা স্থিত-প্ৰজ্ঞ যোগী নহলে, মানুহৰ স্বাধীন কৰ্তৃত্ব নাই। (আমাৰ গীতাৰ পাতনি চাওক)।

এইবোৰ কথা ইয়াত আলোচনা কৰা আমাৰ আৱশ্যক নাই। আমি সাধাৰণ যুক্তিৰেই বুজিব পাৰো যে সংস্কাৰটো নহলে আমি কোনো কামকে কৰিব নোৱাৰোঁ—যেনে গভীৰ স্বপ্নহীন টোপনিত নোৱাৰোঁ, যেতিয়া সংস্কাৰস্থ ভাবে ক্ৰিয়া নকৰে। আমি আগধৰি ভাবো, ভাবৰ পৰা ইচ্ছা হয় আৰু ইচ্ছা হলে কাম কৰো। অৱশ্যে ইচ্ছা নকৰিও আমি

কিছুমান কাম কৰো, যেনে নিশ্বাস-প্ৰশ্বাস। কিন্তু এনেবোৰ কৰ্ম্ম স্থূল দেহৰ ক্ৰিয়া, আৰু ইয়াৰ লগত এই আলোচনাত আমাৰ একো সম্পৰ্ক নাই। আমাৰ সকলো ইচ্ছাকৃত কৰ্ম্ম সংস্কাৰস্থ ভাবে কৰায়। ভাব আৰু কৰ্ম্মৰ কাৰ্য্য-কাৰণ সম্বন্ধ। ভাব, কাৰণ; কৰ্ম্ম তাৰ কাৰ্য্য। কৰ্ম্ম আচলতে ভাবৰ অন্তৰ্গত।

(আমাৰ গীতাৰ পাতনি ৪১ পৃ পাদটীকা)

এইদৰেই আমি বুজিব লাগিব যে লিঙ্গ-দেহ বা সংস্কাৰটো নহলে আমাৰ কোনো বিষয়-জ্ঞান নহয় আৰু আমি কোনো কৰ্ম্ম কৰিব নোৱাৰো।

এতিয়া আমি ইয়াৰ পাছৰ অধ্যায়ত দেখুৱাম, কেনেকৈ এই সংস্কাৰেই আমাৰ স্বভাব [স্ব—ভাব] বা চৰিত্ৰবো নিৰ্ণয় কৰে।

কৰ্ম্ম আৰু চৰিত্ৰ

এই সংস্কাৰস্থ ভাববোৰ ৮ শ্ৰেণীত ভাগ কৰিব পাৰি ! যথা—

অধ্যবসায়ো বুদ্ধিধৰ্ম্মো জ্ঞানং বিৰাগঐশ্বৰ্য্যম ।
সাত্ত্বিকমেতদ্ৰূপম্ তামসমস্মাদ্বিপৰ্য্যস্তম্ ॥

[২৩ কাৰিকা]

ধৰ্ম্ম, জ্ঞান, ঐশ্বৰ্য্য, বৈৰাগ্য—এই ৪ শ্ৰেণীৰ ভাববোৰ সাত্ত্বিক ভাব । ইয়াৰ বিপৰীত অধৰ্ম্ম, অজ্ঞান, অনৈশ্বৰ্য্য, অবৈৰাগ্য, এই ৪ শ্ৰেণীৰ ভাৱবোৰ তামসিক ভাব । সকলো ভাব এই ৮ শ্ৰেণীৰ যেই সেই এক শ্ৰেণীত পৰিব । সাত্ত্বিক আৰু তামসিক ভাববোৰৰ সংমিশ্ৰণত এই জগতত অসংখ্য ৰকমৰ সংস্কাৰ বা লিঙ্গ-দেহ হৈছে । ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি তৃণ এডাললৈকে অসংখ্য লিঙ্গ-দেহ আছে, কিন্তু কোনো দুটা জীৱৰ ঠিক একে সংস্কাৰ হব নোৱাৰে ।

জ্ঞান-অজ্ঞান, ধৰ্ম্ম-অধৰ্ম্ম, বৈৰাগ্য-অবৈৰাগ্য—এইবোৰ ভাব কি, সহজে বুজিব পাৰি । (পাতঞ্জল দৰ্শন বা আমাৰ সাংখ্য দৰ্শন ৭৭-৭৯ পৃষ্ঠা চাওক) ।

ইয়াত বিশেষ মন কৰিব লগীয়া 'ঐশ্বৰ্য্য-অনৈশ্বৰ্য্য'—এই দুটা ভাৱ । এই দুটা কি ভাৱ ?

ঐশ্বৰ্য্য মানে ঈশ্বৰৰ ভাৱ বা শক্তি । আমি ওপৰত কৈ আহিছো যে যোগীয়ে কেৱল ভাৱৰ দ্বাৰা, অইন কোনো

চেষ্টা নহলেও, অলৌকিক কাম কৰিব পাৰে। অনিমা, লঘিমা, গৰিমা, মহিমা, প্ৰাপ্তি, প্ৰাকাম্য, ঈশিত্ব, বশিত্ব—এই ৮ ৰকমৰ শক্তি (অষ্টৈশ্বৰ্য্য) যোগীৰ আছে। আমাৰ নাই, কাৰণ আমাৰ ঐশ্বৰ্য্যৰ ভাব, অনৈশ্বৰ্য্যৰ ভাবৰ দ্বাৰা আবৃত। এইবোৰ কথা যোগ শাস্ত্ৰত আলোচনা কৰিছে।

বৰ্ত্তমান আমি জানিবলগীয়া কথা এই যে এই ৮ শ্ৰেণীৰ ভাববোৰক গীতাই মুঠেই ৩ শ্ৰেণীত ভাগ কৰিছে। আমাৰ বুজিবৰ সুবিধাৰ বাবে গীতাই এইদৰে কৰিছে। গীতাই এই ভাৱবোৰক সাত্বিক, ৰাজসিক আৰু তামসিক—এই ৩ শ্ৰেণীত ভাগ কৰিছে। এইদৰে কৰি গীতাই বুজাইছে যে সংস্কাৰস্থ ভাৱবোৰেই মানুহক কাম কৰায়। যাৰ যেনে ভাব সি তেনে কাম হে কৰিব পাৰে। যাৰ সংস্কাৰ যেনে, তাৰ চৰিত্ৰ তেনে হে হব পাৰে। সংস্কাৰটো সাত্বিক হলে হে মানুহৰ চৰিত্ৰ বা স্বভাৱো সাত্বিক হব পাৰে। এজন মানুহৰ আচৰণ দেখিয়েই আমি বুজো তেওঁৰ সংস্কাৰস্থ ভাববোৰ সাত্বিক নে ৰাজসিক নে তামসিক। সেই দৰেই আকৌ আমি যদি জানো যে এজন মানুহৰ সংস্কাৰস্থ ভাববোৰ সাত্বিক, তেন্তে আমি সহজে অনুমান কৰিব পাৰো, তেওঁ কেনে কাম কৰিব পাৰে, বা কৰিব নোৱাৰে।

এনেবোৰ আলোচনাৰেই গীতাৰ ১৪শ আৰু ১৮শ অধ্যায় ভৰা। গীতাই আৰু কৈছে যে সংস্কাৰস্থ ভাব অনুসৰি মানুহৰ আহাৰ, উপাসনা, কৰ্ম্ম ইত্যাদি সকলো

বিষয়তে ভিন্ন ভিন্ন অভিৰুচি, শ্ৰদ্ধা বা বিশ্বাস হয়।
[১৭শ অধ্যায়]

বিশেষ মন কৰিবলগীয়া কথা এই যে বহিৰ্জ্জগতত যেনেকৈ সকলো পদাৰ্থ ক্ৰিয়াশীল আৰু পৰিণামী, আমাৰ সংস্কাৰটোও সেইদৰেই ক্ৰিয়াশীল আৰু পৰিণামী। প্ৰত্যেক ক্ষণে ইয়াৰ পৰিণাম হৈ আছে। [আমাৰ সাংখ্য দৰ্শন ৭৭ পৃষ্ঠা চাওক]। এইবোৰ কথা আমি সহজে বুজিব পাৰো।

আমি আজি এটা কাম ভাল বুলি বুজি কৰিলো, কিন্তু দুদিনমান পিচতে বুজিলো যে সেই কামটো নকৰা হলেই ভাল আছিল। সকৃত আমি যি বোৰ কাম কৰিছিলো ডাঙৰ হলে তাৰ বাবে অনুতাপ কৰো। কিয় এইদৰে হয়? সকত আমাৰ যি আত্মা আছিল আজিও সেয়ে আত্মা। আত্মাৰ একো পৰিণাম নাই। কিন্তু সকৰ সংস্কাৰ আৰু আজিৰ সংস্কাৰ বেলেগ নোহোৱা হলে, অনুতাপ বুলি এটা কথাই নাথাকিল হেতেন। এনেবোৰ যুক্তিৰেই আমি সহজে বুজিম যে সংস্কাৰৰ প্ৰত্যেক ক্ষণে পৰিণাম হয়, বুদ্ধিৰ ৰূপান্তৰ হয়। এইদৰে নহলে মানুহৰ ক্ৰমোন্নতি হব নোৱাৰে, চৰিত্ৰৰ উৎকৰ্ষ হব নোৱাৰে বা সেই দৰেই আকৌ অৱনতিও হব নোৱাৰে।

মানুহে যি কৰে, যি ভাৱে, সকলোৰে ছাপ সংস্কাৰত বৈ যায়। এইদৰে প্ৰত্যেক ক্ষুদ্ৰ কৰ্ম্ম বা ক্ষুদ্ৰ চিন্তাৰ পৰা সংস্কাৰৰ বা বুদ্ধিৰ ৰূপৰ পৰিবৰ্ত্তন হয়, পৰিণাম হয়।

আমি ওপৰত কলো যে ভাল সংস্কাৰৰ মানুহে ভাল কাম কৰে, বেয়া সংস্কাৰৰ বা বেয়া স্বভাৱৰ মানুহে বেয়া কাম কৰে। কিন্তু ইকালে আকৌ ভাল কাম কৰিলে সংস্কাৰো ভাল হৈ আহে, বেয়া কাম কৰিলে সংস্কাৰো বেয়া হৈ আহে। এইদৰেই মানুহৰ কৰ্ম্ম আৰু সংস্কাৰে পৰস্পৰৰ ওপৰত কাৰ্য্য কৰে। জন্ম-জন্মান্তৰৰ পৰা এইদৰে হৈ আহিছে। এনে কৰ্ম্ম নাই, যি সংস্কাৰৰ অলপ নহয় অলপ ৰূপান্তৰ নকৰে। সেই বাবেই কাপিলাশ্ৰমীয় গ্ৰন্থত কৰ্ম্মৰ সংজ্ঞা এইদৰে দিছে:—

"যাৰ দ্বাৰা মানুহৰ সংস্কাৰৰ ৰূপান্তৰ হয়, সেয়ে কৰ্ম্ম।"

পাঠকসকলে কৰ্ম্মৰ এই নতুন সংজ্ঞাটি যেন মনত ৰাখে। নহলে সাংখ্যৰ জন্মান্তৰবাদটি বুজিবলৈ অলপ টান হব।

আমি ওপৰত কৈ আহিছো যে পুৰাণৰ মতে পাপ-পুণ্যৰ ফল ভোগ কৰিবলৈ, জীৱক বলেৰে ধৰি নি যেন জন্মান্তৰ গ্ৰহণ কৰোৱায়। সাংখ্য দৰ্শনত কৰ্ম্ম, কৰ্ম্মফল, বা পাপ-পুণ্যৰ একো কথা নাই। ইয়াত কয় যে জীৱক সংস্কাৰস্থ ভাবে, আন সকলো কৰ্ম্ম কৰোৱাৰ দৰেই, জন্ম গ্ৰহণো কৰোৱাই; জীৱই নিজে যেন ইচ্ছা কৰি গ্ৰহণ কৰে; নিজ ইচ্ছাৰে গ্ৰহণ কৰিছো বুলি জীৱই * ভাৱে। গীতাতো এইদৰেই কৈছে।

* কেনেকৈ জীৱই নিজ ভাৱেৰে নিজে স্বৰ্গলৈ বা নৰকলৈ যায়, সেই বিষয়ে তলত ১৪শ অধ্যায়ত কোৱা হৈছে।

পোন প্ৰথমতে গীতাই কলে :—

যং যং বাপি স্মৰন্ ভাবং ত্যজত্যন্তে কলেবৰম্।
তং তমেবৈতি কৌন্তেয় সদা তদ্ভাবভাবিতঃ॥ [৮। ৬]

অৰ্থাৎ যি ভাব ভাবি মানুহ মৰে, পৰ-জন্মত তাকে হে পায়। সাংখ্যই কয় :—

ধৰ্ম্মেণ গমনমূৰ্দ্ধং গমনমধস্তাদ্ভবত্যধৰ্ম্মেন।
জ্ঞানেন চাপবৰ্গো বিপৰ্য্যয়াদিষ্যতে বন্ধঃ॥
বৈৰাগ্যাৎ প্ৰকৃতিলয়ঃ সংসাৰো ভবতি ৰাজসাদ্ৰাগাৎ।
ঐশ্বৰ্য্যাদবিঘাতো বিপৰ্য্যয়াৎ তদ্বিপৰ্য্যাসঃ।
[৪৪--৪৫ কাৰিকা]

সাংখ্যৰ এইখিনি কথাকে গীতাই গীতাৰ ভাষাৰে কৈছে—

ঊৰ্দ্ধং গচ্ছন্তি সত্বস্থা মধ্যে তিষ্ঠন্তি ৰাজসাঃ।
জঘন্যগুণবৃত্তিস্থা অধো গচ্ছন্তি তামসাঃ॥ [১৪। ১৮]

সাত্বিক সংস্কাৰৰ মানুহ ঊৰ্দ্ধ লোকলৈ যায়। ৰাজসিক সংস্কাৰৰ মানুহ মৰিলে, মধ্য লোকত (মনুষ্য লোকত) থাকে—অৰ্থাৎ পুনঃ মনুষ্য যোনিত জন্ম গ্ৰহণ কৰে। তামসিক সংস্কাৰৰ মানুহ মৰিলে অধোলোকলৈ যায়।

গীতা আৰু সাংখ্য দৰ্শন, দুয়ো কৈছে যে জীৱই নিজ ইচ্ছাৰে, নিজৰ সংস্কাৰস্থ ভাবেৰে নিজে জন্ম গ্ৰহণকৰে। জীৱক কোনেও বলেৰে টানি নিনিয়ে। কৈছে, যেন স্বাভাৱিক নিয়মে জন্মান্তৰ হয়। ইয়াত পাপ-পুণ্য বা কৰ্ম্ম ফলৰ একো উল্লেখ কৰা নাই। তেন্তে, পাপ-পুণ্য, কৰ্ম্মফল, একো নাই নে কি?

কৰ্ম্ম-ফল

প্ৰত্যেক পাঠকে নিশ্চয় দেখিছে যে যেতিয়া আমি পুখুৰীৰ মাজলৈ দলি এটা মাৰো, প্ৰথমতে সেই ঠাইত সৰু এটা ঢৌ উঠে, আৰু সেই সৰু ঢৌটো লাহে লাহে বৃত্তাকাৰ হৈ বহল হৈ যায়। পানীৰ একো লৰ-চৰ নহয়; য'ৰে পানী ত'তে থাকে; মাত্ৰ বৃত্তাকাৰ হেন্দোলনিটো বহল হৈ হৈ গোটেই পুখুৰীটো বিয়পি পৰে। আমাৰ পৃথিবীতো সেইদৰেই মানুহৰ প্ৰত্যেক কৰ্ম্মৰ হেন্দোলনি যেন বৈ গৈ গোটেই পৃথিবী বিয়পি পৰে।

তাহানি আমি সৰুত মুখে মুখে গাই ল'ৰি ফুৰিছিলো:

অ' ফুল, অ' ফুল নুফুল কিয়?
গৰুৱে যে আগ খায়, মইনো ফুলিম কিয়?
অ' গৰু, অ' গৰু, আগ খাৱ কিয়? ইত্যাদি

এটা ভেঁকুলীয়ে টোৰ্‌টোৰালে বাবে ঘৰত ইমানবোৰ আহু-কাল হৈ, শেহত ফুলনিত ফুল নুফুলা হ'ল। এয়ে সংসাৰৰ নিয়ম। ইয়াত দিনৌ "ফিৰিঙটিত খাণ্ডবদাহ-ব্যাপাৰ" হৈ আছে। এজন বজাই পাশা খেলিলে; এই ক্ষুদ্ৰ কাৰ্য্যটিৰ পৰা ১৩ বছৰৰ পাছত কুৰুক্ষেত্ৰৰ মহাৰণ হ'ল। গোটেই পৃথিবীত অশান্তি হ'ল! এনেবোৰ কথা আমি সদায় দেখি আছো।

এইদৰে ভাবি নিলে আমি অতি সহজে বুজিব পাৰো যে এই জগতৰ সকলো কৰ্ম্ম আৰু সকলো কৰ্ত্তা এনে ভাবে

সংযুক্ত যে ইয়াত প্ৰত্যেক মানুহৰ প্ৰত্যেক ক্ষুদ্ৰ কৰ্ম্মই সমস্ত জগতৰ গতি, অলপ নহয় অলপ, পৰিবৰ্ত্তন কৰে; আৰু সেই পৰিবৰ্ত্তনৰ ফল অনন্ত কাললৈকে চলি থাকে।

এয়ে বহিৰ্জ্জগতত কৰ্ম্মফল। কিন্তু এনেবিধ কৰ্ম্ম-ফলৰ লগত কৰ্ত্তা জনৰ একো সম্বন্ধ নাই (অৰ্থাৎ বৰ্ত্তমান আলোচনাত নাই)। তেওঁ এবাৰ যি কৰিলে, তাক আৰু "নকৰা" কৰিব নোৱাৰে। তাৰ স্বাভাৱিক ফল চিৰকাল ফলি থাকিব; তাত আৰু কৰ্ত্তা জনৰ একো হাত নাই।

কৰ্ম্মৰ আৰু এবিধ ফল আছে। সেই ফল কৰ্ত্তা জনৰ সংস্কাৰত ফলে। এইয়ে তেওঁৰ পক্ষে ব্যক্তি-গত কৰ্ম্মফল।

আমি ওপৰত কৈ আহিছো যে আমাৰ প্ৰত্যেক ক্ষুদ্ৰ কৰ্ম্মই, প্ৰত্যেক ক্ষুদ্ৰ চিন্তাই, আমাৰ সংস্কাৰৰ অলপ নহয় অলপ পৰিবৰ্ত্তন কৰে। অলপ নহয় অলপ ৰূপান্তৰ কৰে। পৰিবৰ্ত্তিত সংস্কাৰেই হে আকৌ আমাৰ ভবিষ্যৎ কৰ্ম্মৰ কাৰণ হয়; সেই ভবিষ্যৎ কৰ্ম্মই আকৌ সংস্কাৰৰ পৰিবৰ্ত্তন ঘটায়। এই দৰেই কৰ্ম্ম আৰু সংস্কাৰৰ প্ৰত্যেক ক্ষণে ঘাত-প্ৰতিঘাত হৈ আছে।

বহিৰ্জ্জগতত যেনেকৈ কৰ্ম্ম-ফলৰ ক্ৰিয়া অনন্ত কাললৈকে চলি থাকে, আমাৰ সংস্কাৰতো সেইদৰেই ব্যক্তিগত কৰ্ম্ম-ফলৰ ক্ৰিয়া অনন্ত কাললৈকে চলি থাকে। সেইগুণে কয়—

"নাভুক্তং ক্ষীয়তে কৰ্ম্ম কল্পকোটিশতৈৰপি।"

এই দুবিধ কৰ্ম্ম-ফলৰ বাহিৰে আৰু কোনো কৰ্ম্ম-ফল সংসাৰত নাই। প্ৰথম ফল, বহিৰ্জ্জগতৰ পৰিণাম, যাৰ লগত কৰ্ত্তা জনৰ আৰু কোনো সম্বন্ধ নাই। ২য় ফল সংস্কাৰৰ পৰিণাম। সংস্কাৰ এটা আছে গুণেহে এই ব্যক্তিগত কৰ্ম্ম-ফল হয়। যদি এজন মানুহৰ যোগ অভ্যাসৰ দ্বাৰা বা ঈশ্বৰ চিন্তাৰ দ্বাৰা সংস্কাৰটি একেবাৰে নিৰোধ হৈছে, অৰ্থাৎ গীতাৰ কথাৰে, তেওঁ যদি স্থিতপ্ৰজ্ঞ বা গুণাতীত হৈছে, তেন্তে তেওঁৰ সংস্কাৰত আৰু কোনো কৰ্ম্মৰ ছাপ পৰিব

* Theosophist পণ্ডিতসকলে কয় যে কৰ্ম্মৰ আৰু এবিধ ফল আছে, যথা—

"হন্তা হন্তেন হন্যতে।

অৰ্থাৎ, আপুনি যদি এই জন্মত এটা মানুহক বধ কৰে, বা তাৰ কিবা অপকাৰ বা উপকাৰ কৰে, তেন্তে পৰ-জন্মত সি আপোনাক বধ কৰিব বা আপোনাৰ অপকাৰ বা উপকাৰ কৰিব। এইবোৰ ব্যৱস্থা কৰিবলৈ, তেওঁবিলাকে কয়, কিছুমান কৰ্ম্ম বিধাতা ("লিপিক" আৰু "মহাৰাজ") আছে। জন্মান্তৰ আচলতে "লিপিক" আৰু "মহাৰাজ" সকলৰ হে কাৰ্য্য।

এনেবোৰ কথা পুৰাণৰ দুটা এটা কথাৰ লগত অলপ মিলিলেও, ইয়াৰ কোনো শ্ৰুতি-প্ৰমাণ নাই। ই সাংখ্য দৰ্শনৰ বিপৰীত কথা; কাৰণ সাংখ্য মতে জন্মান্তৰ সম্পূৰ্ণ ৰূপে প্ৰকৃতিৰ বা স্বভাৱৰ হে কাৰ্য্য। ইয়াৰ আৰু কোনো কৰ্ত্তা নাই।

নোৱাৰে—সংস্কাৰেই নাই আৰু ছাপ পৰিব ক'ত ? * এনে যোগীয়ে কৰ্ম্ম কৰিও তাৰ ফলত বদ্ধ নহয়। তেওঁৰ পক্ষে কোনো পাপ নাই। তেওঁক কোনো পাপে স্পৰ্শ নকৰে। এইবোৰ কথা গীতাই আৰু আমাৰ সকলো শাস্ত্ৰই কৈ আছে। যথা—

সৰ্ব্ব ভূতাত্ম ভূতাত্মাকুৰ্ব্বন্নপি ন লিপ্যতে। ৫।৭
লিপ্যতে ন স পাপেন পদ্ম পত্ৰামিবাম্ভসা। ৫।১০
যুক্তঃ কৰ্ম্মফলং ত্যক্ত্বা। ৫।১২

এই দৰেই ব্যক্তিগত কৰ্ম্ম-ফল সংস্কাৰত হে ফলে আৰু সংস্কাৰ নিৰোধ হলেই সেই ফল নাই।

তেন্তে ওপৰত "লিপ্যতে ন স পাপেন" বুলি কি পাপৰ কথা ক'লে ?

পাপ-পুণ্যৰ বিভাগটো ইয়ালৈ ক'ৰ পৰা আহিল ?

* সংস্কাৰ একেবাৰে ধ্বংস হব নোৱাৰে; হলে আমাৰ জীৱনই লোপ হব। যোগৰ দ্বাৰা সংস্কাৰ নিৰোধ হয়—"যোগশ্চিত্ত বৃত্তি নিৰোধঃ"। এনে নিৰোধ হোৱা সংস্কাৰৰ ৰূপান্তৰ নহয়—অৰ্থাৎ যোগী স্থিতপ্ৰজ্ঞ বা গুণাতীত হয়। এই বাবেই এনে যোগীৰ ব্যক্তিগত কৰ্ম্ম-ফল নাই।

-1 MAR 1958

পাপ-পুণ্য।

আমি ওপৰত কৈ আহিছো যে পুৰাণৰ মতে শাস্ত্ৰ-বিহিত কৰ্ম্ম কৰাই পুণ্য আৰু শাস্ত্ৰই নিষেধ কৰা কৰ্ম্মই পাপ। পুৰাণে কয় যে পাপ-পুণ্য মানুহে মনেৰে বা যুক্তিৰে ভাবি ঠিক কৰিব নোৱাৰে। কাৰণ, একে কামেই এখন দেশত, বা এসময়ত, বা কোনো এটা কাৰণত, পাপ বুলি গণ্য হয়, কিন্তু ঠিক সেই কামেই আন এখন দেশত, বা আন সময়ত, বা আন এটা কাৰণত, পুণ্য বুলি গণ্য হয়। সেই বাবে শাস্ত্ৰই যাক পাপ বোলে সেয়ে হে পাপ আৰু যাক পুণ্য বোলে সেয়ে হে পুণ্য। বেদান্ত দৰ্শনেও এইদৰেই কৈছে (আমাৰ বেদান্ত দৰ্শন ২৭১ পৃ)। এইটো অতি সুন্দৰ মীমাংসা আৰু প্ৰকৃত পক্ষে এয়ে হে ঠিক কথা। কিন্তু পাপ-পুণ্যৰ এইদৰে মীমাংসা কৰিলে সাংখ্যৰ জন্মান্তৰ ৰহস্যটি বুজা নহয়।

আমি ওপৰত কৈ আহিছো যে আমাৰ প্ৰত্যেক ক্ষুদ্ৰ কৰ্ম্মৰ ছাপ আমাৰ সংস্কাৰত পৰে। আমাৰ মতে সেয়েহে কৰ্ম্ম, যি আমাৰ সংস্কাৰৰ ৰূপান্তৰ ঘটাব পাৰে। সংস্কাৰস্থ ভাৱৰ ওপৰত কাৰ্য্য কৰিব নোৱাৰিলে সি কৰ্ম্মই নহয়। আমি আৰু কৈ আহিছো যে সংস্কাৰস্থ ভাৱবোৰ দুই শ্ৰেণীৰ :--

সাত্ত্বিক—ধৰ্ম্ম, জ্ঞান, ঐশ্বৰ্য্য, বিৰাগ।

তামসিক—অধৰ্ম্ম, অজ্ঞান, অনৈশ্বৰ্য্য, অবৈৰাগ্য।

যি কৰ্ম্মৰ দ্বাৰা তামসিক ভাববোৰ অভিভূত হয় বা যাৰ দ্বাৰা সাত্বিক ভাববোৰৰ পুষ্টি সাধন হয়, সেয়ে পুণ্য।

যি কৰ্ম্মৰ দ্বাৰা সাত্বিক ভাৱবোৰ অভিভূত হয় বা যাৰ দ্বাৰা তামসিক ভাৱবোৰৰ পুষ্টি সাধন হয়, সেয়ে পাপ।

পাপ-পুণ্যৰ এই নতুন সংজ্ঞাৰ বেদান্তৰ লগত একো বিৰোধ নাই। কাৰণ বেদান্তই স্পষ্ট কৈছে যে বৈদিক কৰ্ম্মৰ ফল "চিত্তশুদ্ধি"—অৰ্থাৎ সংস্কাৰৰ উৎকৰ্ষ সাধন; সকলো কৰ্ম্ম গৈ জ্ঞানত (অৰ্থাৎ ভাৱত) শেষ হয়, যথা:—

সৰ্ব্বং কৰ্ম্মাখিলং পাৰ্থ জ্ঞানে পৰিসমাপ্যতে।

[গীতা ৪।৩৬]

ইয়াত 'জ্ঞান' মানে অপৰোক্ষ জ্ঞান নহয় [আমাৰ গীতাৰ পাতনি (২০) চাওক]।

গীতাই কৰ্ম্মকো ৩ শ্ৰেণীত (সাত্বিক, ৰাজসিক, তামসিক) ভাগ কৰি দেখুৱাইছে, কোন শ্ৰেণীৰ কৰ্ম্মই সংস্কাৰৰ ওপৰত কেনে কাৰ্য্য কৰে আৰু কেনে সংস্কাৰৰ মানুহে কেনে কাম কৰিব পাৰে। গীতাৰ ১৭।১৮ অধ্যায় পঢ়িলেই আমি বুজিম যে সংস্কাৰৰ উৎকৰ্ষ সাধন কৰা সাত্বিক কৰ্ম্মই পুণ্য আৰু সংস্কাৰ অৱনতি কৰা তামসিক কৰ্ম্মই পাপ। সাংখ্যই পাপ-পুণ্যৰ উল্লেখেই কৰা নাই। সাংখ্যই প্ৰত্যয় সৰ্গৰ আলোচনা কৰি দেখুৱালে, কি ভাৱৰ পৰা কি ভাৱৰ উৎপত্তি হয়, বা কি ভাৱে কি ভাৱক অভিভূত কৰে।

বহির্জ্জগতত যেনেকৈ দুফালৰ পৰা দুটা সমান স্থূল শক্তিয়ে (energy or force.*) ক্রিয়া কৰিলে এটাই ইটিক অভিভূত কৰে আৰু কোনো ক্রিয়াই নহয়, ঠিক সেই দৰেই অন্তৰ্জ্জগততো দুটা সূক্ষ্ম শক্তিয়ে (অর্থাৎ ভাৱে) ক্রিয়া কৰিলে, এটাই ইটিক অভিভূত কৰে; যেনে হিংসাৰ ভাৱে অহিংসাৰ ভাৱ নষ্ট কৰে, ভোগ লিপ্সাই অবৈৰাগ্যৰ ভাৱৰ পুষ্টি সাধন কৰে, ঈশ্বৰ চিন্তাই বিষয় চিন্তাৰ বা বাসনাৰ ক্ষয় কৰে ইত্যাদি।

ওপৰত কোৱা হৈছে যে সংস্কাৰ যাৰ নিৰোধ হৈছে, তেনে মানুহৰ পক্ষে ব্যক্তিগত কৰ্ম্মফল নাই। ঠিক সেই দৰেই যি মানুহৰ সংস্কাৰ নিৰোধ হৈছে, তাৰ বাবে কোনো পাপ বা পুণ্যও নাই। যথা

বুদ্ধিযুক্তো জহাতীহ উভে সুকৃতদুষ্কৃতে।

গীতা ২।৫৪

ঠিক এই কথাটোকে উপনিষদেও কৈছে। [ব্র সূ ৪।১।১৪

* সাংখ্যই নানা ৰকম যুক্তিৰে দেখুৱাইছে যে আমাৰ অন্তঃকৰণত ভাৱৰ ক্রিয়াৰ বাহিৰে আৰু একো নাই। বহির্জ্জগতত যেনেকৈ স্থূল শক্তিৰ ক্রিয়া ৩টা স্বাভাৱিক নিয়মৰ অধীনে হয়, আমাৰ অন্তঃকৰণতো সূক্ষ্ম শক্তিৰ (ভাৱৰ) ক্রিয়াও ঠিক সেই একে ৩টা নিয়মৰ অধীনেই হয়। শক্তিৰ বা ভাৱৰ ক্রিয়াৰ এই ৩টা নিয়মক সাংখ্যই "গুণ" বোলে— সত্ব ৰজস্তমো গুণ (modes of action of nature) [গীতাৰ পাতনি (৪)]

আমাৰ বেদান্ত দৰ্শন ৩৭২ পৃ চাওক] তাত কৈছে যে সংস্কাৰ নিৰোধ হোৱা জ্ঞানীৰ পুৰ্ব্বকৃত পাপ-পুণ্য বিনাশ হয় আৰু নতুন পাপ-পুণ্যই তেওঁক লিপ্ত কৰিব নোৱাৰে। পাপ-পুণ্য উভয়কে ত্যাগ নকৰিলে (অৰ্থাৎ সংস্কাৰ নিৰোধ নহলে) মুক্তি নহব।

এইদৰেই আমাৰ জীৱনৰ প্ৰত্যেক মূহুৰ্ত্তত ভাৱে ক্ৰিয়া কৰি আছে। এই ক্ৰিয়াৰ বিৰাম নাই। আমি যেন সংস্কাৰস্থ ভাবৰ সোঁতত উটি ফুৰিছো, সোঁতে যেনি টানি নিছে, সেই পিনেই গৈছো। আমি আৰু কৈ আহিছো যে এই ভাৱবোৰ নহলে আমাৰ কোনো ৰকমৰ বিষয়-জ্ঞান নহয় আৰু আমি কোনো কামো কৰিব নোৱাৰো। এই সংস্কাৰটো নহলে আমাৰ একো পাপ-পুণ্য, কৰ্ম্ম-ফল নাই। ইয়েই আমাৰ চৰিত্ৰৰ নিৰ্ণয় কৰে।

ইয়েই আমাক ঘূৰাই লৈ ফুৰাইছে। সেইবাবেই গীতাই কয়

ত্ৰিভিগুৰ্ণময়ৈৰ্ভাবৈৰেভিঃ সৰ্ব্বমিদং জগৎ।
মোহিতং নাভিজানাতি মামেভ্যঃ পৰমব্যয়ম্ ॥ ১৩

তেন্তে এতিয়া প্ৰশ্ন হল যে আমি মৰিলে এই সংস্কাৰটো আমাৰ স্থূল শৰীৰৰ লগে লগে ধ্বংস হব পাৰে নে? যদি পাৰে, তেন্তে পুনৰ্জ্জন্ম নিশ্চয় নাই, মৰিলেই সকলোশেষ।

কিন্তু যদি মৃত্যুৰ পাছতো এই সংস্কাৰটো ক'ৰবাত থাকি যায় বুলি বিশ্বাস কৰিবৰ কিবা কাৰণ আছে, তেন্তে

পুনৰ্জ্জন্ম নিশ্চয় মানিব লাগিব ; নামানি উপায় নাই।

সাংখ্যই কৈছে যে আমাৰ জীৱত্বৰ বীজ স্বৰূপ এই সংস্কাৰটো বা লিঙ্গ শৰীৰটো যদি মৃত্যুৰ লগতে ধ্বংস হয়, তেন্তে হলেতো মৰিলেই মানুহৰ নিৰ্ব্বাণ মুক্তি হব, জীৱত্ব লোপ হব। সাংখ্যই সৎকাৰ্য্য বাদৰ যুক্তিৰে আৰু দেখুৱাইছে যে লিঙ্গদেহ, কাৰণ ; আৰু স্থূল দেহ, তাৰ কাৰ্য্য ; কাৰ্য্যৰ ধ্বংস হলে কাৰণৰ ধ্বংস হব নোৱাৰে। সাংখ্যই আৰু কৈছে যে এই সংস্কাৰত দুই শ্ৰেণীৰ ভাব আছে যথা।

সাংসিদ্ধিকাশ্চভাবাঃ প্ৰাকৃতিকা বৈকৃতিকাশ্চ।

[৪৩ কাৰিকা]

অৰ্থাৎ কিছুমান ভাব পূৰ্ব্বজন্মৰ আছিল [innate] আৰু বাকী বোৰ এই জন্মত শিক্ষা বা ধৰ্ম্মাচৰণ আদি কাৰ্য্যৰ পৰা পোৱা হল [acquired]। এইদৰে সাংখ্যই যেন ধৰি ললে যে পূৰ্ব্বজন্ম এটা আছিল।

ভাৰতীয় সকলো দৰ্শনে এইদৰেই কৰিছে। তেওঁবিলাকে আগধৰি ধৰি লৈছে যে পূৰ্ব্বজন্ম এটা আছিল আৰু এইদৰে ধৰি লৈ পাছত দেখুৱাইছে যেন পুনৰ্জ্জন্মটো এটা স্বতঃসিদ্ধ স্ব-প্ৰকাশ সত্য।

কিন্তু আধুনিক মনে (অৰ্থাৎ ইউৰোপীয় মনে) এনে ধৰণৰ যুক্তিত প্ৰত্যয় নামানে আৰু শ্ৰুতি বাক্যক প্ৰমাণ বুলিও নধৰে।

সেইগুণে আমি আধুনিক যুক্তিৰে, বিজ্ঞানৰ যুক্তিৰে, ভাবি চাওঁহক :—

মৃত্যুৰ লগে লগে, স্থূল দেহৰ লগে লগে, সংস্কাৰটো ধ্বংস হব পাৰে নে নোৱাৰে ?

পাশ্চাত্য মনোবিজ্ঞানৰ সমস্যা

ইউৰোপীয় মনোবিজ্ঞানে সংস্কাৰ বুলি এটা বস্তু আছে বুলি স্বীকাৰ নকৰা হলে, কোনো কথাই নাছিল। কিন্তু স্বীকাৰ নকৰি নোৱাৰে। ইমান দিনে তেওঁবিলাকে ভাবিছিল যে লবাই সংস্কাৰ-হীন মন এটা (Tabula Rasa) লৈ জন্ম গ্ৰহণ কৰে; পাছত, লবাই লাহে লাহে জগতৰ বস্তু-বোৰ দেখি আহিলে আৰু জগতৰ ঘটনাবোৰ বুজি আহিলে সেইবোৰৰ ছাপ তাৰ মনত বৈ যায়। লৰা ডাঙৰ হৈ আহে মানে, অভিজ্ঞতাৰ লগে লগে এই ৰকমৰ জ্ঞান বাঢ়ি যায় আৰু এইদৰেই সংস্কাৰ এটা সঞ্চিত আৰু বৰ্দ্ধিত হয়।

এই মনো বিজ্ঞানে ধৰি লৈছিল যে জগতৰ বস্তুবোৰ আমি যেনে দেখিছো ঠিক তেনে, আৰু ধৰি লৈছিল যে সংস্কাৰ নহলেও আমাৰ বিষয়-জ্ঞান হবলৈ একো বাধা নাই।

কিন্তু এতিয়া ইউৰোপীয় নতুন মনোবিজ্ঞানে বুজিছে যে ওপৰত কোৱাদৰে সংস্কাৰৰ উৎপত্তি হব নোৱাৰে। নতুন বিজ্ঞান মতে জগতত কোনো বস্তুৱেই নাই; শক্তিৰ ক্ৰিয়া মাত্ৰ আছে। বস্তুৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শ—সকলো আমাৰ সংস্কাৰ-নিৰ্ম্মিত। ওপৰত কোৱা হৈছে যে এই সংস্কাৰটো আগৰে পৰা নেথাকিলে আমাৰ কোনো বিষয়-জ্ঞানেই হব নোৱাৰে। নতুন লৰা এটা যদি সংস্কাৰ-হীন হৈ ওপজে, তেন্তে বিজ্ঞানৰ নিজৰ যুক্তি মতেই, সি গভীৰ

টোপনিত পৰি থকা মানুহৰ দৰেই, নিশ্চল নিষ্ক্ৰিয় হৈ পৰি থাকিব লাগিব।

বিজ্ঞানৰ নিজৰ কথা মতেই আমি ধৰি লব লাগিব যে ওপজা লৰাৰ সংস্কাৰ আছে আৰু সি এই সংস্কাৰ লৈহে ভূমিষ্ঠ হৈছে। এই সংস্কাৰটো সি কেনেকৈ পালে? আমি ওপৰত কৈ আহিছো যে জাগতিক ভাৱৰ সমষ্টিয়েই সংস্কাৰ। লৰাই মাতৃ গৰ্ভত জগৎ দেখা নাছিল। জাগতিক ভাৱবোৰ সি কেনেকৈ পালে? যদি পূৰ্ব্বজন্ম নাছিলেই, যদি লৰাই মাতৃ গৰ্ভতো জগৎখন দেখা নাছিল, তেন্তে জগতৰ এই ছাপবোৰ তাৰ মনলৈ ক'ৰ পৰা আহিল?

সংস্কাৰ আৰু জগজ্ জ্ঞান অন্যোন্যাশ্ৰয়ী। সংস্কাৰ নহলে জগজ্ জ্ঞান নহয়, ইকালে আকৌ জগজ্ জ্ঞান নহলে সংস্কাৰ সঞ্চিত নহয়:--- যেনে, গছ আৰু গুটি, গছ নহলে গুটি নহয় আৰু গুটি নহলে গছ নহয়। কোনটো আগ? বিজ্ঞানে এতিয়া আমাৰ প্ৰশ্নৰ উত্তৰ দিব পৰা হলে, পুনৰ্জ্জন্ম হয় একেবাৰে প্ৰমাণ হৈ গল হেতেন বা একেবাৰে অপ্ৰমান হৈ গল হেতেন। বিজ্ঞানে আমাৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। এডিংটনে আমাৰ আপত্তিটো বুজিছে আৰু এইদৰে কৈছে:—

... ...(This question) may be like enquiring whether the hen comes first or the egg; and it is not very important to decide. We might well leave the question open,

whether the "form of thoughts" that dominate our out-look are acquired or innate.

[**Philosophy of Physical Science—P. 112**].

অৰ্থাৎ :—"কণী নহলে কুকুৰা নহয়, আকৌ কুকুৰা নহলে কণী নহয়। কুকুৰাৰ সৃষ্টি আগ নে কণীৰ সৃষ্টি আগ, কোনে ক'ব? আৰু সেইটো আমাৰ জনাৰো আৱশ্যক নাই। আমাৰ সংস্কাৰটো আগৰে আছিল নে পাছত আমি পালো, সেই প্ৰশ্নটি আমি পাছলৈ থব পাৰো।"

এয়ে এতিয়া পাশ্চাত্য মনোবিজ্ঞানৰ এটা মহা সমস্যা, এটা **vicious circle**—কণী আগ নে কুকুৰা আগ [সাংখ্যই এই প্ৰশ্নৰ কেনেকৈ নিষ্পত্তি কৰিছে, সেই বিষয়ে বিজ্ঞানৰ সিপাৰে, ৫১ পৃষ্ঠা চাওক]

এডিংটনে যি ক'লে, তাতকৈ আৰু তেওঁ বেচি কৰ নোৱাৰে। বৈজ্ঞানিক হিচাপে তেওঁ বিজ্ঞানৰ পদ্ধতিৰ বাহিৰলৈ যাব নোৱাৰে। ঈশ্বৰৰ অস্তিত্ব মানি বা পূৰ্ব্বজন্ম এটা মানি বৈজ্ঞানিক বিচাৰ হব নোৱাৰে। সেইগুণে তেওঁ একো উত্তৰ নিদি কথাটো পাছলৈ থলে। তেওঁ আশা কৰিছে যে নতুন মনোবিজ্ঞানৰ উন্নতিৰ লগে লগে, কথাটোৰ এটা মীমাংসা হব।

আমি কিন্তু বিশ্বাস কৰোঁ যে বাস্তৱিক বিজ্ঞানে এইবোৰ কথাৰ মীমাংসা কেতিয়াও কৰিব নোৱাৰিব। এইবোৰ বিজ্ঞানৰ বিষয় নহয়। প্ৰাণ শক্তি কি, বিজ্ঞানে

নেজানে। বহুত দিনৰ পৰা বৈজ্ঞানিক উপায়েৰে স্থূল শক্তি বা দ্ৰব্যৰ পৰা প্ৰাণ শক্তি নিৰ্ম্মাণ কৰিবলৈ অহো-পুৰুষাৰ্থ কৰিও, বিজ্ঞান কৃতকাৰ্য্য হ'ব পৰা নাই; আৰু হ'ব যে পাৰিব, তাৰো আশা নাই। তথাপি আমি বিজ্ঞানৰ পৰা এইটো বুজিলো যে সংস্কাৰটো আছে গুণেহে মানুহৰ বিষয়-জ্ঞান হয়। ওপজা লবাৰ সংস্কাৰ এটা থকা হে সম্ভৱ। ইয়াতকৈ বেচি আমি বিজ্ঞানৰ পৰা আশা কৰিব নোৱাৰো।

এই জন্মান্তৰ বাদ সম্পৰ্কে আৰু এজন বৈজ্ঞানিকে কৈছে :—

There is nothing in the analogy of Nature against it and very much to support it.

[Huxley]

ভেন্তে বিজ্ঞানে যেতিয়া আমাক সঠিক একো ক'ব নোৱাৰে, পুৰাণৰ পৰা আমাৰ কিবা সহায় হ'ব নে? উপনিষদৰ কথাকেহে পুৰাণে সাধাৰণ মানুহে বুজিব পৰাকৈ ৰং-ৰহণ লগাই গল্পচ্ছলে কয়। তাত নিশ্চয় কিবা পাম।

জন্মান্তৰ নে বিবৰ্ত্তন ?

পুৰাণে আৰু সাংখ্য দৰ্শনেও কয় যে এই সৃষ্টিত মুঠেই ১৪ ৰকমৰ জীৱ আছে অৰ্থাৎ ১৪ ৰকৰম সূক্ষ্ম শৰীৰ আছে, কাৰণ প্ৰত্যেক শ্ৰেণীৰ জীৱৰ সূক্ষ্ম শৰীৰ বেলেগ বেলেগ। যথা—

অষ্ট বিকল্পো দৈবস্তৈৰ্য্যগ্ যোনশ্চ পঞ্চধা ভবতি।
মনুষ্যশ্চৈক বিধঃ সমাসতো ভৌতিকঃ সৰ্গঃ ॥

[সাংখ্য ৫৩ কাৰিকা]

পোন প্ৰথমতে জগতৰ প্ৰাণীক তিনি শ্ৰেণীত ভাগ কৰিছে—মানুহ, দেৱতা, তিৰ্য্যক্।

দৈব সূক্ষ্ম শৰীৰ ৮ ৰকমৰ :—ব্ৰাহ্ম্য (ব্ৰহ্ম লোকসম্বন্ধীয়), প্ৰাজাপত্য (প্ৰজাপতি লোক সম্বন্ধীয়); ঐন্দ্ৰ, পৈত্ৰ, গান্ধৰ্ব্ব, যাক্ষ, ৰাক্ষস, পৈশাচ। (ইন্দ্ৰ, পিতৃ গন্ধৰ্ব্ব, যক্ষ, ৰাক্ষস, পিশাচ লোক সম্বন্ধীয়)।

তিৰ্য্যক্ ৫ ৰকমৰ :—পশু, পক্ষী, কীট-পতঙ্গ, সৰী-সৃপ আৰু স্থাবৰ।

দৈৱ সৰ্গত জীৱৰ অকল লিঙ্গশৰীৰ আৰু সূক্ষ্ম-শৰীৰহে আছে। সেই সৃষ্টি সূক্ষ্ম পদাৰ্থেৰে নিৰ্ম্মিত। তাত সূক্ষ্ম শৰীৰেৰেই জীৱই ভোগ কৰে। স্থূল শৰীৰৰ

আৱশ্যক নাই। এইবোৰ কথা ওপৰত কোৱা হৈছে। মানুহ আৰু তিৰ্য্যগ্ জাতিৰ প্ৰাণীৰ বাসস্থান স্থূল জগৎ। সেইগুণে সিহঁতৰ লিঙ্গ শৰীৰ, সূক্ষ্ম শৰীৰ আৰু তাৰ উপৰিও ভোগায়তন স্থূল শৰীৰ এটিৰ আৱশ্যক।

এতিয়া পুৰাণ, উপনিষদ্, সাংখ্য দৰ্শন—সকলোৱে কয় যে এই ১৪ বিধ জীৱৰ সুখ-দুখ ভোগ, জ্ঞান আৰু শক্তি একে নহয়। যেনে, উপনিষদত আছে যে গন্ধৰ্ব্বৰ আনন্দৰ পৰিমাণ মনুষ্যৰ আনন্দৰ ১০০ গুণ অধিক। (তৈঃ ২।৮)। আৰু সেইদৰে ওপৰলৈ যায় মানে আনন্দৰ পৰিমাণো ক্ৰমে-বাঢ়ি যায়। সকলো শ্ৰেণীৰ জীৱৰ ভোগ দেখাতে একে ৰকমৰ নহয়। ১৪ শ্ৰেণীৰ জীৱৰ প্ৰত্যেকৰ বেলেগ বেলেগ ৰকৰম ভোগ। সাংখ্য দৰ্শনে কয় যে ব্ৰহ্মাৰ পৰা তৃণ এডাললৈকে সকলো প্ৰাণী একে ৰকমেই সৃষ্ট হৈছে, কিন্তু সিহঁতৰ জ্ঞান, শক্তি আৰু আনন্দ ওপৰলৈ যায় মানে ক্ৰমে বেচি হৈ যায়। (আমাৰ সাংখ্য দৰ্শন ৭৭-৭৮ পৃঃ আৰু ১৪৮ পৃঃ চাওক)

এই সংসাৰখন তেন্তে সংস্কাৰৰ ক্ৰমোন্নতি। ভোগ, জ্ঞান, আনন্দ আৰু ঐশ্বৰ্য্যৰ ক্ৰমোন্নতি। জন্মান্তৰৰ মাজে এই ক্ৰমোন্নতি হয়। সাংখ্যই কৈছে যে, এই জগতৰ উদ্দেশ্যই এই যে নানা ৰকম জন্ম, নানা ৰকম ভোগৰ মাজে জীৱৰ অপবৰ্গ হব—জ্ঞান, আনন্দ, ঐশ্বৰ্য্য (অলৌকিক কৰ্ম্মশক্তি) এইবোৰ ক্ৰমে বাঢ়ি যাব।

পুৰাণে আৰু তন্ত্ৰই কয় * যে ৮২০০০০০ তিৰ্য্যগ যোনিত পৰিভ্ৰমণ কৰিহে মনুষ্য জন্ম লাভ হয়। মনুষ্য জন্মৰ পৰা জীৱ (অত্যুৎকট পাপ নকৰিলে) আৰু নীচ যোনিলৈ নামি যাব নালাগে। অত্যুৎকট পাপৰ ফলত নীচ যোনিলৈ নামি যোৱা দৃষ্টান্তও পুৰাণে দিছে—যেনে, অহল্যা শিল হল।

অসংখ্য তিৰ্য্যগ্ যোনিৰ ভিতৰত যেনে জ্ঞান আৰু আনন্দৰ তাৰতম্য দেখা যায়, মনুষ্য লোকতো তেনে। এটা অসভ্য মানুহৰ জ্ঞান আৰু আনন্দ, এজন দাৰ্শনিক পণ্ডিতৰ

*(১) স্থাবৰং বিংশতের্লক্ষং জলজং নবলক্ষকম্।
কুৰ্ম্মাশ্চ নবলক্ষঞ্চ দশলক্ষঞ্চ পক্ষিণঃ।
ত্ৰিংশল্লক্ষং পশূনাঞ্চ চতুৰ্লক্ষঞ্চ বানৰাঃ।
ততো মনুষ্যতাং প্ৰাপ্য ততঃ কৰ্ম্মাণি সাধয়েৎ।
[বৃহৎ বিষ্ণু পুৰাণ]

বিষ্ণু পুৰাণৰ এই শ্লোক মতে ৮২০০০০০ তিৰ্য্যগ্ যোনি পাৰ হৈ হে মনুষ্য যোনিত জন্ম হব পাৰে। আৰু ইয়াত বুজাইছে যে পশু আৰু মানুহৰ পাৰ্থক্য এই, যে পশুৱে ঈশ্বৰ এজন আছে বুলি ধাৰণা কৰিব নোৱাৰে; মানুহে পাৰে; সেইগুণে মানুহ হৈ হে "কৰ্ম্মানি সাধয়েৎ"—অৰ্থাৎ ধৰ্ম্ম-কৰ্ম্ম কৰিব পাৰে।

(2) Thus the Tantras assigh eighty millions of plant and animal lives as the sum of the preparations for a human birth.

Sri Aurobinda,
The Problem of Rebirth. P. 15.

জ্ঞান আৰু আনন্দৰ সমান নহয়। আৰু ঠিক একে ৰকমৰো নহয়।

ওপৰত উল্লেখ কৰা ৫৩ কাৰিকাৰ ১৪ বিধ সৰ্গক (সৃষ্টিক) সাংখ্যই ভৌতিক সৰ্গ বুলিছে। তাৰ পাছতে ৫৪ কাৰিকাত কৈছে যে, দৈব ৮ বিধ শৰীৰ সত্ত্ব বিশাল অৰ্থাৎ এইবোৰ উৰ্দ্ধ শ্ৰেণীৰ জীৱ। একেবাৰে তলৰ শ্ৰেণীৰ (তিৰ্য্যগ্ যোনি) তমো বিশাল আৰু মনুষ্য ৰজো বিশাল। যথা :—

ঊৰ্দ্ধং সত্ত্ববিশাল স্তমোবিশালশ্চ মূলতঃ সৰ্গঃ।

মধ্যে ৰজোবিশালো ব্ৰহ্মাদিস্তম্ব পৰ্য্যন্তঃ॥

ইয়াত দেখা যায় যে স্থাবৰ যোনিৰ পৰা ক্ৰমে ওপৰলৈ যায় মানে জীৱৰ সত্ত্বগুণ (জ্ঞান আৰু আনন্দ) বৃদ্ধি হৈ যায়। তাৰ পাছত ৫৬ কাৰিকাত সাংখ্যই কৈছে :—

ইত্যেষ প্ৰকৃতি কৃতো মহদাদিবিশেষভূত পৰ্য্যন্তঃ।

প্ৰতি পুৰুষ বিমোক্ষাৰ্থং স্বাৰ্থ ইব পৰাৰ্থ আৰম্ভঃ॥

অৰ্থাৎ এই ভৌতিক সৰ্গ, প্ৰত্যেক পুৰুষৰ মোক্ষৰ বাবে প্ৰকৃতিয়ে সৃষ্টি কৰিছে। প্ৰত্যেক জীৱই এই সৰ্গবোৰ বগাই গৈহে মোক্ষলাভ কৰিব লাগিব। আৰু কৈছে যে এই ভৌতিক সৰ্গত জীৱই স্বাভাৱিক নিয়মেই ধাৰে বাৰে জৰা মৰণৰ দুখ ভোগ কৰে, যেতিয়ালৈকে লিঙ্গ শৰীৰ থাকে।

তত্র জৰা মৰণকৃতং দুঃখং প্ৰাপ্নোতি চেতনঃ পুৰুষঃ।
লিঙ্গস্যাবিনিবৃত্তেস্তস্মাদ্দুঃখং স্বভাবেন॥
[৫৫ কাৰিকা]

এইদৰে সাংখ্যই বহু ৰকমেৰে কৈইবা ঠাইতো কৈছে যে এই ১৪ ৰকমৰ সৃষ্টিত ঘূৰি ঘূৰি জন্ম গ্ৰহণ কৰিছে জীৱৰ মোক্ষ হব আৰু যে এই জন্মান্তৰ কাৰ্য্যটি প্ৰকৃতিৰ কাৰ্য্য, অৰ্থাৎ স্বাভাৱিক ঘটনা। পুৰুষৰ মঙ্গলৰ বাবে প্ৰকৃতিয়ে কৰায়:—

পুৰুষবিমোক্ষনিমিত্তং তথা প্ৰবৃত্তিঃ প্ৰধানস্য।
পুৰুষস্য বিমোক্ষাৰ্থং প্ৰবৰ্ত্ততে…
[৫৭ - ৫৮ কাৰিকা]

* বিশেষ দ্ৰষ্টব্য :—এই কাৰিকাটিৰ অৰ্থ এনে নহয় যে পুৰুষে জন্ম গ্ৰহণ কৰি দুখ ভোগ কৰে। জন্ম গ্ৰহণ লিঙ্গ শৰীৰৰ কাৰ্য্য। পুৰুষ লিঙ্গ দেহৰ অধিষ্ঠাতা [সাংখ্য ১৭ কাৰিকা, আমাৰ সাংখ্য দৰ্শন ৫৯-৬০ পৃঃ]

সাংখ্যই কয় (কঠোপনিষদেও কয়) যে এই দেহ যেন এখন ৰথ বা motor car; পুৰুষ যাত্ৰী, motor car খন অনৱৰত ১৪ ভৌতিক সৰ্গত চলি আছে; প্ৰকৃতিয়ে চলাইছে। যেয়া বাটেদি যাওঁতে গাড়ীয়ে দুখ পাইছে, যত ক্ৰিয়া গাড়ীত হৈছে যাত্ৰী লৰ-চৰ নকৰাকৈ বহি আছে, কিন্তু যেয়া বাটৰ জোকাৰণি, কষ্ট, সকলো যাত্ৰীজনে সহ কৰিব লাগিছে। এয়ে সাংখ্যৰ জীৱ-তত্ত্ব। পুৰুষ অকৰ্ত্তা, নিষ্ক্ৰিয়; কিন্তু দেহত আত্ম-ভাব হোৱা বাবে দেহৰ সকলো দুখ-সুখ পুৰুষে ভোগ কৰে।

তাৰ পাছত সাংখ্যই আৰু ক'লে যে যেতিয়া পুৰুষে সমস্ত প্ৰকৃতিক ভোগ কৰি সকলো বুজে আৰু বুজিবলৈ একো বাকী নাথাকে, তেতিয়া পুৰুষৰ মোক্ষ হয়। ৬০ কাৰিকাত আকৌ ক'লে যে প্ৰকৃতিয়ে যি কৰে সকলো পুৰুষৰ মিলনৰ বাবে হে কৰে। এইদৰেই সাংখ্যই আৰু সকলো পুৰাণে কয় যে জন্মান্তৰটো, স্থাবৰ যোনিৰ পৰা দেব-যোনি পৰ্য্যন্ত পুৰুষৰ ক্ৰমোন্নতি মাত্ৰ।

বেদান্তৰ দৃষ্টিৰে শ্ৰীঅৰবিন্দই এই একে কথাকে কৈছে। তেওঁ কয় যে এই জগৎ ব্ৰহ্মৰ আত্ম-প্ৰকাশ মাত্ৰ: ই যেন অজ্ঞান জড়-শক্তিৰ চিৎ শক্তিৰ কালে ক্ৰমোন্নতি [Evolution from matter to spirit] তেও কয় যে জন্মান্তৰ বাদ আচলতে অদ্বৈত বাদৰ পৰিশিষ্ট; দুয়োটা একেলগে নুবুজিলে, এটাও ভালকৈ বুজা নহয়। তেওঁ আৰু কৈছে :—

"......all birth is a progressive self-finding —a means of self-realisation—to grow in knowledge, in power, in delight—"

[The Problem of Rebirth. P. 82]

মছলমান ধৰ্ম্মৰ চুফি সম্প্ৰদায়ে পুনৰ্জন্ম মানে। এই সম্প্ৰদায়ৰ এজন সাধকে তেওঁৰ "মেচ্নাভি" নামৰ প্ৰসিদ্ধ দাৰ্শনিক ধৰ্ম্ম গ্ৰন্থত এইদৰে লিখিছে :—

"I died from the mineral and became a

plant; I died from the plant and reappeared in an animal; I died from the animal, and became a man.

Wherefore, then, should I fear? When did I grow less by dying? Next time, I die from the man, that I may grow the wings of the Angel.

ইয়াৰ অৰ্থ এই :—

"মই জড় জগতৰ পৰা মৰি গছ হলোঁ, গছৰ পৰা মৰি পশু হলোঁ, পশুৰ পৰা মৰি মানুহ হলোঁ। তেন্তে, মোৰ কি ভয়? মৰি মই কেতিয়া সৰু হ'লোঁ? (প্ৰত্যেক জন্মত ক্ৰমোন্নতি হ'ল)

এতিয়া আকৌ মানুহৰ পৰা মৰি মই পাখি গজাই দেৱ-দূত হ'ম।"

এই কথাখিনি আমাৰ পুৰাণৰ লগত একেবাৰে মিলে।

বৌদ্ধ দৰ্শন বহুত কথাত, বিশেষতঃ জন্মান্তৰ বাদ সম্পৰ্কে, [illegible] দৰ্শনৰ লগত প্ৰায় আখৰে আখৰে মিলে। বৌদ্ধ দৰ্শনেও কয় যে জন্মান্তৰ আচলতে সংস্কাৰৰ ক্ৰমোন্নতি মাত্ৰ। সংস্কাৰৰ উৎকৰ্ষ সাধন হৈ আহিলে এটা দেহ এৰি আন এটা দেহ ধাৰণ কৰা [illegible] [illegible] এটা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

হৈ আছে আৰু সেইগুণে তাক ক্ৰমে ডাঙৰ ডাঙৰ জোলা লগা হয়

বৌদ্ধ দৰ্শনেও কয় যে এই ক্ৰমোন্নতি বা বিবৰ্ত্তন নৈসৰ্গিক নিয়মেই হয়। ই স্বভাৱৰ কাৰ্য্য।

পাঠকসকলে মন কৰিব যে ওপৰত যি বিবৰ্ত্তনৰ কথা কোৱা হ'ল, সেইটো ডাৰ্হ্বিনৰ বিবৰ্ত্তন বাদ নহয় (Darwin's Theory of Evolution নহয়)। ডাৰ্হ্বিনৰ মতে ক্ৰমোন্নতি বংশানুক্ৰমে হয় আৰু ই দেহ-গত বা জাতি-গত ক্ৰমোন্নতি। সাংখ্য মতে ক্ৰমোন্নতি বংশানুক্ৰমে নহয়; ই জন্মানুক্ৰমেহে হয় আৰু ই অকল এটি ব্যক্তি-গত সংস্কাৰৰ জ্ঞান, ঐশ্বৰ্য্য আৰু আনন্দৰ ক্ৰমোন্নতি। ডাৰ্হ্বিনে ভাবে যে পিতৃ-মাতৃৰ দেহৰ সাদৃশ্য সন্তানে উত্তৰা-ধিকাৰী সূত্ৰে পায়। সাংখ্যই এই কথা ঠিক এইদৰে স্বীকাৰ নকৰে। আমি তলত দেখুৱাম যে সাংখ্যমতে পিতৃ-মাতৃৰ লগত সন্তানৰ অনেক সৌসাদৃশ্য সদায় থাকে; কিন্তু সেই সৌসাদৃশ্যৰ কাৰণ বেলেগ।

সাংখ্যমতে মাতৃগৰ্ভত স্থূল আৰু ষাট্‌কৌষিক ভ্ৰূণ শৰীৰ সংস্কাৰে (অৰ্থাৎ নতুন জীৱৰ লিঙ্গ শৰীৰে) নিৰ্ম্মাণ

* "This is like a child to whom the boat has become too small with the growth of his body."
[The Spirit of Budhism—
by H. S. Gour, P. 350]

কৰে বুলি আমি ওপৰত কৈ আহিছো। সাংখ্যাই ৩৯ কাৰিকাত কৈছে যে এই স্থূল দেহৰ স্থূল উপাদান দুটি— পিতৃ-বীৰ্য্য আৰু মাতৃ-শোণিত। পিতৃ-বীৰ্য্যৰ পৰা অস্থি, মজ্জা আৰু স্নায়ু নিৰ্ম্মিত হয়। মাতৃ-ৰক্তৰ পৰা লোম, মাংস আৰু তেজ নিৰ্ম্মিত হয়। (৩৯ কাৰিকাৰ ভাষ্য চাওক)

কুমাৰে যেনেকৈ কুমাৰ-মাটি উপাদান লৈ এখন প্ৰতিমা গঢ়ে, নতুন জীৱৰ সংস্কাৰেও (লিঙ্গদেহে) সেই দৰেই পিতৃ-বীৰ্য্য আৰু মাতৃ-শোণিত উপাদান লৈ ষাট কৌষিক দেহটো ৰচনা কৰে। প্ৰতিমাৰ সৌন্দৰ্য্য, গঠন, ৰং, এইবোৰ কুমাৰ-মাটিত নাছিল। কুমাৰৰ মনত হে ভাৱ ৰূপে আছিল। সেইগুণে ওপৰত সাংখ্যাই ক'লে যে স্থূল-শৰীৰৰ সকলো আকৃতি, অসম্পুৰ্ণতা, সকলো ইন্দ্ৰিয়বৈকল্য বা সকলো ব্যাধিৰ বাবে নতুন জীৱৰ লিঙ্গ শৰীৰৰ ভাৱবোৰ হে দায়ী। পিতৃ-মাতৃ সিমান দায়ী নহয়।

ডাৰ্বিনে ইয়াৰ বিপৰীত কথাটো কৈছে। এতিয়া, কোনে ক'ব পাৰে, সাংখ্যৰ কথাই ঠিক নে ডাৰ্বিনৰ কথাই ঠিক ?

এইবোৰ কথা আজি বহুত দিনৰে পৰা ইউৰোপত বৈজ্ঞানিক পদ্ধতিৰে আলোচনা কৰা হৈছে। এতিয়াও কিন্তু Mendelian theory of heredity সম্পূৰ্ণ হোৱা নাই। যি ভাবে আলোচনা চলিছে, আমি আশা কৰিব পাৰোঁ যে Mendelian Theory এ বৈজ্ঞানিক জগতত

আৰু এটি যুগান্তৰ আনিব। প্ৰথম যুগান্তৰ Einstein আৰু Rutherford এ আনিলে। তাৰ ফলত এতিয়া নতুন বিজ্ঞানে যেন উপনিষদৰ ভাষাৰেহে কথা কয়। এতিয়া আকৌ যদি Medelian theory of heredity এ প্ৰমাণ কৰে যে তেওঁবিলাকে যিবোৰ "Unit characters" (পৰমাণু) বিচাৰি ফুৰিছে, সেইবোৰ পাৰ্থিৱ দ্ৰব্য নহয়, ভাব-পদাৰ্থহে, তেতিয়া হলে সাংখ্যৰ কথাবোৰৰ আমি বৈজ্ঞানিক ব্যাখ্যা দিব পাৰিম। তেতিয়া হলে, সাংখ্যৰ জন্মান্তৰ, ডাৰ্ৱিনৰ বিবৰ্ত্তন বাদ আৰু Mendelian Heredity, একেবাৰে মিলি যাব। এতিয়ালৈকে যিমান অনুসন্ধান হৈছে তাৰ পৰা আমাৰ বিশ্বাস হয় যে Mendelian "Unit characters"বোৰ শেহত সূক্ষ্মশক্তি (অৰ্থাৎ ভাব) বুলিহে যেন প্ৰমাণ হব।

পাঠকসকলে এটা কথা মনত ৰাখিব যে আজিকালি ডাৰ্ৱিনৰ বিবৰ্ত্তন বাদ সম্পৰ্কে ইউৰোপীয় পণ্ডিতসকলে না না ৰকম প্ৰশ্ন কৰে। পিতৃ-মাতৃৰ সৌসাদৃশ্য সন্তানে কেনেকৈ পাব পাৰে, সেই বিষয়টো একেবাৰে অস্পষ্ট হৈ আছে। এই কথাটো প্ৰমাণ আগধৰি কৰিব নোৱাৰিলে, ডাৰ্ৱিনৰ বিবৰ্ত্তন বাদ গ্ৰহণ কৰিব নোৱাৰি। আজিলৈকে অণুবীক্ষণ যন্ত্ৰৰ দ্বাৰা যিমান জানিব পাৰি, তাৰ দ্বাৰা প্ৰমাণ হয় যে যি নিৰ্দ্দিষ্ট বীজৰ পৰা সন্তান উৎপন্ন হয়, সেই বীজ সকলো ক্ষেত্ৰত একে। মানুহৰ বেতঃ আৰু

পশুব বেতঃ শুক্রতঃ একেবাবে একে। তেন্তে মানুহব পবা অকল মানুহ, আক পশুব পবা ঠিক সেই জাতীয় পশু, কেনেকৈ উৎপন্ন হয়? ইয়াব কিয় ব্যতিক্রম নহয়? পিতৃ-মাতৃব গুণ বা সন্তানে কেনেকৈ পায়? আজিলৈকে বিজ্ঞানে এইবোব প্রশ্নব উত্তব দিব পবা নাই।

Theosophy এ এটা উত্তব দিছে। কৈছে, গর্ভাধানব লগে লগে, কর্ম্মবিধাতা সকলে—অর্থাৎ "লিপিক" "মহাবাজ" সকলে মাতৃ-গর্ভত এটা আকাশী সাঁচ (Etheric mould) সাজি দিয়ে। সেয়ে ভ্রূণ শবীব হয় গৈ।

সাংখ্য দর্শনত এনে অদ্ভুত কল্পনাব স্থান নাই। কেনেকৈ জীৱই পিতৃ-মাতৃব সৌসাদৃশ্য পায়, তাব উপযুক্ত কাবণ সাংখ্যাই দিছে। তলত সেইবোব কথা কোৱা হব (১৫শ অধ্যায়)। গৰুব পেটত মানুহ, বা মানুহব পেটত গৰু, কিয় উপজিব নোৱাবে, তাবো সুন্দব কাবণ সাংখ্যাই দিছে (১৫শ অধ্যায়)

ইয়াব আগেয়েও কোৱা হৈছে যে লিঙ্গশবীব তথা "অবিশেষ" সূক্ষ্ম শক্তি (অর্থাৎ ভাব) আক আত্মাব যেনে সি নিজে নিজব পবিণাম ঘটাব পাবে—যেনে, "অবিশেষ" স্থূল শক্তিয়ে (পূর্ব্বোক্ত পোহবে) পাবে। লিঙ্গদেহে নিজব স্থূলদেহ নিজে সাজি লয়। ইয়াত "লিপি মহাবাজব" কল্পনা অনাবশ্যক।

বেদান্ত আৰু সাংখ্য।

জন্মান্তৰ বাদ শ্ৰুতি বাক্যেৰে প্ৰমাণ নকৰিলে আৰু কোনো উপায়েৰে প্ৰমাণ নহয়। বিজ্ঞানে এইবোৰ কথা চুকি নাপায়। তথাপি যি সকলে শ্ৰুতি বাক্যক প্ৰমাণ বুলি নধৰে, তেওঁবিলাকৰ নিমিত্তে আমি ক'লোঁ। যে জন্মান্তৰ যেন এটা স্বাভাৱিক ঘটনা আৰু ই যেন এটা বিবৰ্ত্তন। ই যেন একো অসম্ভৱ ঘটনা নহয়। ভাববোৰ সূক্ষ্মশক্তি বুলি বুজিলেই, ই যেন স্বভাবৰ কাৰ্য্য। আমি আৰু দেখুৱালো যে জন্মান্তৰবাদ নেমানিলে পাশ্চাত্য নতুন মনোবিজ্ঞানত এনে এটা সমস্যা (vicious circle) ওলায়, যাৰ উত্তৰ আজিলৈকে বৈজ্ঞানিকসকলে দিব পৰা নাই। আৰু আমি ক'লোঁ। যে জন্মান্তৰবাদ মানিলেহে জগতৰ বিদ্যমান কথাৰ আমি উত্তৰ দিব পাৰোঁ।—যেনে কেঁচুৱা ল'ৰাৰ মৃত্যু ভয় আদি আচৰিত আচৰণ। ইয়াৰ বাহিৰেও প্ৰেত-তত্ত্ববিৎ পণ্ডিতসকলে অনেক দৃষ্টান্ত দিছে যে পূৰ্ব্বজন্মৰ কথা মনত থকা ল'ৰা-ছোৱালী হেনো তেওঁবিলাকে দেখিছে।

এতিয়া যদি এইবোৰ কথাৰ পৰা পাঠকসকলে পুনৰ্জ্জন্ম বিশ্বাস কৰে, তেতিয়া হলে প্ৰশ্ন উঠে যে মৃত্যু-কালত জীৱই কেনেকৈ ভৱিষ্যৎ জন্মৰ দেহটো ধাৰণ কৰিব পাৰে আৰু কেনেকৈ গৈ ভৱিষ্যৎ মাতৃৰ গৰ্ভত প্ৰৱেশ কৰিব পাৰে।

এইবোৰ বিষয়তো শ্ৰুতি-বাক্যৰ বাহিৰে আৰু কোনো প্ৰমাণ থাকিব নোৱাৰে। কোনো পাৰ্থিব দৃষ্টান্ত, তুলনা বা যুক্তি এইবোৰ কথাত খটাব নোৱাৰি। সেইগুণে তলত আমি উপনিষদৰ উক্তিবোৰ মাত্ৰ সংক্ষেপে তুলি দিম।

কিন্তু ইয়াত পাঠকসকলে এটা কথা মনত ৰাখিব। সাংখ্য আৰু বেদান্তই ঠিক একে ভাষাৰে কথা কোৱা নাই। বেদান্তই যাক "কৰ্ম্ম" বোলে, সাংখ্যই তাক "ভাব" বোলে। কথা একে, কাৰণ ভাব আৰু কৰ্ম্মৰ অ-বিনা-ভাব সম্পৰ্ক। কৰ্ম্ম নহলে সংস্কাৰৰ ৰূপান্তৰ নহয়, আৰু সংস্কাৰত ভাব নহলে কৰ্ম্ম নহয়। আমি ওপৰত কৈ আহিছো যে যি কৰ্ম্মৰ পৰা আমাৰ সংস্কাৰৰ ৰূপান্তৰ নহয়, তাক আমি কৰ্ম্মকে নোবোলোঁ। সেইগুণে বেদান্তই যাক "কৰ্ম্মসংস্কাৰ" বোলে সাংখ্যই তাক ভাবৰ সংস্কাৰ বা শুদা "সংস্কাৰ" বোলে। বেদান্তই যাক "সঞ্চিত কৰ্ম্ম" বোলে, সাংখ্যই তাক "প্ৰাকৃতিক ভাব" বোলে। বেদান্তই যাক "ক্ৰিয়মাণ কৰ্ম্ম" বোলে, সাংখ্যই তাক "বৈকৃতিক-ভাব" বোলে।

দুই দৰ্শনৰ এই ভাষাৰ পাৰ্থক্যৰ কাৰণ আছে। বেদান্তৰ মূল উদ্দেশ্য যে ব্ৰহ্মৰ স্বৰূপৰ বিষয়ে মানুহে প্ৰথমতে সামান্য জ্ঞান লাভ কৰি, বৈদিক কৰ্ম্ম আৰু উপাসনাৰ দ্বাৰা আত্ম-জ্ঞান লাভ কৰিব। এই অৰ্থত বেদান্ত দৰ্শনক ভক্তি-মাৰ্গৰ গ্ৰন্থ বুলিবও পাৰি। সন্তদাস

থাবাজীয়ে সেইদৰেই বুলিছে। (তেওঁৰ "ব্ৰহ্মদৰ্শী ঋষি ও ব্ৰহ্মবিদ্যা" চাওক)।

সাংখ্যদৰ্শনৰ উদ্দেশ্য এই যে মানুহে নিজৰ মনস্তত্ত্বটি বুজি, তাৰ আৰু চিৎশক্তিৰ প্ৰভেদ বুজি, আত্ম-জ্ঞান লাভ কৰিব অৰ্থাৎ আত্মা (পুৰুষ) যে শুদ্ধ চিৎশক্তি; সংস্কাৰৰ ভাববোৰ যে আত্মা নহয়,—এইটো কথাটো বুজিব। এইটো বুজিবলৈ হলেই সদায় "চতুৰ্ব্বিংশতি তত্ত্বাভ্যাস" কৰিব লাগিব, ভাববোৰ নিৰোধ কৰিবলৈ শিকিব লাগিব। (এয়ে পাতঞ্জলোক্ত যোগ) সেইগুণে গুৰিবে পৰা সাংখ্যই ভাবৰ কথাকেহে ক'লে। কৰ্ম্মৰ কথা কোৱা সাংখ্যৰ আৱশ্যক নাই। এই মাত্ৰ ক'লে যে কৰ্ম্মৰ পৰা ভাব হয়। কৰ্ম্ম ভাবত অন্ত হয়।
আৰু এটা কথা :—

আমি ওপৰত ক'লো যে সাংখ্য আৰু বেদান্তৰ আচল বিৰোধ এই যে বেদান্তই সুকীয়া এটা লিঙ্গ শৰীৰ আছে বুলি স্বীকাৰ নকৰে; বেদান্তই লিঙ্গ শৰীৰ আৰু সূক্ষ্ম শৰীৰ একে বুলি ভাবে (২৫ পৃঃ)। কাৰণ, লিঙ্গ শৰীৰ সূক্ষ্ম শৰীৰ এটা নহলে অভিব্যক্ত হ'ব নোৱাৰে। কিন্তু সুকীয়া লিঙ্গ শৰীৰ এটাৰ কল্পনা নকৰিলে জন্মান্তৰ হব নোৱাৰে। কাৰণ, সকলো জীৱৰ সূক্ষ্ম শৰীৰ একে নহয়—প্ৰাণীৰ সূক্ষ্ম শৰীৰ আৰু মানুহৰে সূক্ষ্ম শৰীৰৰ আকৃতি একে নহয় বুলি বেদান্তই নিজে কৈছে। ওপৰত কোৱা হ'ল যে মোটে ১৬ কলাৰ

ভিন্ন ভিন্ন সূক্ষ্ম শৰীৰ আছে; যেনে; দৈৱ, পৈত্ৰ, মনুষ্য ইত্যাদি (৬৭ পৃ)। তেন্তে এক শ্ৰেণীৰ সূক্ষ্ম শৰীৰৰ পৰা অন্য শ্ৰেণীলৈ জন্মান্তৰ কেনেকৈ হয়? এই প্ৰশ্নৰ উত্তৰ সাংখ্যই অতি সুন্দৰকৈ দিছে। তেওঁ কয় যে লিঙ্গ শৰীৰ প্ৰত্যেক জীৱৰ বেলেগ, প্ৰত্যেকৰ একোটা লিঙ্গ শৰীৰ (জীৱৰৰ বীজ) আছে (২১ পৃ) কিন্তু ই "অবিশেষ" শৰীৰ—অৰ্থাত সূৰ্য্যৰ পোহৰৰ দৰে ই অৱস্থা-ভেদে ১৪ ৰকমৰ "বিশেষ" সূক্ষ্ম শৰীৰ ধাৰণ কৰিব পাৰে (ওপৰত ২৬ পৃষ্ঠা) অৰ্থাৎ প্ৰত্যেক জীৱই অৱস্থা ভেদে ১৪ শ্ৰেণীৰ জীৱ হৈ জন্মান্তৰ গ্ৰহণ কৰিব পাৰে। এইবোৰ কথা আমি বুজিব পাৰো। কিন্তু এতিয়া বেদান্তই যদি লিঙ্গশৰীৰ নাই বুলি কয়, তেন্তে বেদান্ত মতে জন্মান্তৰ কেনেকৈ হয়? ইয়াৰ উত্তৰত কব পাৰি যে বেদান্তই সূক্ষ্ম শৰীৰৰ ওপৰত আৰু এটি "কাৰণ শৰীৰ"ৰ কল্পনা কৰে। সাংখ্যই যাক লিঙ্গশৰীৰ * বোলে, বেদান্তই তাক "কাৰণ-শৰীৰ" বোলে।

এইদৰে বুজিলে আমি বুজিম যে জন্মান্তৰ বিষয়েও বেদান্ত আৰু সাংখ্যৰ একো বিৰোধ নাই। আমি "বিজ্ঞানৰ সিদ্ধান্ত" কিতাপখনত দেখুৱাইছো যে আধুনিক নতুন বিজ্ঞানৰ যুক্তিৰে চালে অদ্বৈত বেদান্ত আৰু সাংখ্য দৰ্শনৰ বাস্তৱিক

* [illegible] সাংখ্য দৰ্শন—প্ৰথম সংস্কৰণ, [illegible] পৃঃ, ৩১৮-১৯ পৃঃ আৰু ৩৫২ পৃঃ।

কোনো বিষয়তেই বিৰোধ নাই—অৰ্থাৎ শঙ্কৰাচাৰ্য্যৰ লগত নাই।

জন্মান্তৰ বিষয়েও, উভয় দৰ্শনে কয়, সংস্কাৰৰ ধ্বংস হলেই (অৰ্থাৎ লিঙ্গ শৰীৰ বা কাৰণ শৰীৰ ধ্বংস হলেই) জীৱৰ পুনৰ্জ্জন্ম নাই (অৰ্থাৎ জীৱত্ব লোপ হয়)।

উভয় দৰ্শনেই অতি স্পষ্ট ভাবে কৈছে যে সংস্কাৰৰ ভাৱবোৰ ভোগৰ দ্বাৰা লাহে লাহে ধ্বংস হৈ আহিবৰ কাৰণেই জন্মান্তৰৰ আৱশ্যক। এনে কৰ্ম্ম, ভাৱ বা বাসনা আমাৰ সংস্কাৰত সঞ্চিত হৈ আছে, যাৰ ভোগ মনুষ্য জন্মত হব নোৱাৰে। এনেবোৰ ভাব বা বাসনা ভোগৰ দ্বাৰা শেষ কৰিবলৈ হলেই মানুহে অন্য যোনিত জন্ম গ্ৰহণ কৰিব লাগিব। (আমাৰ বেদান্ত দৰ্শন ৩৭৫ পৃঃ চাওক)।

উভয় দৰ্শনেই কয় যে ৩ শ্ৰেণীৰ জীৱই পুনৰ্জ্জন্ম গ্ৰহণ কৰিব নালাগে :—

(১) যাৰ সংস্কাৰ একেবাৰে ধ্বংস হল অৰ্থাৎ অহং-জ্ঞান নাশ হল। এনে জীৱৰ জীৱত্ব লোপ পালে। ব্ৰহ্মজ্ঞান হৈ ব্ৰহ্ম হল। "ব্ৰহ্মবিদ্ ব্ৰহ্মৈব ভবতি"। ভাৱবোৰৰ পৰা একেবাৰে পৃথক হল। যোগৰ দ্বাৰা বা নিৰ্গুণ ব্ৰহ্মৰ উপাসনাৰ দ্বাৰা এনে অৱস্থা লাভ কৰিলে, মৃত্যুৰ পাছত জন্মান্তৰ নাই। এনে মানুহৰ শৰীৰ নাশ হলেই, ব্ৰহ্মৰ লগত মিলি যায়, নিৰ্ব্বাণ মুক্তি হয়। কলৈকো গতি বা আ-গতি নহয়।

যথা :—

তেন নিবৃত্তপ্ৰসবামৰ্থবশাৎসপ্তৰূপ াবনিবৃত্তাম্।

প্ৰকৃতিং পশ্যতি পুৰুষঃ প্ৰেক্ষকবদবস্থিতঃ স্বস্থঃ ॥ ৬৫

অৰ্থাৎ প্ৰকৃতিয়ে, অজ্ঞান, ধৰ্ম্ম, অধৰ্ম্ম, ঐশ্বৰ্য্য, অনৈশ্বৰ্য্য, বৈৰাগ্য, অবৈৰাগ্য—এই ৭টা ভাৱেৰে পুৰুষক বন্ধন কৰে বা প্ৰকৃতি নিজে নিজে বান্ধ খায়। (৬৩ কাৰিকা চাওক)। সদায় চতুৰ্ব্বিংশতি তত্বাভ্যাস কৰিলে "অহং" "মম" ইত্যাদি জ্ঞান নাশ হয় (৬৪ কাৰিকা)। তেতিয়া ওপৰত কোৱা ৭ ৰকমৰ ভাব (বুদ্ধিৰ ৰূপ) একেবাৰে ধ্বংস হয়। পুৰুষৰ বিশুদ্ধ জ্ঞান হয়—অৰ্থাৎ পুৰুষ-প্ৰকৃতি-বিবেক জ্ঞান হয় আৰু পুৰুষে নিজ স্বৰূপ লাভ কৰে অৰ্থাৎ "স্বস্থ" হয় বা ব্ৰহ্মত্ব লাভ কৰে। (আমাৰ সাংখ্য দৰ্শন চাওক।)

শঙ্কৰাচাৰ্য্যই ব্ৰহ্ম সূত্ৰৰ এইদৰেই ব্যাখ্যা কৰিছে। (আমাৰ বেদান্ত দৰ্শন ৩১৭ আৰু ৩৮৩ পৃ চাওক)। কিন্তু অন্যান্য বেদান্তাচাৰ্য্য সকলে কয় যে জীৱৰ এনেকৈ নিৰ্ব্বাণ মুক্তি লাভ হব নোৱাৰে। তেওঁবিলাকে নিজৰ একো যুক্তি দিয়া নাই। মাত্ৰ উপনিষদৰ আৰু ব্ৰহ্ম-সূত্ৰৰ মন্ত্ৰবোৰৰ তেওঁবিলাকৰ মতে অৰ্থ কৰিছে। শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যা সাংখ্য দৰ্শনৰ লগত মিলে আৰু অন্যান্তৰ যুক্তিবলে আমাক সহায় কৰে।

(২) যি সকল সাধকৰ আত্ম-জ্ঞান লাভ হ'ল, কিন্তু "মই বুজিলো" "মই জানিলো" "মোৰ জ্ঞান হ'ল" এনে

অহং-জ্ঞান এতিয়াও আছে, (অৰ্থাৎ পুৰুষ প্ৰকৃতিৰ সংযোগ এতিয়াও আছে বা সংস্কাৰটো একেবাৰে সম্পূৰ্ণৰূপে ধ্বংস হোৱা নাই) তেওঁ বিলাকৰো পুনৰ্জন্ম নাই।

এওঁবিলাকৰ অহং-ভাৱৰ বাহিৰে সকলো ভাৱ নিৰোধ হল। অৰ্থাৎ বেদান্তৰ কথাৰে এওঁবিলাকে, পাপ-পুণ্য উভয়কে ত্যাগ কৰিলে। তেওঁবিলাকে চিৰশান্তি লাভ কৰে। সৰ্ব্বজ্ঞ মুক্ত পুৰুষ হৈ চিৰ-সুখী হয়, যথা :—

সতি সংযোগেঽপি তয়োঃ প্ৰয়োজনং নাস্তি সৰ্গস্য।

[৬৬ কাৰিকা]

আত্মজ্ঞান হলেও, একেবাৰে লিঙ্গদেহ নাশ নহলে, পুৰুষ-প্ৰকৃতিৰ সংযোগ থাকে। কিন্তু অহং-ভাৱৰ বাহিৰে আন সকলো ভাব ধ্বংস হোৱা বাবে, এই লিঙ্গদেহে পুনঃ সূক্ষ্ম দেহৰ সৃষ্টি কৰিব নোৱাৰে—যেনে, ভজা গুটি পচালে নগজে। (আমাৰ সাংখ্য দৰ্শন ১৭২ পৃ চাওক)। বেদান্তই কয় যে এই শ্ৰেণীৰ যোগী মৃত্যুৰ পাছত, দেৱযান পথে ব্ৰহ্ম লোকলৈ যায়। [ব্ৰহ্মসূত্ৰ ৪।৩] তেওঁবিলাক নিজে যায়, মাত্ৰ অৰ্চ্চিৰাদি দেৱতাসকলে বাটটো দেখুৱাই দিয়ে। ব্ৰহ্মলোকৰ পৰা তেওঁবিলাক আৰু সংসাৰলৈ ঘূৰি আহিব নালাগে। এওঁবিলাক অষ্টৈশ্বৰ্য্যসম্পন্ন মুক্ত পুৰুষ। ঈশ্বৰ দৰেই সৰ্ব্বজ্ঞ আৰু শক্তিমান পুৰুষ [ব্ৰ সূ ৪।৪]।

(৩) তৃতীয়তঃ আৰু এক শ্ৰেণীৰ হুৰ্ভজীয়া জীৱ আছে যাৰ পুনৰ্জন্ম নাই। সাংখ্যই কৈছে, "বৈৰাগ্যাৎ [illegible]"

(৪৫ কাৰিকা)। অৰ্থাৎ আত্ম-জ্ঞান হোৱা নাই, কিন্তু সংসাৰলৈ বিৰাগ হল (যেনে, আত্মঘাতী মানুহৰ হয়)—এনে মানুহৰ "প্ৰকৃতি-লয়" অৱস্থা হয়। সংস্কাৰত সকলোভাৱ আছে, ভোগৰ আকাঙ্ক্ষা আছে, তামসিক সকলো ভাৱ সম্পূৰ্ণ আছে, কিন্তু সংসাৰলৈ বিৰাগ। এনে মানুহৰ মৃত্যু হলে, সূক্ষ্ম দেহ ধ্বংস হলে, লিঙ্গ শৰীৰ মাত্ৰ বাকী থাকে। কিন্তু এই লিঙ্গ শৰীৰে সংসাৰলৈ বিৰাগ হোৱা বাবে আৰু নতুন সূক্ষ্ম শৰীৰ সৃষ্টি নকৰি, প্ৰকৃতি লীন হৈ থাকি যায়। এইটো এটা অতি সাংঘাতিক অৱস্থা। ভোগৰ আকাঙ্ক্ষা আছে, কিন্তু ভোগায়তন শৰীৰ নাই। সাংখ্য সূত্ৰত কৈছে (৩ ৪) যে এই অৱস্থা ঠিক যেন পানীত পৰা মানুহৰ অৱস্থা। ভোগৰ দ্বাৰা বাসনা ক্ষয় নকৰি বৈৰাগ্য লাভ কৰিলে এনে অৱস্থা হয়। আত্মঘাতী মানুহৰ এই অৱস্থা। পুৰাণে কয় যে আত্মঘাতী মানুহে বতাহত ওলমি থকাৰ দৰে থাকে, আৰু কল্পান্তকাল সেইদৰে থাকে। গয়াৰ প্ৰেত-শিলাত পিণ্ড দিলে হেনো আত্মঘাতী মানুহে পুনঃ সূক্ষ্মদেহ ধাৰণ কৰিব পাৰে।

এই তিনি শ্ৰেণীৰ বাহিৰে সকলো জীৱৰ জন্মান্তৰ হয়।

কেনেকৈ মৃত্যু কালত ভোগায়তন সূক্ষ্ম দেহৰ আৰু স্থূল, [illegible] জীৱই নতুন সূক্ষ্মদেহ ধাৰণ কৰি জন্মান্তৰ গ্ৰহণ কৰে, সেইবোৰ কথা বৃহদাৰণ্যক আৰু ব্ৰহ্ম সূত্ৰত কোৱা হৈছে। তাৰে আমি এতিয়া সাংখ্যৰ লগত মিলাই, সংক্ষেপে, আলোচনা কৰিম।

মৃত্যু

মৃত্যুকালত প্ৰথমতে মানুহৰ বাক্-বোধ হয়। কিন্তু তেতিয়াও মনৰ ক্ৰিয়া চলি থাকে। ক্ৰমে সকলো ইন্দ্ৰিয় বিকল হয় আৰু নিজ নিজ বৃত্তি হেৰুৱাই মনত প্ৰৱেশ কৰে। মন প্ৰাণত প্ৰৱেশ কৰে [ব্ৰঃ সূঃ ৪।২।১] প্ৰাণ নিজ-কাৰণ লিঙ্গ দেহত প্ৰৱেশ কৰে। মন, প্ৰাণ, ইন্দ্ৰিয় আদিৰ সমষ্টিয়েই সূক্ষ্ম দেহ। এই সূক্ষ্ম দেহ নাশ হ'ল। এতিয়া মাত্ৰ জীৱ-চৈতন্য আৰু লিঙ্গ দেহটো বাকী থাকিল। আমি কৈ আহিছো যে এই লিঙ্গ দেহ ভাবৰ সমষ্টি মাত্ৰ। কিন্তু ইতিপূৰ্ব্বে এই ভাৱবোৰ সূক্ষ্ম দেহৰ দ্বাৰা সীমাবদ্ধ আছিল। সূক্ষ্ম দেহ নষ্ট হোৱা বাবে, জীৱৰ জন্ম-জন্মান্তৰৰ সকলো ভাৱ একেলগে উদ্ৰেক হ'ল। জন্ম-জন্মান্তৰৰ সকলো কথা জীৱৰ মনত পৰিল। উদ্ৰেক হোৱা ভাৱ বা বাসনাৰ যিবোৰ অতি প্ৰবল হ'ল, সেইবোৰ ভোগ কৰিবৰ কাৰণে, লিঙ্গ দেহে এতিয়া তাৰ নিজৰ ভোগায়তন সূক্ষ্ম শৰীৰ নিজে নিৰ্ম্মাণ কৰি ল'লে। আমি আগেয়ে কৈ আহিছো যে লিঙ্গ দেহে সূক্ষ্ম শৰীৰ নোহোৱাকৈ থাকিব নোৱাৰে আৰু সকলো ৰকমৰ সূক্ষ্ম শৰীৰ নিৰ্ম্মাণ কৰা সামৰ্থ্য ইয়াৰ আছে। মৃত্যুকালত সেইধাৰে যি ভাৱ বা বাসনাৰ দ্বাৰা ই আক্ৰান্ত হয়, সেইমতেই এটা সূক্ষ্ম শৰীৰ নিৰ্ম্মাণ কৰি লয়। [ব্ৰঃ সূঃ ৪।২।১৭ আমাৰ বেদান্ত দৰ্শন [illegible] পৃঃ]

বৃহদাৰণ্যকে কৈছে যে যেনেকৈ সোণাৰীয়ে পুৰণি সোণৰ অংশ লৈ নতুন সুন্দৰ অলঙ্কাৰ গঢ়ে, সেইদৰেই জীৱই (অৰ্থাৎ লিঙ্গ শৰীৰে) স্থূল দেহ বিনাশ হ'লে, সংস্কাৰবদ্ধ ভাৱবোধৰ কিছুমান অৱলম্বন কৰি, অভিপ্ৰীত পৈত্ৰ, গান্ধৰ্ব্ব, দৈৱ, প্ৰাজাপত্য বা অন্য জাতীয় এটি সূক্ষ্ম শৰীৰ নিৰ্ম্মাণ কৰি লয় (বৃ ৪।৪।৪)।

আকৌ কৈছে, যেনেকৈ চিনা-জোকে বননিত বগাই যাওঁতে, এডাল বনত আগধৰি মুখ দি হে ইডাল এৰে, সেইদৰেই লিঙ্গ শৰীৰেও আগধৰি এটা সূক্ষ্ম শৰীৰ নিৰ্ম্মাণ কৰিহে, আৰু তাকে অৱলম্বন কৰিহে পুৰাতন দেহ ত্যাগ কৰে।

গীতাই সেইগুণেই কৈছে যে মৃত্যুকালত মানুহে যি যি ভাব স্মৰণ কৰে, মৃত্যুৰ পাছত তাকেহে পায় (গীতা ৮।৬)।

জীৱই এতিয়া এই নতুন সূক্ষ্ম দেহ ধাৰণ কৰা মাত্ৰ তাৰ সকলো ভাৱ এই সূক্ষ্ম দেহৰ দ্বাৰা সীমাবদ্ধ হ'ল। (এইবিলাক ভাৱকে বেদান্তই "প্ৰাৰব্ধ-কৰ্ম্ম" বোলে)। এই বিলাক ভাৱৰ বাহিৰে, আন যিবোৰ ভাৱ বা বাসনা তাৰ মনত মৃত্যুকালত উদয় হৈছিল সেই সকলোবোৰ আকৌ [illegible] সংস্কাৰত, বিস্মৃতিৰ গৰ্ভত লুকাই, সোমাই পৰে। [illegible] পূৰ্ব্বজন্মৰ কথা স্মৰণ কৰিব নোৱাৰে।

[illegible] পাতঞ্জলে কয় যে উপযুক্ত [illegible]

দ্বাৰা, সংস্কাৰৰ সাক্ষাৎ লাভ কৰিব পাৰিলে সাধকৰ পূৰ্ব্বজন্মৰ কথা মনত পৰিব পাৰে। যথা :—

* "সংস্কাৰ সাক্ষাৎ কৰণাৎ পূৰ্ব্বজাতিজ্ঞানম্"।

[পাতঞ্জল ৩।১৮]

এতিয়া এই নতুন সূক্ষ্ম শৰীৰ ধাৰণ কৰি জীৱ স্বৰ্গ লৈ বা নৰকলৈ যায়, য'ত তাৰ ভোগ সাধন হ'ব পাৰে। স্বৰ্গলৈ জীৱ পিতৃযান পথে যায়। আতিবাহিক

---

* (১) কিন্তু পাঠকসকলে মনত ৰাখিব যে যোগীৰ হয় তো পূৰ্ব্বজন্মৰ কথা জানিলে লাভ হব পাৰে। আমাৰ পক্ষে হলে পূৰ্ব্বজন্মৰ স্মৃতি এই জন্মত ভোগৰ অসহ্য অন্তৰায় হব। পূৰ্ব্বজন্মা কথা সদায় মনত থাকিব লাগিলে, এই জন্মত জীয়াই থকাই এটা অসহ্য যন্ত্ৰণা হব।

(২) ওপৰত আমি ক'লোঁ যে লিঙ্গ দেহ বা সংস্কাৰ বা বুদ্ধি, বা বুদ্ধিৰ ৰূপ, এই সকলোবোৰ একে। এই কথাটো একেবাৰে ঠিক নহয়। আমাৰ লিঙ্গ দেহত সকলো জন্মৰ, সকলো জাতীয় প্ৰাণীৰ (হাতী, মানুহ, গৰু আদি সকলোৰে) উপযোগী. সকলো ৰকমৰ ভাব সঞ্চিত আছে। এই সকলোবোৰ মৃত্যুকালত উদয় হৈছিল। তাৰ ভিতৰৰ মনুষ্য জন্মৰ উপযোগী ভাববোৰহে এই জন্মৰ সূক্ষ্ম শৰীৰৰ দ্বাৰা সীমাবদ্ধ হ'ল। বাকীবোৰ আকৌ লিঙ্গ দেহত লুপ্ত হল। এই সীমাবদ্ধ ভাববোৰেই এই জন্মৰ সংস্কাৰ বা বুদ্ধি। সেইগুণে বুদ্ধি বা সংস্কাৰ লিঙ্গ দেহৰ অন্তৰ্গত; কিন্তু এই জন্মৰ বুদ্ধি বা সংস্কাৰেই গোটেই লিঙ্গ দেহ নহয়।

দেৱতাসকলে বাট দেখুৱায়। স্বৰ্গত জীৱই কি ভোগ কৰে, তাৰ অনুমান আমি কৰিব নোৱাৰো *। শ্রুতিয়ে কয় যে স্বৰ্গত অসীম আনন্দ আৰু অশেষ দেৱভোগ জীৱই দীৰ্ঘকাল ভোগ কৰে। ভোগৰ অন্তত আকৌ জীৱ পৃথিৱীলৈ ঘূৰি আহি নতুন জন্ম গ্ৰহণ কৰে। এইদৰে ঘূৰি ঘূৰি হৈ থাকে। সেইগুণে গীতাই কয়:—

ত্ৰৈবিদ্যা মাং সোমপাঃ পূতপাপা
যজ্ঞৈৰিষ্ট্বা স্বৰ্গতিং প্ৰাৰ্থয়ন্তে।

ঋগ্বেদত স্বৰ্গৰ বিৱৰণ এইদৰে দিছে:—

যত্ৰানুকামং চৰণং ত্ৰিনাকে ত্ৰিদিবে দিবঃ।
লোকা যত্ৰ জ্যোতিষ্মন্তস্তত্ৰ মাম্ অমৃতং কৃধি,
ইন্দ্ৰায়েন্দো পৰিস্ৰৱ।
যত্ৰানন্দাশ্চ মোদাশ্চ মুদঃ প্ৰমুদ আসতে।
কামস্য যত্ৰাপ্তাঃ কামাস্তত্ৰ মাম্ অমৃতং কৃধি॥

ইয়াৰ তাৎপৰ্য্য:—

"য'ত ইচ্ছামতে বিচৰণ কৰিব পাৰি, য'ত জ্যোতিষ্মান্ পুৰুষসকল আছে, য'ত আনন্দ, মোদ, প্ৰমোদ বিদ্যমান, য'ত সকলো কাম্যৰ প্ৰাপ্তি হয়, সেই ত্ৰিনাক আৰু ত্ৰিদিব নামক স্বৰ্গলোকত মোক অমৰ কৰা।"

[ইষ্ট বস্তু দেখিলে যি আনন্দ হয় তাৰ নাম "প্ৰিয়"; সেই বস্তু লাভ কৰি যি আনন্দ, তাৰ নাম "মোদ"; সেই বস্তু ভোগ কৰিলে যি আনন্দ, তাৰ নাম "প্ৰমোদ"।]

তে পুণ্যমাসাদ্য সুৰেন্দ্ৰ লোক-
মশ্নন্তি দিব্যান্ দিবি দেব ভোগান্ ॥
তে তং ভুক্ত্বা স্বৰ্গলোকং বিশালং
ক্ষীণে পুণ্যে মৰ্ত্ত্যলোকং বিশন্তি।
এবং ত্ৰয়ীধৰ্ম্মমনুপ্ৰপন্না
গতাগতং কাম কামা লভন্তে॥ ৯।২০-২১

যিবোৰ জীৱই স্বৰ্গলৈ যাব পৰা সূক্ষ্ম শৰীৰ নিৰ্ম্মাণ কৰিব নোৱাৰিলে বা কৰিবৰ যোগ্যতা নাছিল, যিবোৰে তামসিক ভাৱৰ দ্বাৰা আক্ৰান্ত হৈ নাৰকীয় দেহ নিৰ্ম্মাণ কৰি তাত সোমাল, সেইবোৰ জীৱ নৰকলৈ যায়। শ্ৰুতিয়ে নৰক, যমৰজা, চিত্ৰগুপ্ত আদিৰ উল্লেখ কৰিছে, কিন্তু জীৱক যমদূতে ধৰি নিয়ে বুলি কোৱা নাই। নৰকত জীৱই কি ভোগ কৰে, সেই বিষয়েও শ্ৰুতিয়ে বিশেষ একো কোৱা নাই। কিন্তু সেই ঠাই যে অতি নিৰানন্দ আৰু নিতান্ত দুঃখময়, তাৰ একো সন্দেহ নাই। কাৰণ শ্ৰুতিয়ে কৈছে :—

অনন্দা নাম তে লোকা অন্ধেন তমসাবৃতাঃ।
তাংস্তে প্ৰেত্যাভিগচ্ছন্তি অবিদ্বাংসোঽবুধা জনাঃ ॥ *

শ্ৰুতিয়ে আৰু কৈছে যে পুণ্যাত্মা জীৱই যেনেকৈ স্বৰ্গ আৰু পৃথিবীৰ মাজত (যেতিয়ালৈকে আত্মজ্ঞান লাভ কৰি দেবযান পথে ব্ৰহ্মলোকলৈ যাব নোৱাৰে, তেতিয়ালৈকে) অহা-যোৱা কৰি থাকে, ঠিক সেইদৰেই পাপী জীৱই

নৰক আৰু পৃথিৱীৰ মাজত অহা-যোৱা কৰি থাকে [ব্ৰ সূ ৩।১।১৩]।

নৰকত জীৱ নিদ্ৰাহীন অৱস্থাত থাকে। তামসিক ভাৱবোৰ ইমান জাগ্ৰত হৈ থাকে যে জীৱৰ টোপনি আহিব নোৱাৰে। সান্নিক জ্বৰত মানুহৰ প্ৰলাপ অৱস্থা যেনে, নৰকত জীৱৰ অৱস্থাও তেনে। এইদৰে ভোগ কৰি, যেতিয়া এই ভাৱবোৰ ক্ষীণ হয়, তেতিয়া সিহঁতৰ টোপনি আহে। এই টোপনিয়েই সিহঁতৰ মৃত্যু— অৰ্থাৎ তেতিয়াই সেই নাৰকীয় সূক্ষ্মশৰীৰ ধ্বংস হয় আৰু জীৱই নতুন সূক্ষ্মশৰীৰ লৈ আকৌ পৃথিবীত জন্ম গ্ৰহণ কৰিবলৈ আহে। এইদৰেই সংস্কাৰস্থ তামসিক ভাৱবোৰৰ ধ্বংস হবলৈকে নৰক ভোগৰ আৱশ্যকতা।

ওপৰত দুই শ্ৰেণীৰ জীৱৰ কথা কোৱা হ'ল। ইহঁত পৃথিৱীৰ পৰা স্বৰ্গলৈ বা নৰকলৈ যাতায়ত কৰি থাকে, যেতিয়ালৈকে আত্ম-জ্ঞান নহয়। এই দুই শ্ৰেণীৰ বাহিৰেও আৰু এক শ্ৰেণীৰ জীৱ আছে। সিহঁত স্বৰ্গলৈ বা নৰকলৈ যাব নালাগে। মৃত্যুৰ পাছত সিহঁতে এই পৃথিৱীতে তৎক্ষণাৎ পুনৰ্জন্ম গ্ৰহণ কৰে। [ব্ৰঃ সূঃ ৩।১।১৮ আমাৰ বেদান্ত দৰ্শন ২৬৭ পৃ চাওক] উপনিষদে কয় যে ক্ষুদ্ৰ জীৱবোৰৰ, যেনে ডাঁহ, মহ, পোক পকৰা ইত্যাদিৰ, নৰক বা স্বৰ্গলৈ যাবৰ একো আৱশ্যক নাই। সিহঁত ইয়াতে মৰে আৰু ইয়াতে জন্মে উদ্ভিদৰ খাপত জন্ম গ্ৰহণ কৰে।

এইদৰে সিহঁতৰ সংস্কাৰৰ ক্ৰমোন্নতি হৈ আছে আৰু সিহঁতে কালত ইয়াতে মনুষ্য জন্ম লাভ কৰে।

ইয়াৰ ভিতৰত স্বেদজ আৰু উদ্ভিজ্জ প্ৰাণীৰ পুনৰ্জ্জন্ম হবলৈ পিতৃ-মাতৃ-সংযোগ হ'ব নালাগে। সিহঁতে নিজেই নিজৰ লিঙ্গশৰীৰেৰেই নিজৰ সূক্ষ্ম আৰু স্থূল দেহ নিৰ্ম্মাণ কৰি লয়।

বাকী সকলো জীৱই পিতৃ-মাতৃৰ সংযোগ হলেহে, মাতৃ গৰ্ভত প্ৰবেশ কৰিলেহে, পুনৰ্জ্জন্ম গ্ৰহণ কৰিব পাৰে। কেনেকৈ এইদৰে কৰিব পাৰে, সেই বিষয় তলৰ অধ্যায়ত কোৱা হ'ব।

বৰ্ত্তমান পাঠকসকলে এটা কথা মন কৰিব। মৃত্যু-কালত উদ্ৰেক হোৱা অতি তীব্ৰ বাসনাবোৰ লৈহে জীৱই সূক্ষ্মশৰীৰটো গঢ়ি লৈছিল। এইবোৰক বেদান্তই প্ৰাৰব্ধ-কৰ্ম্ম বোলে বুলি আমি কৈ আহিছোঁ। [ব্ৰ সূ ৪।১।১৫, আমাৰ বেদান্ত দৰ্শন ৩৭৫ পৃ] নতুন সূক্ষ্ম দেহটি এই প্ৰাৰব্ধ কৰ্ম্ম ভোগ কৰাৰ অৰ্থে নিৰ্ম্মিত হৈছে। যেতিয়ালৈকে এই ভোগ সম্পন্ন নহয় তেতিয়ালৈকে সি থাকিব। ভোগ শেষ হলেহে তাৰ পতন হব। ই যেন প্ৰকৃতি-নিৰ্ম্মাণ এটি "টাইম্ বোমা" (Time Bomb)। ঠিক নিৰ্দ্দিষ্ট সময়তহে ফুটিব ; এক মিনিট ইকাল-সিকাল হব নোৱাৰে। সেইগুণে বেদান্তই কয় যে প্ৰাৰব্ধ কৰ্ম্ম ভোগ কৰাৰ আগেয়ে, যোগীৰ ব্ৰহ্মজ্ঞান হলেও, শৰীৰ ত্যাগ কৰিব নোৱাৰে।

তেওঁ জীৱন্মুক্ত হৈ জীয়াই থাকে আৰু নিৰ্দ্দিষ্ট আয়ুস্ শেষ হলেহে ব্ৰহ্মত লয় হয়। (আমাৰ বেদান্ত দৰ্শন ৩৭৫-৭৬ পৃ চাওক)

পাতঞ্জলে ঠিক বেদান্তৰ কথাৰেই কলে :

সতিমূলে তদ্বিপাকো জাত্যায়ুর্ভোগাঃ

[পাতঞ্জল ২।১৩]

অৰ্থাৎ প্ৰাৰব্ধ কৰ্ম্মই জীৱৰ জাতি, আয়ুস্ আৰু ভোগ নিৰ্ণয় কৰে।

সাংখ্যই এইবোৰ কথা সাংখ্যৰ নিজৰ ভাষাৰে কলে। যথ :—

তিষ্ঠতি সংস্কাৰবশাচ্চক্ৰভ্ৰমিবৎ ধৃতশৰীৰঃ।

(আমাৰ সাংখ্য দৰ্শন ১৭৪ পৃ চাওক) [৬৭ কাৰিকা]

এই দৰেই বেদান্ত, সাংখ্য পাতঞ্জল—সকলোৱে কলে যে আমাৰ জন্মৰ আগেয়েই আমাৰ আয়ুস্ আৰু ভোগ নিৰ্দ্দিষ্ট হৈ আছিল। ইয়াকে আগৰ দিনৰ মানুহে "পূৰ্ব্ব জন্মৰ কৰ্ম্মফল" বা "অদৃষ্ট" বুলিছিল। আজিকালি মানুহে অৱশ্যে এইবোৰ কথা বিশ্বাস নকৰে—কিন্তু কিয় যে বিশ্বাস কৰিব নোৱাৰি, তাৰ একো যুক্তি-সঙ্গত দাৰ্শনিক কাৰণো দিব নোৱাৰে।

পুনৰ্জ্জন্ম

জীৱই স্বৰ্গভোগ কৰি আকৌ পৃথিৱীলৈ আহি কেনেকৈ নতুন জন্মগ্ৰহণ কৰে, সেইবোৰ কথা শ্ৰুতিয়ে অতি বাহুল্য ভাবে আলোচনা কৰিছে। এই বিষয়টোক শ্ৰুতিয়ে "পঞ্চাগ্নি বিদ্যা" বোলে। ব্ৰহ্মসূত্ৰৰ ৩য় অধ্যায়ৰ ১ম পাদত এই পঞ্চাগ্নি বিদ্যাৰ সংক্ষেপ আলোচনা আছে। (আমাৰ বেদান্ত দৰ্শন ২৫৮--৭১ পৃ চাওক)।

আমি ওপৰত ক'লো যে সূক্ষ্মশৰীৰৰ আয়ুস্ নিৰ্দ্দিষ্ট আছে। এই সূক্ষ্মশৰীৰ লৈ জীৱ স্বৰ্গ লৈ গৈছিল। ভোগৰ অন্তত নিৰ্দ্দিষ্ট সময়ত এই সূক্ষ্ম শৰীৰৰ পতন হ'ল। এতিয়া জীৱৰ ভাৱ-ময় (অৰ্থাৎ সূক্ষ্মশক্তি-ময়) লিঙ্গ দেহটি মাত্ৰ বাকী থাকিল। জীৱত্বৰ বীজ, শুদা সূক্ষ্মশক্তি (অৰ্থাৎ ভাৱ) স্বৰূপ এই লিঙ্গদেহে পঞ্চভূতৰ পৰা সূক্ষ্ম উপাদান গ্ৰহণ নকৰিলে নিজৰ ভোগায়তন সূক্ষ্মশৰীৰ নিৰ্ম্মান কৰিব নোৱাৰে। (ওপৰত ২৭ পৃ চাওক) সেই গুণে শ্ৰুতিয়ে কৈছে :—

"পুণ্য কৰ্ম্মৰ ফল ভোগ কৰা হলে, জীৱই অৱশিষ্ট যি কৰ্ম্ম (ভাৱ) থাকে তাক লগত লৈ (সংস্কাৰ টি লৈ) আকাশত পৰে। তাৰ পাছত চন্দ্ৰময় হৈ মেঘত পৰে। তাৰ পাছত বৃষ্টিময় হৈ পৃথিৱীত পৰে। তাৰ পাছত অন্ন ময় হৈ শস্যত পৰে। তাৰ পাছত নিজৰ ভবিষ্যৎ পিতৃৰ

গাত পৰে। তাৰ পাছত শুক্ৰ-ময় হৈ ভবিষ্যৎ মাতৃৰ গৰ্ভত পৰে। তাৰ পাছত ভ্ৰূণ শৰীৰ গ্ৰহণ কৰি ভূমিষ্ঠ হয়।" অৰ্থাৎ স্বৰ্গৰ পৰা নামি আহোঁতেই লিঙ্গ শৰীৰে আকাশ, তেজ, বায়ু, অপ, অন্ন—এই পঞ্চ মহাভূতৰ সূক্ষ্ম তন্মাত্ৰৰে সূক্ষ্ম শৰীৰ ধাৰণ কৰিহে পিতৃ দেহত সোমায় হি।

"পিতৃ দেহত সোমায় হি" মানে পিতৃ দেহত কেৱল মাত্ৰ সংশ্লিষ্ট হৈ ওলমি থাকে। [ব্ৰ সূ ৩।১।২৪]। কেনেকৈ থাকে আমি অনুমান কৰিব নোৱাৰো, কাৰণ এই সূক্ষ্মশৰীৰটি দ্ৰব্য (substance) বা স্থূল শক্তি (energy) নহয়। কোনো যন্ত্ৰেৰে আমি ইয়াক দেখিব নোৱাৰো, জুখিব নোৱাৰো। এইবোৰ electron নহয়, atom নহয়। কাৰণ electron আৰু atom স্থূল (পঞ্চীকৃত) শক্তি। কিন্তু সূক্ষ্ম শৰীৰ তাৰ ওপৰৰ অপঞ্চীকৃত অতি সূক্ষ্মশক্তি (ভাৱ) মাত্ৰ।

উপনিষদে স্পষ্ট কৈছে, যে জীৱ স্বৰ্গৰ পৰা খহি পৰোতে, মূৰ্চ্ছিত অৱস্থাত থাকে আৰু পিতৃৰ শৰীৰত মাত্ৰ ওলমি থকাৰ দৰে থাকে; পিতৃৰ শৰীৰৰ পৰা কোনো উপাদান বা ভাব গ্ৰহণ নকৰে। যদি এই দৰেই হয়, তেন্তে আমাৰ মনত দুটা প্ৰশ্ন উঠে। যথা :—

(১) যদি জীৱ মূৰ্চ্ছিত অৱস্থাত থ'তে ত'তে যদৃচ্ছা-ক্ৰমে খহি পৰে, তেন্তে যেই সেই মানুহৰ গাত বা জন্তুৰ গাতো পৰিব পাৰিলেহেঁতেন। তেন্তে গৰুৰ পেটতো মানুহ উপজিব পাৰিলেহেঁতেন। সেইদৰে কিয় নহয়?

(২) যদি জীৱৰ পিতৃৰ লগত কোনো সম্বন্ধই নাই, পিতৃৰ পৰা কোনো উপাদান বা ভাৱ গ্ৰহণ কৰা নাই, তেন্তে এই সংসাৰত আমি সদায় আক সকলো বিষয়তে, বাপেক-পুতেকৰ ইমান সৌ-সাদৃশ্য কিয় দেখো ?

বাপেকৰ দেহৰ গঠন, স্বভাৱ, চৰিত্ৰ, সকলো যেন পুতেকে উত্তৰাধিকাৰী স্বত্বে পায় ? কিয় এইদৰে হয় ?

(১) আমাৰ প্ৰথম প্ৰশ্নৰ উত্তৰত পুৰাণে কয় যে জীৱৰ পিতৃ-শৰীৰৰ লগত সংযোগ কৰ্ম্ম-বিধাতাই ঘটায়। জীৱৰ কৰ্ম্ম অনুসৰি কৰ্ম্ম-বিধাতাই জীৱক উপযুক্ত পিতৃৰ ঘৰত জন্ম গ্ৰহণ কৰিবলৈ পঠিয়াই দিয়ে। আচলতে বিধাতাই জীৱক জীৱৰ নিজৰ কৰ্ম্মফল হে দিয়ে। কিন্তু উপনিষদে কয় যে জীৱক তাৰ নিজৰ "কৰ্ম্ম-সংস্কাৰে" যʼলৈ যাব লাগে তʼলৈ টানি লৈ যায়। বিধাতাৰ কথা কোৱা নাই। সাংখ্যই ঠিক একে কথাকে কʼলে। কিন্তু সাংখ্যৰ নিজৰ ভাষাৰে কʼলে, কাৰণ উপনিষদৰ কৰ্ম্ম-সংস্কাৰেই সাংখ্যৰ ভাবৰ সংস্কাৰ বা শুদা 'সংস্কাৰ'।

সৎকাৰ্য্যবাদী সাংখ্যই প্ৰথমতে কয় যে এই জগতত এনে এটি ক্ষুদ্ৰ কাৰ্য্য নাই, যিটি প্ৰকৃতিৰ কাৰ্য্য নহয়। ইয়াত দৈব (Chance) বুলি এটা কথা নাই। গছৰ পাত এটাও প্ৰকৃতিৰ (স্বভাৱৰ) ক্ৰিয়া নহʼলে সৰিব নোৱাৰে। কাৰণ নহলে কোনো কাৰ্য্য হব নোৱাৰে। কিন্তু আমি বেছিভাগ কাৰণটি নিৰ্দ্দিষ্ট কৰিব নোৱাৰোঁ,

তেতিয়া আমি "দৈবাৎ", "হঠাৎ", "যদৃচ্ছাক্রমে" ইত্যাদি শব্দবোৰ ব্যৱহাৰ কৰোঁ।' এইবোৰ শব্দৰ একো অৰ্থ নাই।* গীতায়ো কয় যে বাস্তৱিক দৈব বুলি এটা কথা নাই। (আমাৰ গীতা ৩৮২ পৃ চাওক)।

সেইগুণে সাংখ্যই কৈছে যে স্বৰ্গ ভোগ কৰি অহা সংস্কাৰবোৰ (লিঙ্গদেহবোৰ) য'তে ত'তে যদৃচ্ছাক্রমে পৰিব নোৱাৰে। য'ত জন্ম গ্ৰহণ কৰিব লাগে, তলৈ সিহঁতক সিহঁতৰ নিজৰ স্বভাৱে টানি নিয়ে। স্থূল শক্তি চুম্বকে (Magnet) যেনেকৈ নিজৰ সদৃশ শক্তি (লো এডোখৰ) হে টানি নিব পাৰে, বিসদৃশ সোণ বা ৰূপ এডোখৰ টানি নিব নোৱাৰে, সেইদৰে সূক্ষ্মশক্তি সংস্কাৰস্থ ভাবে তাৰ নিজৰ সদৃশ সংস্কাৰ এটাক হে টানি নিব পাৰে। বিসদৃশ সংস্কাৰক টানি নিব নোৱাৰে। নতুন জন্ম গ্ৰহণ কৰিবলৈ স্বৰ্গৰ পৰা নামি অহা সংস্কাৰ আৰু তাৰ ভবিষ্যৎ পিতৃৰ সংস্কাৰ, এই দুটা সংস্কাৰৰ যথেষ্ট সৌ-সাদৃশ (ভাৱৰ সৌ-সাদৃশ্য) থাকিবই লাগিব, নহলে এই দুটা সংস্কাৰৰ সংযোগ হ'ব নোৱাৰে। (হৰিহৰানন্দ স্বামীৰ কৰ্ম্মতত্ত্ব ১৩০-৩১ পৃ

---

* "Chance, that Shadow of an infinite possibility, must be banished from the dictionary of our perceptions; for, of chance we can make nothing because it is nothing. Chance does not at all exist; it is only a word by which we cover our own ignorance."
[Aurobindo—The Problem of Rebirth, P. [illegible]]

চাওক)। গীতায়ো সেই গুণেই কৈছে যে যোগভ্ৰষ্ট যোগী মৃত্যুৰ পাছত যোগীৰ কুলত হে ওপজে, যথা :—

প্ৰাপ্য পুণ্যকৃতাং লোকানুষিত্বা শাশ্বতী সমাঃ।
শুচীনাং শ্ৰীমতাং গেহে যোগভ্ৰষ্টোঽভিজায়তে॥
অথবা যোগীনামেব কুলে ভবতি ধীমতাম্।

[গীতা ৬।৪১--৪২]

এই দৰেই নতুন জীৱৰ সংস্কাৰ আৰু তাৰ ভৱিষ্যৎ পিতৃৰ সংস্কাৰ, এই দুটা সংস্কাৰে পৰস্পৰক টানি আনে, বহিৰ্জ্জগতত যেনেকৈ দুটা স্থূল পৰমাণুৱে পৰস্পৰ টানে। বহিৰ্জ্জগতত যেনেকৈ ৰসায়নিক সাদৃশ্যৰ দ্বাৰা (chemical affinityৰ দ্বাৰা) সমস্ত ৰসায়নিক ক্ৰিয়া হয়, সংস্কাৰ বোৰৰ ভিতৰতো যেন তেনে আকৰ্ষণ হৈ জীৱৰ জন্মান্তৰ হয়। ইয়াকে সাংখ্যই প্ৰকৃতিৰ বিভূত্ব যোগ বুলিছে। (৪২ কাৰিকা, আমাৰ সাংখ্য দৰ্শন ১২৭ পৃ)।

এয়ে "বৈশ্বৰূপ্যাৎ প্ৰধানস্য পৰিণামোঽয়মদ্ভুতঃ"। কিন্তু বহিৰ্জ্জগতৰ স্থূল দ্ৰব্যৰ (শক্তিৰ) আকৰ্ষণ আৰু সংস্কাৰৰ সূক্ষ্ম (ভাৱৰ) আকৰ্ষণৰ অনেক প্ৰভেদ। বহিৰ্জ্জগতৰ স্থূল শক্তিৰ আকৰ্ষণত দিক্ (Space) আৰু কাল (time) নহলে নহয়। কিন্তু সূক্ষ্ম শক্তিৰ (ভাৱৰ) আকৰ্ষণত দিগ্ব্যৱধান বা কাল ব্যৱধান নাই।

নতুন জীৱই নিজৰ পিতৃক বিচাৰি গুচি ফুৰিব নেলাগে। উভয় সংস্কাৰৰ ভাৱৰ সংযোগ তৎক্ষণাৎ হয়।

এই ৰহস্যটিৰ বিষয় এইদৰে বুজিলে ঈশ্বৰৰ মহিমাৰ সামান্য আভাস পোৱা যায়। ভাবিলে শৰীৰ ৰোমাঞ্চিত হয়, কেনেকৈ তেওঁ নিজে লুকাই থাকি এই জগৎখনত এনে নিয়ম লগাই দিছে যে ইয়াত জন্মান্তৰ আদি প্ৰত্যেক কাৰ্য্য স্বাভাৱিক নিয়মেৰেই যেন আপোনা-আপুনি হৈ গৈছে। নিয়ম লগাই দিয়াৰ (organisation) বাহিৰে এই সৃষ্টিত ঈশ্বৰৰ আৰু কোনো খণ্ড-কাৰ্য্য নাই (কথাৰে উপনিষৎ, ৫৬-৫৯ পৃ চাওক)।

২। এতিয়া ২য় প্ৰশ্ন—অৰ্থাৎ বাপেকৰ গুণ পুতেকে কেনেকৈ পায়—এই প্ৰশ্নৰ উত্তৰ বিচাৰি আমি দূৰলৈ যাব নালাগে। আমি ওপৰত কৈ আহিছো যে পিতৃ-বীৰ্য্য আৰু মাতৃ-শোণিত (যাৰ দ্বাৰা ষাট্‌কৌষিক ভ্ৰূণ দেহ গঠিত হৈছে) সৌসাদৃশ্যৰ আচল কাৰণ নহয়। হোৱা হলে একে বাপেক-মাকৰ সকলো সন্তান একে হলহেঁতেন। সেইটো দেখাতে নহয়। তাৰ বাহিৰেও মানুহৰ দেহৰ গঠন, আকৃতি, সৌন্দৰ্য্য, মনৰ ভাব, চৰিত্ৰ, স্বভাৱ, ইন্দ্ৰিয় বৈকল্য ইত্যাদি সকলো ভাব ৰূপে নিজৰ সংস্কাৰতহে থাকে। এয়ে সাংখ্যৰ সুনিশ্চিত সিদ্ধান্ত। বাপেকৰ সংস্কাৰস্থ ভাব-বোধ আৰু পুতেকৰ সংস্কাৰস্থ ভাববোধৰ লগত সৌসাদৃশ্য আছিল। নোহোৱা হলে এই দুটা সংস্কাৰৰ সংযোগেই নহলহেঁতেন। এই কাৰণ সৌসাদৃশ্যই পৰবৰ্তী সকলো সৌসাদৃশ্যৰ মূল কাৰণ।

আমি ওপৰত কৈ আহিছো যে এই সিদ্ধান্ত **Mendelian theory of heredity**এ অপ্ৰমাণ কৰা নাই। বৰং এনে আশা কৰিব পাৰি যে **Mendelian "Unit character"** বোৰ ভাব বুলিহে প্ৰমাণ হ'ব।

আমি ভাবিব নোৱাৰো, ভাবিলে আমাৰ মূৰ ঘূৰাই যায়, কেনেকৈ আমাৰ জন্মৰ আগৰে পৰা আমাৰ স্থূল শৰীৰৰ আকৃতি, আৰু আমাৰ স্বভাৱ, চৰিত্ৰ, আয়ুস্, ভোগ ইত্যাদি সকলো ঠিক হৈ আছিল।

উপসংহাৰ

আমি এতিয়ালৈকে পালোঁ যে এই জগতৰ মূলত ব্ৰহ্মৰ সংকল্প। তাৰেপৰাই জগতৰ উৎপত্তি। ব্ৰহ্মৰ শক্তিৰ বাহিৰে আৰু ইয়াত বস্তু বুলিবলৈ একো নাই। প্ৰত্যেক জীৱই ব্ৰহ্ম। ব্ৰহ্মাই যেন ছাবি দি জগৎ-যন্ত্ৰটো চলাই দিছে আৰু সি নিজে নিজে ঘড়ী চলা দ'ৰে চলি আছে। আমাৰ জন্মান্তৰো সেই যন্ত্ৰৰেই কাৰ্য্য। সৃষ্টিৰ আদিতে যিদিনা আমাৰ লিঙ্গদেহৰ সৃষ্টি হ'ল, সেইদিনাই যেন আমাৰ গোটেইবোৰ জীৱনৰ প্ৰত্যেক ঘটনাই স্থিৰ হ'ল। যেন :—

Yea, the first morning of creation wrote,
What the last dawn of Reckoning shall read.

আমি আৰু বুজিলোঁ যে ঈশ্বৰ সকলোৰে প্ৰতি সমান। সকলোকে তেওঁ ক্ৰমোন্নতিৰ বাবে আৰু শেহত আত্মজ্ঞান লাভৰ বাবে, একেটা যন্ত্ৰতে পেলাই দিছে আৰু ঠিক একে নিয়মেৰেই চলাই নিছে :

সমোঽহং সৰ্ব্বভূতেষু, ন মে দ্বেষ্যোঽস্তি ন প্ৰিয়ঃ।

[গীতা ৯।২৯]

এইদৰেই আমি আৰু বুজিলো যে ঈশ্বৰে আমাক সৃষ্টি কৰি এৰি দিছে; আমি তাৰৰ সোঁতত উটি ফুৰিছো।

সোঁতে যেনি লৈ গৈছে, সেইপিনেই গৈছো। আমাৰ একো স্বাধীনতা নাই; আমি সম্পূর্ণভাৱে স্বভাৱৰ অধীন।

বেদান্তত আমি আৰু পালোঁ যে এইদৰে আমাক সোঁতত উটাই দি তেওঁ লীলা কৰিছে।

লোকবৎ তু লীলা কৈবল্যম্। [ব্রঃ সূঃ ২।১।৩৩]

সাংখ্যত বিচাৰিলোঁ, তাতো ঠিক একে কথাকে পালোঁ :—

ঔৎসুক্য নিবৃত্ত্যর্থং যথা ক্রিয়াসু প্রবর্ত্ততে লোকঃ।
পুৰুষস্য বিমোক্ষার্থং প্রবর্ত্ততে তদ্বদব্যক্তম্ ॥
[৫৮ কাৰিকা]

অর্থাৎ আমি সংসাৰৰ কষ্ট ভোগ কৰি মৰিছো, আৰু তেওঁ ওপৰৰ পৰা বহি বহি ৰং চাইছে। এয়ে নে বেদান্ত? এয়ে যদি বেদান্ত তেন্তে ইয়াক পঢ়ি আমাৰ কি লাভ হ'ল? আমি বৰং নিৰাশাৰ সাগৰত পৰিলোঁ; আমি বুজিলো যে আমাৰ একো উপায় নাই। স্বভাৱে যদৃচ্ছা-ক্রমে আমাক যেনি নিয়ে আমি তেনি যাব লাগিব। ঈশ্বৰৰ লগত আমাৰ আৰু একো সম্বন্ধ নাই। তেওঁ মাত্র ওপৰৰ পৰা ৰং চাব।

পৃথিবীৰ প্রধান প্রধান ধর্ম্মশাস্ত্রবোৰে এনে মতৰ নিন্দা হে কৰে। প্রথমতে কোৰাণে কয় :—

"Thinkest thou that I have made the heavens and the earth and all that is between them in jest?

অৰ্থাৎ "তুমি ভাবা নে কি মই চন্দ্ৰ, সূৰ্য্য, তৰা আৰু পৃথিবী আৰু তাৰ মাজৰ সকলোখিনি ধেমালি কৰিবলৈহে সৃষ্টি কৰিছো ?"

কিন্তু পাঠকসকলে নিশ্চয় জানিব যে দোষ বেদান্তৰ নহয়; দোষ আমাৰ নিজৰ বুদ্ধিৰ। সকলোৱে জানে যে বেদান্ত দিব্য দৰ্শন। ইয়াত যিবোৰ দাৰ্শনিক কথা কৈছে, সেইবোৰ (বুজিবলৈ টান হলেও) অতি অভ্ৰান্ত সাৰ সত্য। সেইবোৰ নাজানিলে মানুহৰ আত্ম-জ্ঞান লাভ নহয়, মানুহৰ শ্ৰেয়ঃ-সিদ্ধি নহয়।

কিন্তু সেইদৰে হলেও, সকলো দাৰ্শনিক বা বৈজ্ঞানিক জ্ঞানৰ দৰেই বেদান্ত-জ্ঞানো সীমাবদ্ধ জ্ঞান। ইয়াৰ সীমা আছে। ইয়াত নোহোৱা জ্ঞানো সংসাৰত আছে। আমাৰ সদায় এইখিনিতে ভুল হয় যে দাৰ্শনিক বা বৈজ্ঞানিক জ্ঞানৰ যে এটা সীমা আছে, সেই কথাটো আমি নুবুজো বা ভাবি নাচাওঁ। দাৰ্শনিক জ্ঞান যে সদায় সীমাবদ্ধ, সেই কথাটো অলপ ভাবিলেই আমি বুজো :—

ধৰক, আমাৰ আগত এটা অতি সুন্দৰ ছবি আছে বসায়নিক পণ্ডিত এজনে ইয়াত বসায়নিক বিশ্লেষণ কৰি কিছুমান মৌলিক পদাৰ্থৰ (elements) পৰমাণুৰ বাহিৰে আৰু একো নেপায়। আন এজন বৈজ্ঞানিক পণ্ডিতে ইয়াত কিমান বিজুলী, বিন্দু (electrons) আৰু বিজুলী কেন্দ্ৰ (protons) আছে, কৈ দিব। কিন্তু ইয়াৰ সৌন্দৰ্য্য—যি

সৌন্দৰ্য্যই আমাক মুগ্ধ কৰে, আৰু যাৰ বাবে আমি ছবিখনৰ ইমান আদৰ কৰো—সেই সৌন্দৰ্য্য এই বৈজ্ঞানিক আৰু ৰসায়নিক পৰীক্ষাৰে ধৰা পৰিব নে? কোন দৰ্শন শাস্ত্ৰই কব পাৰে, সেই সৌন্দৰ্য্য ক'ৰ পৰা কেনেকৈ আহিল?

আকৌ চাওক। এইবাৰ আমাৰ গাতে লাগি থকা নিজৰ স্ত্ৰীৰ সম্পৰ্কেই ভাৱি চাওঁহক। দাৰ্শনিক বা বৈজ্ঞানিক দৃষ্টিৰে চালে তেওঁ কিছুমান পৰমাণুৰ সমষ্টি মাত্ৰ। কোনো দাৰ্শনিক বা বৈজ্ঞানিক বিশ্লেষণৰ দ্বাৰা তেওঁৰ সৌন্দৰ্য্য প্ৰেম, গুণ বা লাৱণ্যৰ বিষয়ে একো ধৰা নপৰে। কোনো কবিৰ বৰ্ণনা শুনিও এইবোৰ গুণৰ সম্পূৰ্ণ ধাৰণা আমাৰ হব নোৱাৰে। তেওঁক আমি যেনেকৈ জানো সেইদৰে জানিবলৈ হলে তেওঁক আমি নিজৰ চকুৰে চাব লাগিব আৰু তেওঁৰ লগত থাকিব লাগিব।

এইদৰে অলপ ভাবিলেই আমি বুজিম যে দাৰ্শনিক জ্ঞান অতি সত্যজ্ঞান হলেও, সি একেবাৰে সম্পূৰ্ণ সত্য (whole truth) নহয়। তাৰ উপৰিও আৰু কিবা আছে, যিটো দাৰ্শনিক বিচাৰত ধৰা নপৰে।

দাৰ্শনিক বিচাৰ আচলতে অঙ্ক শাস্ত্ৰৰ প্ৰণালীৰে কৰা হয়। আমি অতি উচ্চতম অঙ্কশাস্ত্ৰৰ ভিতৰলৈ নগৈও, সাধাৰণ অঙ্ক এটাৰ বিষয়ে ভাবিলেও, অতি পৰিষ্কাৰ বুজিম, কিয় অঙ্ক শাস্ত্ৰৰ দ্বাৰা আমাৰ সম্পূৰ্ণ সত্যৰ জ্ঞান হব নোৱাৰে।

ধৰক, প্ৰশ্ন হ'ল ঃ

এক বুঢ়াৰ বেঙেনা বাৰী।
বেঙেনা আছে ১০০ শাৰী ॥
শাৰীত আছে ১০০ জোপা।
বেঙেনা হ'ল কেই জোপা ?

এই অঙ্ক কৰোতে আমি বুঢ়াৰ নাম-ধাম, বাৰীখনৰ ৰূপ, বেঙেনাৰ আকৃতি, সোৱাদ—ইত্যাদি সকলো জনা থাকিলেও, সেইবোৰ অনাৱশ্যক কথা বুলি বাদ দিওঁ। আমি ধৰি লওঁ যেন সংসাৰত ১০০×১০০ ৰ বাহিৰে আৰু আন কোনো সত্য নাই। এইদৰে ধৰি লৈ অঙ্কটো কৰোঁ। এইটো দেখাতে অসম্পূৰ্ণ প্ৰণালী। কিন্তু ইয়াৰ বাহিৰে অঙ্ক কৰাৰ আৰু অন্য প্ৰণালী নাই।

দাৰ্শনিক আলোচনাও ঠিক এনে। প্ৰথমতে বেদান্তই অতি সূক্ষ্ম দাৰ্শনিক বিচাৰ কৰি পালে যে ব্ৰহ্ম "সত্যং জ্ঞানং অনন্তম্"। এইটো এটা অতি মূল সাৰ সত্য (total abstraction)। এই গোটেই জগৎখন যি ব্ৰহ্মত অৱস্থিত, যি জন জগতৰ ওপৰতো আছে, তেওঁৰ কথা ভাবি নি নি আমি পালোঁ যে তেওঁ সৎ পদাৰ্থ, কেৱল জ্ঞান (consciousness) স্বৰূপ। অতি সত্য কথা। সাংখ্যই আকৌ কলে যে জ্ঞান এনেয়ে সদায় সত্য, সদায় অনন্ত ; ইয়াৰ আদি বা অন্ত বা সীমাৰ কল্পনা হব নোৱাৰে। জ্ঞানৰ আগত সত্য বা অনন্ত বিশেষণ দুটা দিয়াৰ আৱশ্যক

নাই। সেইগুণে ব্ৰহ্মক তেওঁ শুদা "জ্ঞ" বা "অব্যক্ত" বুলিলে। (আমাৰ সাংখ্য দৰ্শন ৭--৮ পৃষ্ঠা চাওক)।

শঙ্কৰাচাৰ্য্যই আৰু গীতাই কলে যে ব্ৰহ্মক শুদা 'সৎ' (existence) বুলিলেই যথেষ্ট। (আমাৰ গীতা ৩২ পৃ চাওক) পঞ্চদশীত কলে যে ব্ৰহ্মক শুদা চিৎ (consciousness) বুলিলেই যথেষ্ট। শেহত বৌদ্ধ দৰ্শনে কলে যে এইবোৰ যেতিয়া আটাইবোৰ সাৰ বৃত্তান্ত (abstraction) মাত্ৰ, তেন্তে আমি তেওঁক একো নুবুলি, "শূন্য" বুলিলেও সেই একে কথাকে বুজিম।

সৎকাৰ্য্যবাদৰ যুক্তিৰে আৰু আলোচনা কৰি বেদান্তই পালে যে ব্ৰহ্ম সৰ্ব্বব্যাপী, নিৰ্গুণ নিৰবয়ব (নিৰাকাৰ) সৎ পদাৰ্থ (এইবোৰ যুক্তি আমাৰ গীতাৰ পাতনি আৰু সাংখ্য দৰ্শনৰ ২৮-৩০ পৃষ্ঠাত দিয়া হৈছে)।

এই আটাইবোৰ অতি সত্য কথা। দাৰ্শনিক সত্য। দাৰ্শনিক যুক্তিৰে ইয়াকেহে জানিব পাৰি। ইয়াৰ ওপৰলৈ দাৰ্শনিক যুক্তি নেযায়। ঈশ্বৰৰ ৰূপ থাকিলেও দাৰ্শনিক দৃষ্টিত সেই ৰূপ ধৰা নপৰে। দাৰ্শনিক দৃষ্টিত তেওঁ নিশ্চয় নিৰ্গুণ, নিষ্ক্ৰিয়, নিৰাকাৰ—যেনে, আজি কালিৰ নতুন বৈজ্ঞানিক দৃষ্টিত জগতৰ সকলো বস্তুয়েই নিৰাকাৰ; বস্তুৰ ৰূপ, ৰস আদি সকলো আমাৰ মনৰ নিৰ্ম্মাণ [ওপৰত এই নতুন ইউৰোপীয় মনোবিজ্ঞানৰ কথা কোৱা হৈছে। (বিজ্ঞানৰ সিপাৰে ৪৫-৪৭ পৃষ্ঠা চাওক)।

তেন্তে এতিয়া প্ৰশ্ন হ'ল, যে ঈশ্বৰৰ বিষযে কোৱা এই দাৰ্শনিক সত্যবোৰৰ বাহিৰে আৰু তেওঁৰ বিষয়ে অন্য কোনো সত্য নাইনে? 'নাই' বুলি দুই শ্ৰেণীৰ মানুহে কয়। যথা :—

১। প্ৰথমতে এক শ্ৰেণীৰ মায়াবাদী বেদান্তী পণ্ডিতে কয় যে ব্ৰহ্ম নিজে কেৱল নিৰাকাৰ, নিৰ্গুণ সৎ (mere existece) পদাৰ্থ মাত্ৰ, আৰু ব্ৰহ্মৰ বাহিৰে যেতিয়া জগতত কোনো বস্তু নাই, তেন্তে আমি কবলৈ বাধ্য যে এই জগৎখনো নাই, ই মায়া (Illusion)। অৱশ্যে "মায়া" টো নো কি তেওঁবিলাকে নিজেও নুবুজে আৰু আমাকো নিশ্চয় বুজাব নোৱাৰে। (আমাৰ বেদান্ত দৰ্শন ১৭০-৫১ পৃ চাওক)। এই শ্ৰেণীৰ পণ্ডিতৰ লগত আমাৰ বিশেষ একো বিবাদ নাই। তেওঁবিলাকে আমাৰ একো হানি কৰা নাই। তেওঁবিলাকে মাযাকে বোলে, বা X. Y. Z. যিহকে বোলে, জগতৰ স্বৰূপ স্বৰূপেই থাকিব। আমাৰ ভোগৰ একো তাৰতম্য নহয, মায়া বুলি খালেও বা সত্য বস্তু বুলি খালেও, পিয়াহত পানী খালে, সেই একে সোৱাদেই পাম, সেই একে তৃপ্তি লাভ কৰিম। বাটেদি যাওঁতে motor car এখন অহা দেখিলে আমি আঁতৰ হম। মায়া বুলি ভাবি তাৰ মুখত নপৰো।—

২। কিন্তু ২য় শ্ৰেণীৰ মানুহৰ পৰা আমাৰ উঠি-অহা ল'ৰা-ছোৱালীহঁতৰ বিশেষ অনিষ্ট হৈছে। এওঁবিলাকে বেদান্তৰ দাৰ্শনিক দৃষ্টিৰে চাই কয় যে নিৰাকাৰ ঈশ্বৰে

এই জগতখন সৃষ্টি কৰি আমাক স্বভাৱৰ যন্ত্ৰত পেলাই দিছে; আমি যদৃচ্ছা-ক্ৰমে চলি গৈছো। এতিয়া আৰু আমাৰ ঈশ্বৰৰ লগত একো সম্পৰ্ক নাই। তেওঁ আছে যদিও থাওক; নেথাকিলেও আমাৰ একো ক্ষতি নহয়; স্বভাৱে আমাক চলাই নিব। আমি নিজৰ চেষ্টাৰে নিজৰ উন্নতি কৰিব পাৰিম। এইটো একেবাৰে নাস্তিক মত নহ'লেও তদ্ৰূপ এটা মত, যাক ইংৰাজীত Agnosticism বোলে। এয়ে যেন আজিকালিৰ জগতৰ প্ৰচলিত মত। এই মতৰ মূলত, আচলতে, অজ্ঞান হে—অৰ্থাৎ জগতত যে দৰ্শন আৰু বিজ্ঞানে প্ৰমাণ কৰিব নোৱাৰা সত্য বস্তুত আছে, এই কথাটো নুবুজা বাবেই এইবোৰ মতৰ উদ্ভৱ হৈছে।

এই মতাৱলম্বী সকলক উদ্দেশ কৰিয়েই পুৰাণে কয়—

"কলৌ বেদান্তিনঃ সৰ্ব্বে ফাল্গুনে বালকা ইব"।

এইবোৰ মত যে অযুক্তি-পূৰ্ণ, অ-দাৰ্শনিক আৰু অসাৰ, সেইটো বুজা অতি সহজ। আমাৰ বিষয়-জ্ঞানৰ তত্ত্বটি (Epistemology) বুজিলেই কথাটো পৰিষ্কাৰ হয়। পাঠকসকলে আমাক ক্ষমা কৰিব। এই বিষয়-জ্ঞানৰ বিষয়ে আমি বহুত ঠাইত বহুত ৰকমে কৈ আহিছো। এতিয়া সেইবোৰ কথাৰে পুনৰুক্তি কৰা দোষৰ কথা হলেও, আমি সংক্ষেপে পুনৰুক্তি নকৰি নোৱাৰোঁ, কাৰণ এই নাস্তিক বাদটোৰ পৰা আমাৰ যথেষ্ট ক্ষতি হৈছে।

আমি বহুতবাৰ কৈ আহিছো যে আমাৰ বিষয়-জ্ঞান

দুই ৰকমেৰে হয় :—(১) শুদ্ধ ইন্দ্রিয়ৰ দ্বাৰা; এইটোক আমি 'প্রত্যক্ষ জ্ঞান' বোলোঁ। (২) আমাৰ বুদ্ধিৰ অনুমানৰ দ্বাৰা, এইটোকে আমি দাৰ্শনিক জ্ঞান বুলি কৈ আহিছো।'

১ম বিধ জ্ঞান অৰ্থাৎ প্রত্যক্ষ জ্ঞানক আমি সদায় সত্যজ্ঞান বুলি ভাবোঁ। কিন্তু আচলতে এই জ্ঞান অনিশ্চিত জ্ঞান। ই ইন্দ্রিয়-শক্তিৰ দ্বাৰা সীমাবদ্ধ। আৰু ই আপেক্ষিক জ্ঞান। যেনে, আমি দেখো যে সূৰ্য্য পৃথিবীৰ চাৰিওফালে ঘূৰিছে—কিন্তু আচলতে পৃথিবীহে ঘূৰিছে। তৰা এটা আমাৰ ওচৰচাপি আহিলেই আমি তাক অতি উজ্জ্বল দেখো, দূৰলৈ গ'লে ক্রমে ৰঙা হৈ যোৱা দেখোঁ।* তৰা-টোৰ আচল ৰংটো কি, আমি কেতিয়াও নেদেখো। প্রত্যক্ষ জ্ঞান সদায় সত্য জ্ঞান নহয়। ২য় বিধ জ্ঞানে সম্পূৰ্ণ সত্য জ্ঞান নহয়। ই অঙ্ক শাস্ত্ৰৰ জ্ঞানৰ দৰে, এটা সংক্ষিপ্ত সাৰ-আলোচনা (abstraction)। বিশেষতঃ এই জ্ঞান আমাৰ সংস্কাৰৰ দ্বাৰা সীমাবদ্ধ। আমি ওপৰত কৈ আহিছো, সংস্কাৰত নোহোৱা কথাৰ জ্ঞান আমাৰ হ'ব নোৱাৰে। সংস্কাৰে যেনে দেখুৱায়, জগতক আমি তেনেহে দেখো। সেইগুণে আমাৰ ন্যায় শাস্ত্ৰই কয় :—

আপ্তোপদেশঃ প্রত্যক্ষমনুমানঞ্চ যুক্তিকম্।
চতুৰ্ব্বিধং প্রমাণংস্যাৎ শেষত্রয়মনিশ্চিতম্ ॥

অৰ্থাৎ দাৰ্শনিক যুক্তি, অনুমাণ, আৰু প্রত্যক্ষ জ্ঞান—এই

* এই সত্যটোক ইংৰাজী বিজ্ঞানে "Doppler effect" বোলে।

তিনিবিধ জ্ঞান সদায় অসম্পূৰ্ণ বা অনিশ্চিত জ্ঞান। [আমাৰ সাংখ্য দৰ্শন ৮৫ পৃ]

এইটো অকল আমাৰ শাস্ত্ৰৰ কথাই নহয়। আধুনিক পাশ্চাত্য মনোবিজ্ঞানে এই কথাটো অতি সুন্দৰ কৈ, পৰীক্ষাৰে (Experiment) প্ৰমাণ কৰি দেখুৱাই কৈছে যে আচল সত্য জ্ঞান (absolutely real) আমাৰ ভাগ্যত নাই। আমাৰ সকলো ৰকমৰ বিষয় জ্ঞান ইন্দ্ৰিয়ৰ অশক্তিৰ দ্বাৰা সীমাবদ্ধ (selective) আৰু আমাৰ সংস্কাৰৰ পৰা উদ্ভৱ হোৱা (structural) আৰু আমাৰ সকলো জাগতিক জ্ঞানেই আপেক্ষিক (relative)। এই বিজ্ঞানৰ মতে আমাৰ সকলো বিষয়-জ্ঞান অসম্পূৰ্ণ জ্ঞান। জগতত আমি যি দেখিছো, সেইবোৰ কেৱল মাত্ৰ দেখা সত্য (Phenomena) তাৰ ওপৰত নেদেখা সত্য (reality) কি আছে, আমি কব নোৱাৰো। আধুনিক বিজ্ঞানৰ এয়ে সুনিশ্চিত সিদ্ধান্ত।

বিজ্ঞানে আৰু কৈছে যে আমাৰ ইন্দ্ৰিয় আৰু মন যেন এজোৰ বিত্-চকু। ইয়াৰ সহায়েৰেই আমি জগতক দেখো। এই বিত্-চকুজোৰ নহলেই আমি একেবাৰে কণা —আমাৰ কোনো বিষয়-জ্ঞান হ'ব নোৱাৰে। কিন্তু বিত্-চকুৰে দেখা, সত্য দেখা হ'ব নোৱাৰে। ভগা বিত্-চকুৰে সমস্ত জগৎ বেঁকা দেখো, ৰঙা বিত্-চকুৰে ৰঙা দেখো ইত্যাদি—অৰ্থাৎ আমাৰ মানৱিক দৃষ্টি সত্য দৃষ্টি নহয়। ই সদায় অসম্পূৰ্ণ দৃষ্টি।

ইউৰোপীয় বিজ্ঞানে নেজানে যে ওপৰত কোৱা দুটি উপায়ৰ বাহিৰেও, আমাৰ বিষয়-জ্ঞানৰ আৰু এটি তৃতীয় আৰু উৎকৃষ্ট উপায় আছে।

আমাৰ দৰ্শনে কয় যে মন, বুদ্ধি ইন্দ্ৰিয়ই আমাৰ বিষয় জ্ঞান সীমাবদ্ধ কৰিছে—এইটো দেখা কথা। ঈশ্বৰে এই মন আৰু ইন্দ্ৰিয় আৰু সংস্কাৰৰ দ্বাৰা চৈতন্য পুৰুষৰ (জীৱৰ) জ্ঞান সংকীৰ্ণ কৰি, পুৰুষক মোহগ্ৰস্ত কৰিছে,—নহলে সংসাৰ নহয়। [বিজ্ঞানৰ সিপাৰে ৫২ পৃ চাওক]। কিন্তু বিত্ত-চক্ৰ স্বৰূপ এই ইন্দ্ৰিয় মন বুদ্ধিক আঁতৰাই থৈ আমি পোনে পোনেই আমাৰ চিৎশক্তিৰে বিষয়জ্ঞান লাভ কৰিব পাৰোঁ। বিত্ত-চকুজোৰ কেনেকৈ আঁতৰাব পাৰোঁ, তাৰ উপায় যোগ শাস্ত্ৰই দিছে। গীতাই দিছে। এইদৰে ইন্দ্ৰিয় আৰু মন, আৰু বুদ্ধি, একেবাৰে নিৰোধ কৰি নিশ্চল মনা হৈ, শুদ্ধ চৈতন্যৰ দ্বাৰা বিষয় জ্ঞান লাভ কৰাকে যোগ বা সমাধি বোলে (গীতাৰ ষষ্ঠ অধ্যায়)। পাতঞ্জলে কৈছে যে এনে বিষয় জ্ঞান সম্পূৰ্ণ সত্য জ্ঞান। (**absolute reality**)

ঋতম্ভৰা তত্ৰ প্ৰজ্ঞা। (পাতঞ্জল ১।৪৮)

এনে বিষয়-জ্ঞানত মিথ্যাৰ লেশ মাত্ৰ থাকিব নোৱাৰে ["ন তত্ৰ বিপৰ্য্যাসগন্ধঃ অপি অস্তি"—পাতঞ্জল ১।৪৮ ব্যাস-ভাষ্য] চৈতন্য সদায় সৰ্ব্বব্যাপী, সদায় সত্য। এনে চৈতন্যই সমুদায় সত্য একে লগে দেখে, সত্যৰ বাহিৰে আৰু

একো দেখিব নোৱাৰে। এয়ে আচল সত্য দৃষ্টি। এই দৃষ্টি লাভ কৰিব পাৰিলে মানুহে ঈশ্বৰৰ ৰূপ দেখে আৰু বুজে যে ঈশ্বৰ নিৰাকাৰ বুলি কোৱা দাৰ্শনিক সত্যটো সম্পূৰ্ণ সত্য নহয়। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰম হংসদেৱে কৈছে :—

"ব্ৰহ্ম অবাঙ্মনসো গোচৰ। এৰ মানে বিষয়াসক্ত মনেৰ অগোচৰ। কিন্তু শুদ্ধ মনেৰ, শুদ্ধ বুদ্ধিৰ গোচৰ।

... ...

ঋষি মুনিৰা কি তাঁকে দেখেন নাই? তাঁৰা শুদ্ধ বুদ্ধি শুদ্ধ আত্মা দ্বাৰা শুদ্ধ আত্মাকে সাক্ষাৎকাৰ কৰেছিলেন। *চৈতন্যেৰ দ্বাৰা চৈতন্যেৰ সাক্ষাৎকাৰ কৰেছিলেন। যাৰ হয়েছে, সেই জানে।*"

ঠিক একে ৰকম কথাকে শ্ৰীঅৰবিন্দই কৈছে—

[On Yoga—The Synthesis of Yoga
—Chap V. 658-69]

এনে জ্ঞান লাভ কৰিয়েই Jesus Christএ কৈছিল -

"God is Love".

গীতাই ষষ্ঠ অধ্যায়ত সমাধিৰ কথা কৈ, ৭ম অধ্যায়ৰ ১ম শ্লোকতে ক'লে যে সমাধিস্থ যোগীয়ে ঈশ্বৰৰ সাক্ষাৎ লাভ কৰে। তাৰ পাছত গীতাই ৮ম অধ্যায়ত বেদান্তৰ দৃষ্টিৰে নিৰ্গুন ব্ৰহ্মৰ বৰ্ণনা কৰি, ৯ম অধ্যায়ত দেখুৱালে যে যোগীৰ দৃষ্টিৰে ঈশ্বৰ প্ৰেম-ময়, সকলোৰে পিতা মাতা, তেওঁক যি ভজে, তাৰ সকলো ভাৰ তেওঁ নিজে লয় :—

পিতাহমস্য জগতো মাতা ধাতা পিতামহঃ। ৯।১৬

তেষাং নিত্যাভিযুক্তানাং যোগক্ষেমং বহাম্যহম্। ৯।২২

গীতাই এইদৰেই দেখুৱালে যে অকল বেদান্তৰ দাৰ্শনিক যুক্তিৰে বুজিলেই ঈশ্বৰক বুজা নহয়। তেওঁ সংসাৰত নিৰ্লিপ্ত হৈ ওপৰত বহি লীলা কৰা নাই। তেওঁৰ আৰু প্ৰেম-ময় ৰূপ এটা আছে, যি ৰূপ দাৰ্শনিক বিচাৰত ধৰা নপৰে। তেওঁক এই উভয় ৰূপে নেজানিলে তেওঁক "তত্ত্বতঃ" জনা নহয় আৰু সেইদৰে নজনা বাবেই জীৱই পুনঃ পুনঃ জন্মগ্ৰহণ কৰিব লাগে। যথা :—

ন তু মামভিজানন্তি তত্ত্বেনাতশ্চ্যবন্তি তে। ৯। ২৪

অপ্ৰাপ্যমাং নিবৰ্ত্তন্তে মৃত্যুসংসাৰ বৰ্ত্মনি। ৯। ৩

বেদান্তই নিজেও এইবোৰ কথা স্বীকাৰ কৰে। বেদান্তই নিজেও কৈছে যে হয়, ঈশ্বৰ অব্যক্ত—এইটো দাৰ্শনিক সত্য।

তৎ অব্যক্তং আহ হি (ব্ৰ সূ ৩।২।২৩)

কিন্তু বেদান্তই সেই একে আষাৰেই কলে যে ইয়াৰ উপৰিও ঈশ্বৰৰ বিষয়ে আৰু জানিবলগীয়া কথা আছে, যিবোৰ অন্য অনুষ্ঠানৰ পৰাহে জানিব পাৰি, যথা :—

অপি সংৰাধনে প্ৰত্যক্ষমনুমানাভ্যাম্। (ব্ৰ সূ ৩।২।২৪)

(আমাৰ বেদান্ত দৰ্শন ২৯১-৯২ পৃঃ চাওক) উপনিষদে স্পষ্ট কৈছে যে সাধকে ব্ৰহ্মৰ ৰূপ দেখে। (কঠ ৩।১ আৰু মুণ্ডক ৩।২।৩)

বেদান্ত, গীতা, বাইবেল, কোৰাণ সকলোৱে স্পষ্ট ভাৱে কৈছে যে ঈশ্বৰ যে নিৰাকাৰ, উদাসীন—এই কথাটো

দাৰ্শনিক সত্য হলেও, ই পূৰ্ণ সত্য (ঋতম্ভৰা) নহয়।

ঈশ্বৰে আমাক সংসাৰ সমুদ্ৰত পেলাই দি, হাত-ভৰি বান্ধি, স্বভাৱৰ শাসনত এৰি দি, নিজে ওপৰৰ পৰা বহি বহি ৰং চোৱা নাই। তথাপি দাৰ্শনিক বিচাৰত সেই দৰেই যেন প্ৰমাণিত হয়:— যেনে, মাকে যেনেকৈ কেঁচুৱা লৰা-ছোৱালীক খোলাকটি বা কিবা এসোপা দি, বাহিৰত উমলিবলৈ লগাই দি, নিজে আহি ভিতৰত নিশ্চিন্ত মনে ঘৰুৱা কাম কৰি থাকে, ঈশ্বৰেও যেন সেই দৰেই আমাক সংসাৰ-ভোগ কৰিবলৈ এৰি দি, নিজে লুকাই থাকি ক'ৰবাত লীলা কৰিছেগৈ। কিন্তু ইয়াৰ ওপৰৰ সত্যটি বেদান্তই দাৰ্শনিক যুক্তিৰে কব নোৱাৰে, সেই গুণে সেই সত্য নিজে নকৈ গীতাই কবলৈ থলে, যথা:— ল'ৰাই যেতিয়া খেমালিত আমনি লাগি, বা ভোকত মাকলৈ মনত পৰি কান্দে, তেতিয়া মাকে, দহবন কাটিকৰি, লৰি আহি লৰাক কোলাত লয়হি, ঈশ্বৰেও তেওঁৰ সন্তানক সেইদৰেই কৰে। সংসাৰলৈ বৈৰাগ্য হৈ কান্দিলেই তেওঁ লৰি আহে। *

সেইদৰেই, আকৌ, বেদান্তই ক'লে যে ঈশ্বৰ সকলোৰে প্ৰতি সমান। (ওপৰত এই কথা কোৱা হৈছে)। এইটো দাৰ্শনিক সত্য। ইয়াকে কৈ বেদান্ত ক্ষান্ত হ'ল। কিন্তু

* সংসাৰলৈ বৈৰাগ্য হৈ তেওঁক বিচাৰিলে তেওঁ আহে।
(গীতা ১৪। ৩-৪)

ইয়াৰ লগৰ ইটো সত্য গীতাই কলে। গীতাই "সমোঽহং সৰ্ব্ব ভূতেষু" বুলিয়েই ঠিক একে লগে ইটো সত্যও কলে, যথা—

সমোঽহং সৰ্ব্বভূতেষু ন মে দ্বেষ্যোঽস্তি ন প্ৰিয়ঃ।
যে ভজন্তি তু মাং ভক্ত্যা ময়ি তে তেষু চাপ্যহম্ ॥
[৯।২৯]

"ভক্তাস্তেঽতীব মে প্ৰিয়াঃ"। (১২।২০)

আকৌ চাওক। বেদান্তই কয় যে ঈশ্বৰে লীলা কৰিছে। কথাটো অতি সত্য। কিন্তু কেনে লীলা কৰিছে বেদান্তই দাৰ্শনিক যুক্তিৰে আমাক বুজাব নোৱাৰে। গীতা আৰু ভাগবত আদি গ্ৰন্থই বুজাব পাৰে। এইবোৰ গ্ৰন্থত কৈছে যে আমি যেনেকৈ আমাৰ নিজৰ ল'ৰা ছোৱালীৰ মৰমত সিহঁতৰ লগত লৰা হৈ "টাই-বাই" খেলি, ধেমালি কৰোঁ, ঈশ্বৰেও সেই দৰেই আমাৰ লগত কৰে—প্ৰভেদ এই যে আমাৰ ল'ৰা-ছোৱালীলৈ মৰম (আমাৰ সকলো ভাৱৰ দৰেই) সসীম, অনিত্য, (এই আছে, এই নাই) আৰু পৰিণামী। ঈশ্বৰৰ জীৱৰ প্ৰতি মৰম অসীম, নিত্য, আৰু অপৰিণামী। ল'ৰা-ছোৱালীয়ে ধেমালিত কইনা-দৰাৰ বিয়া পাতি আমাক কিবা খাবলৈ দিলে আমি খাওঁ, কাৰণ, নেখালে সিহঁতে বেয়া পাব। সেই দৰেই আমি ভক্তি ভাৱে যিহকে দিওঁ, ঈশ্বৰে খায়, যথা ঃ

পত্ৰং পুষ্পং ফলং তোয়ং যোমে ভক্ত্যা প্ৰযচ্ছতি।
তদহং ভক্ত্যুপহৃতমশ্নামি প্ৰযতাত্মনঃ ॥ [গীতা ৯।২৬]

[ইয়াত পাঠক সকলে "অশ্নামি" কথাটো মন কৰিব। অশ্নামি মানে—খাওঁ, ভক্ষণ কৰোঁ অৰ্থাৎ মুখেৰে খাওঁ]।

তেওঁ এইদৰে লীলা কৰিবলৈকে নিজে নিজৰ মায়াৰে মোহিত হৈ লৈছে, প্ৰেম-মগ্ন ঈশ্বৰ হৈ লৈছে, যথা—

"মায়ৈষা তস্য দেবস্য, যয়া সম্মোহিতঃ স্বয়ম"

ঈশ্বৰ নিজৰ মায়াৰে নিজে মোহিত। এইটো বেদান্তৰ নিজৰ কথা। এইদৰেই, আমি যেনেকৈ আমাৰ ল'ৰা-ছোৱালীৰ মৰমত মুগ্ধ, ঈশ্বৰো সেইদৰেই আমাৰ মৰমত মুগ্ধ। কেচুৱা লৰাৰ আধা-ফুটা মাত, বা অশুদ্ধ ভাষা শুনি, না না ৰকম ভুল-ভ্ৰান্তি দেখি, আমি যেনেকৈ ৰং হে পাওঁ, ঈশ্বৰৰ বিষয়েও সেয়ে কথা। আমি কেৱল মাত্ৰ তেওঁক জানিলেই হয়। তেওঁক মাতিলেই হয়।

আমি যি ৰকমেই উপাসনা কৰো, যি ভুল-ভ্ৰান্তি কৰোঁ, তেওঁ তাতেই তুষ্ট হয়। যথা—

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।

[গীতা ৪।১১]

এইদৰে তেওঁ যদি নিজৰ মায়াৰে নিজে মুগ্ধ নহ'ল হেতেন, তেন্তে কোনো উপাসনাৰ দ্বাৰা মানুহে তেওঁক লাভ কৰিব নোৱাৰিলেহেঁতেন, পৃথিবীৰ সকলো ধৰ্ম্মশাস্ত্ৰ নিৰৰ্থক হ'ল হেতেন। তেওঁ সৰ্ব্বশক্তিমান, সঁচা; কিন্তু জীৱৰ প্ৰতি মৰমত তেওঁ ইমান মুগ্ধ, যে তেওঁৰ কি সাধ্য আছে যে৷ আমি কাতৰ ভাৱে মাতিলে তেওঁ আমাৰ ওচৰলৈ

নাছি পাবে ? কোন মাকে লৰাই কন্দা শুনিলে লৰি আহি কোলাত ন'লৈ পাবে ?

এইদৰে তেওঁৰ সগুণ আৰু নিৰ্গুণ, দুয়োটা ভাৱ সুবুজিলে তেওঁক তত্ত্বতঃ জনা নহয় আৰু তত্ত্বতঃ জানিলে তেওঁলৈ অসীম ভক্তি আৰু প্ৰেম নহৈ নোৱাৰে। সেই গুণেই কয় :—

"To know God is to love Him."

এইদৰে যি ঈশ্বৰক জানে সেই সাধকৰ পুনৰ্জ্জন্ম নাই বুলি সকলো শাস্ত্ৰই স্বীকাৰ কৰে। যথা :

জন্ম কৰ্ম্ম চ মে দিব্যমেবং যো বেত্তি তত্ত্বতঃ।
ত্যক্ত্বা দেহং পুনৰ্জ্জন্ম নৈতি মামেতি সোঽৰ্জ্জুন ॥

-1 MAR 1958